● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*অন্যায় ৰোধ কৰিবলৈ আমি কেতিয়াবা শক্তিহীন হ'ব পাৰো, কিন্তু প্ৰতিবাদৰ বাবে শক্তিহীন কেতিয়াও হ'ব নোৱাৰো।*

ইলি উইজেল
*ন'বেল জয়ী*



www.dainikagradoot.in

৭ পুনৰ তলাবন্ধৰ শংকাত ঃ পলায়ন প্ৰব্ৰজিত শ্ৰমিকৰ
১৫ তৃতীয় টেষ্টত প্ৰত্যাৱৰ্তন ঘটিব বিৰাটৰ
৪ ভাইৰাছ সংক্ৰমণ কালৰ শিক্ষা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৩ পুহ ১৪২৮ ভাস্কৰাব্দ ৮ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 8 January 2022 মূল্য ঃ ৯.০০ টকা

ৰাজ্যত ক'ভিডৰ দ্ৰুত সংক্ৰমণ ■ ২০ জানুৱাৰীৰ পৰা সংক্ৰমণৰ হাৰ অত্যধিক হোৱাৰ শংকা ■ আজিৰ পৰা মহানগৰীত অষ্টম শ্ৰেণীলৈ স্কুল বন্ধ ■ প্ৰতিটো সংক্ৰমণে গণ্য হ'ব অ'মিক্ৰনৰূপে

# বিনামূলীয়া নহয় ক'ভিডৰ চিকিৎসা

■ চিকিৎসালয়ৰ পৰা সুস্থ হৈ ওভতাসকল সাত দিন হোম কোৱাৰেণ্টাইনত থাকিব লাগিব ■ বিপিএলৰ বাবেহে বিনামূলীয়া হ'ব ক'ভিড চিকিৎসা ■ চৰকাৰে ৰোগীক যোগান নধৰে খাদ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** 'ৰাজ্যত আৰম্ভ হ'ল ক'ভিডৰ তৃতীয় সংক্ৰমণ আৰু প্ৰতিটো সংক্ৰমণৰ ঘটনাক ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰন বুলি সন্দেহ কৰা হ'ব। এই তৃতীয় ঢৌত সংক্ৰমণৰ সংখ্যা বৃদ্ধি পাব। ২০ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈ ইয়াৰ সংক্ৰমণৰ হাৰ শীৰ্ষত উপনীত হ'ব।' আজি ক'ভিডৰ তৃতীয় ঢৌৰ নতুন নীতি-নিৰ্দেশনা ঘোষণা কৰি এইদৰে মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যত ক'ভিডৰ সংক্ৰমণ পুনৰ দ্ৰুতহাৰত বৃদ্ধি পোৱাৰ পাছত আজি জনতা ভৱনত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° শৰ্মাই ক'ভিডৰ তৃতীয় ঢৌৰ বাবে ৰাজ্যবাসীক সজাগ-সচেতন হ'বলৈ আহ্বান জনোৱাৰ লগতে ল'বলগীয়া ব্যৱস্থাসমূহ ব্যাখ্যা কৰি কয়, 'যোৱা ২৭ ডিচেম্বৰৰ পৰা অসমত ক্ৰমাৎ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাবলৈ ধৰিছে। ৰাজ্যত পহিলা জানুৱাৰীত ক'ভিডৰ সংক্ৰমণৰ সংখ্যা *১০ পৃষ্ঠাত চাওক*





*ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত নতুন নিষেধাজ্ঞা জাৰিৰ দিনাও বজাৰত ভিৰ, মহানগৰীত শুকুৰবাৰে।*

## ক'ভিডৰ বাবে চৰকাৰৰ নতুন নীতি-নিয়ম জাৰি

- ■ নিশা ১০ বজাৰ পৰা পুৱা ছয় বজালৈ ৰাজ্যজুৰি নৈশ সান্ধ্য আইন।
- ■ নিশা ন বজালৈ খোলা থাকিব ব্যৱসায় প্ৰতিষ্ঠান।
- ■ ৰেস্তোৰাঁ, হোটেল, ধাবা আৰু অন্যান্য ভোজনস্থলীত ৫০ শতাংশ আসন ব্যৱহাৰৰ অনুমতি।
- ■ চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয়, পাব্লিক প্ৰতিষ্ঠান নিশা ন বজাৰ পাছত খোলা ৰাখিব নোৱাৰিব।
- ■ সকলো চৰকাৰী চাকৰিয়াল (ঠিকাভিত্তিক আৰু ফিক্সড পে'ক ধৰি) দুটা প্ৰতিষেধক প্ৰাপ্ত হ'ব লাগিব আৰু কাৰ্যালয়লৈ আহিব লাগিব।
- ■ প্ৰতিষেধক সম্পূৰ্ণ নকৰা কৰ্মচাৰী কাৰ্যালয়লৈ আহিব নোৱাৰিব, ছুটী ল'ব লাগিব, ছুটী উপলব্ধ নহ'লে অতিৰিক্ত ছুটীৰ বাবদ দৰমহা কৰ্তন কৰা হ'ব।
- ■ জৰুৰীকালীন আৰু অত্যাৱশকীয় সেৱাৰ কৰ্মচাৰীৰ কৰ্তব্য পালনত কোনো স্থানতে বাধা নিষেধ নাই।
- ■ কামৰূপ মহানগৰ জিলাত অষ্টম শ্ৰেণীলৈ সকলো বিদ্যালয় বন্ধ থাকিব আৰু অন্যান্য জিলাত পঞ্চম শ্ৰেণীলৈ সকলো বিদ্যালয়ৰ শ্ৰেণীকোঠা বন্ধ থাকিব।
- ■ নৱম আৰু ওপৰ শ্ৰেণীৰ কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এদিন এৰি এদিন পাঠদানৰ ব্যৱস্থা হ'ব।
- ■ অন্যান্য সকলোবোৰ জিলাত ষষ্ঠ শ্ৰেণীৰ পৰা ওপৰৰ শ্ৰেণীবোৰত উক্ত ব্যৱস্থা বাহাল থাকিব।
- ■ বিবাহ, ধৰ্মীয় অনুষ্ঠান, অন্ত্যেষ্টিক্ৰিয়া আদিৰ ক্ষেত্ৰত স্থানীয়ভাৱে জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে সমাবেশৰ সীমাবদ্ধতা নিশ্চিত কৰিব।
- ■ ঐতিহাসিক ধৰ্মীয়-সামাজিক স্থানত প্ৰতিঘণ্টাত দুটা প্ৰতিষেধক গ্ৰহণ কৰা ২৭ জন পৰ্যন্ত লোক প্ৰৱেশ কৰিব পাৰিব আৰু অন্যান্য ধৰ্মীয় স্থানত ৪০ জন পৰ্যন্ত অনুমতি দিয়া হৈছে।
- ■ অট'ৰিক্সা, চাইকেল ৰিক্সা আৰু টেক্সিত এশ শতাংশই যাত্ৰী যাব পাৰিব।
- ■ মটৰ চাইকেল আৰোহী সম্পূৰ্ণ প্ৰতিষেধক প্ৰাপ্ত হ'ব লাগিব।
- ■ আন্তঃজিলা পৰিবহণত এশ শতাংশই আসন ব্যৱহাৰৰ অনুমতি দিয়া হৈছে।
- ■ কোনো যাত্ৰী থিয় হৈ যাব নোৱাৰিব। এনেহ'লে যাত্ৰীয়ে বৃহৎ জৰিমনা ভৰিব লাগিব আৰু চালকৰ অনুজ্ঞাপত্ৰৰ লগতে বাহনৰ পঞ্জীয়নো বাতিল কৰা হ'ব।
- ■ অ'মিক্ৰনৰ পৰিপ্ৰেক্ষিতত এখন দোকানৰ ভিতৰত একে সময়তে পাঁচজনতকৈ অধিক লোক থাকিব নোৱাৰিব।
- ■ ১৫ জানুৱাৰীৰ পৰা দুপালি প্ৰতিষেধক গ্ৰহণ নকৰা লোকৰ ঘৰৰ পৰা ওলোৱাত নিষেধাজ্ঞা।
- ■ প্ৰতিটো সংক্ৰমণকে ধৰা হ'ব অ'মিক্ৰন।
- ■ সাত দিনৰ পাছত স্বয়ংক্ৰিয়ভাৱে নিগেটিভ বুলি গণ্য।
- ■ চিকিৎসালয়ৰ পৰা সুস্থ হৈ ওভতাসকল সাত দিন হোম কোৱাৰেণ্টাইনত থাকিব লাগিব।
- ■ বিপিএলৰ বাবেহে বিনামূলীয়া হ'ব ক'ভিড চিকিৎসা।
- ■ চৰকাৰে ৰোগীক যোগান নধৰে খাদ্য।
- ■ প্ৰতিষেধক নোলোৱা-এপালি লোৱা-১৫ বছৰৰ তলৰসকলৰ বাবে বিমান বন্দৰ-ৰেল ষ্টেছনত ক'ভিড পৰীক্ষা বাধ্যতামূলক।
- ■ দুপালি লোৱাসকলে গন্তব্য স্থানত উপস্থিত হৈ কৰিব লাগিব পৰীক্ষা।

■ নিশা ১০ বজালৈকে ভোগালী বিহু ■ নিশা কটাব নোৱাৰে ভেলাঘৰত ■ নাৰ্ছ-আশাকৰ্মীৰ বাবে বিশেষ ভাট্টা

## ১৫ জানুৱাৰীৰ পৰা প্ৰতিষেধক গ্ৰহণ নকৰা লোকৰ ঘৰৰ পৰা ওলোৱাত নিষেধাজ্ঞা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমকো জোঁকাৰিছে অ'মিক্ৰনে। পৰিৱৰ্তিত পৰিস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদমেলযোগে ঘোষণা কৰে নতুন নীতি-নিৰ্দেশনা। এই মৰ্মে সম্প্ৰতি ৰাজ্যত বলৱৎ হৈ থকা নৈশ সান্ধ্য আইন কাইলৈৰ পৰা নিশা ১০ বজাৰ পৰা পুৱা ছয় বজালৈ বলৱৎ হ'ব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। ক'ভিডৰ তৃতীয় ঢৌৰ নতুন নীতি-নিৰ্দেশনা ঘোষণা কৰি তেওঁ কয়, 'দোকান-পোহাৰ কোনোবাই ৯-৩০ বা ৯-৪৫তো বন্ধ কৰিব পাৰে। মুঠতে নিশা ১০ বজাৰ ভিতৰত সকলো ঘৰ গৈ পাব লাগিব। গুৱাহাটীৰ ব্যৱসায়ীসকলক মই আহ্বান জনাও যে ৯-৩০ বজাৰ দেৰি নকৰিব, কাৰণ মহানগৰীত ঘৰ গৈ পাবলৈ আধা ঘণ্টা সময়ৰ প্ৰয়োজন হয়।' *১০ পৃষ্ঠাত চাওক*

প্ৰধানমন্ত্ৰীলৈ কোনো ভাবুকি আছিল ঃ দাবী মুখ্যমন্ত্ৰীৰ

## পঞ্জাৱত ৰাষ্ট্ৰপতি শাসন জাৰিৰ ষড়যন্ত্ৰ বিজেপিৰ ঃ চান্নি

**■ নিউজ ব্যুৰ'**


**নতুন দিল্লী, ৭ জানুৱাৰী ঃ** পঞ্জাৱত উৰণীয়া সেতুৰ ওপৰত ২০ মিনিট সময় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কনভয় যানজঁটত আবদ্ধ হৈ থকা ঘটনাক লৈ কেন্দ্ৰীয় চৰকাৰ আৰু পঞ্জাৱ চৰকাৰৰ মাজত সংঘাত অব্যাহত আছে। প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাত বৃহৎ গাফিলতি বুলি অভিহিত কৰাৰ সময়তে পঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰণজিৎ সিং চান্নিয়ে আজি অভিযোগ কৰে যে বিজেপিয়ে ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ *১০ পৃষ্ঠাত চাওক*



## কটনৰ ছাত্ৰাবাসত প্ৰৱেশ কৰি আৰক্ষীৰ নিৰ্যাতনৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী ৭ জানুৱাৰী ঃ 'ড° হিমন্ত বিশ্ব শৰ্মাই গৃহমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা ৰাজ্যত বৃদ্ধি পাইছে পুলিচী নিৰ্যাতনৰ ঘটনা। ছাত্ৰৰ ওপৰত অমানুষিক নিৰ্যাতন চলোৱা হৈছে ড° শৰ্মাৰ কাৰ্যকালত।' এই অভিযোগ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক ৰাহুল কলিতাৰ। আজি সমিতিৰ মুখ্য কাৰ্যালয়ত এক সংবাদমেলত তেওঁ এই অভিযোগ কৰে। পাঁচ জানুৱাৰীৰ নিশা কটন বিশ্ববিদ্যালয়ৰ এম এন ডি পি আৰু এছ এন বি চি ছাত্ৰাবাসৰ আবাসীৰ মাজত হোৱা সংঘাতৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি *১০ পৃষ্ঠাত চাওক*



ডোমৰ দলং চাহ বাগিচাত কৰুণ ঘটনা

## জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু তিনি ফুলকোমলীয়া শিশুৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৭ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত ডোমৰ দলং চাহ বাগিচাৰ বৰুৱাহোলা ডিভিজনৰ ১২ নম্বৰ লাইনত আজি তিনিটা শিশু জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু মুখত পৰে। পুৱা ১০-৩০ বজাত চাৰিটা ফুলকোমলীয়া শিশুৱে ঘৰৰ ওচৰতে *১০ পৃষ্ঠাত চাওক*

## ১৫ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ মেট্ৰিক-হাই মাদ্ৰাছা পৰীক্ষা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছাৰ পৰীক্ষাৰ সময়সূচী আজি ঘোষণা কৰে অসম মাধ্যমিক শিক্ষা পৰিষদে। পৰিষদে ঘোষণা কৰা অনুসৰি, অহা ১৫ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ এই পৰীক্ষা অনুষ্ঠিত হ'ব। পুৱা ন বজাৰ পৰা ১২ বজালৈ অনুষ্ঠিত *১০ পৃষ্ঠাত চাওক*

বুজ ল'লে কৃষিমন্ত্ৰীয়ে

## শ শ বিঘা কৃষিভূমি অচিন ৰোগত নষ্ট, তদন্ত ঘোষণা

**বিশেষ সংবাদদাতা**


**ডিব্ৰুগড়, ৭ জানুৱাৰী ঃ** ডিব্ৰুগড়ৰ আইথানৰ সমীপৰ শ শ বিঘা কৃষি ভূমিৰ ৰবিশস্য অচিন ৰোগত শুকাই যোৱাৰ সন্দৰ্ভত ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। কি কাৰণত বা কি ৰোগত এই ৰবি শস্য নষ্ট হৈছে তাক তদন্তৰ বাবে জিলা কৃষি *১০ পৃষ্ঠাত চাওক*

এজন আৰক্ষী নিলম্বিত

## আৰক্ষী জিম্মাৰ পৰা পলায়ন ড্ৰাগছ ব্যৱসায়ীৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৭ জানুৱাৰী ঃ** বিশ্বনাথ চাৰিআলি আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিলে ড্ৰাগছ ব্যৱসায়ীয়ে। কালি গধূলি স্বাস্থ্য পৰীক্ষাৰবাবে নিয়াৰ সময়তে পলায়ন কৰা অভিযুক্তজনৰ নাম পংকজ গুপ্তা। *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৩° |
| ডিব্ৰুগড় | ২৬° | ১১° |
| দিল্লী | ২০° | ১৫° |
| কলকাতা | ২৭° | ১৬° |
| মুম্বাই | ২৮° | ২৩° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ২৭° | ১৮° |
| শ্বিলং | ১৯° | ০৮° |

*৭ জানুৱাৰী, ২০২২*

প্ৰধানমন্ত্ৰী আৱাস (গ্ৰামীণ) আঁচনি ৰূপায়ণত ব্যৰ্থতা ওলাই পৰিল

চুবুৰীয়া অৰুণাচলে ৰাষ্ট্ৰীয় গড়ৰ তিনিমাহ পূৰ্বেই সম্পূৰ্ণ কৰে নিৰ্মাণ

## ৰাষ্ট্ৰীয় গড়তকৈ তিনিমাহ পিছ পৰি ৰৈছে অসম, ক'ভিডৰ অজুহাত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (পি এম এ ৱাই-জি)ৰ গৃহ নিৰ্মাণৰ সময়সীমাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড়তকৈ পাছ পৰিল অসম। অথচ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ অসমতকৈ আগত থকাই নহয়, ৰাষ্ট্ৰীয় গড়তকৈ কম সময়ত গৃহ নিৰ্মাণৰ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই পৰিস্থিতিত অসম চৰকাৰ তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ব্যৰ্থতাৰ কাৰণ ক'ভিডে সৃষ্টি কৰা জটিল অৱস্থা বুলি উল্লেখ কৰি যেনে-তেনে দায় সৰাৰ চেষ্টা চলাইছে। পি এম এ ৱাই-জিৰ এটা গৃহ নিৰ্মাণৰ ৰাষ্ট্ৰীয় গড় সময় হ'ল ২৬৮ দিন। ইয়াৰ বিপৰীতে অসমত এটা ঘৰ নিৰ্মাণত প্ৰয়োজন হোৱা গড় দিন হ'ল ৩৫৯। অৰ্থাৎ অসমত ৰাষ্ট্ৰীয় গড়তকৈ তিনিমাহতকৈ অধিক দিনৰ প্ৰয়োজন হয়। এনে লেহেম গতিৰ বাবেই *১০ পৃষ্ঠাত চাওক*

■ কেন্দ্ৰীয় মন্ত্ৰী ৰূপালা উপস্থিত ঃ আত্মনিৰ্ভৰ হ'ব লাগিব অসম

## ৰাজ্যত দৈনিক ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্যৰে চুক্তি সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৭ জানুৱাৰী ঃ** 'দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত অসম আত্মনিৰ্ভৰশীল হ'ব লাগিব। এই লক্ষ্যত অসম আজি এখোজ আগবঢ়িল।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উন্নয়ন দপ্তৰৰ মন্ত্ৰী পৰষোত্তম ৰূপালাৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন ব'ৰ্ড আৰু অসম চৰকাৰৰ মাজত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে। *১০ পৃষ্ঠাত চাওক*

বিহালী বনাঞ্চলত চোৰাংচিকাৰীৰ দৌৰাত্ম্য

## ছাল-নেজ কাটি নিলে, সাতটা টুপীমূৰীয়া বান্দৰৰ মূৰ-হাড়-জঁকা উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৭ জানুৱাৰী ঃ** বিহালী সংৰক্ষিত বনাঞ্চলত চোৰাংচিকাৰীৰ দৌৰাত্ম্য অব্যাহত আছে। সাতটাকৈ টুপীমূৰীয়া বান্দৰৰ মূৰ-হাড় তথা জঁকা উদ্ধাৰক লৈ প্ৰকৃতিপ্ৰেমী উদ্বিগ্ন হৈ পৰিছে। *১০ পৃষ্ঠাত চাওক*



## আঠ বছৰীয়া কন্যাক ডিঙি চেপি হত্যা কৰিলে পিতৃয়ে

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৭ জানুৱাৰী ঃ** মৰিগাঁৱত এগৰাকী আঠ বছৰীয়া কন্যাক পিতৃয়ে ডিঙি চেপি হত্যা কৰাৰ পাশৱিক ঘটনাই সমগ্ৰ জিলাখনতে জোকাৰণিৰ সৃষ্টি কৰিছে। মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত ভূৰবন্ধা অঞ্চলৰ কটহগুৰীৰ কোঁৱৰ গাঁৱৰ সঞ্জীৱ পাতৰৰ একমাত্ৰ কন্যা শিশু মাজনী পাতৰৰ মৃতদেহ শুই থকা অৱস্থাতেই কালি পুৱা উদ্ধাৰ হৈছিল। শিশুটি *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*যি দেখিছো, এই যুঁজ দীঘলীয়া হৈ থাকিব! পাৰা যদি স্থায়ী পথ উলিওৱাৰ চেষ্টা কৰা!*

■ অসম গ্ৰন্থমেলাত নাই জনগোষ্ঠীয় কিতাপ ■ পঢুৱৈৰ সংখ্যা তাকৰ আৰু পৰ্যাপ্ত পুঁজিৰ অভাৱৰ কথা দোহাৰিলে

## জনজাতীয় সাহিত্য সভা, প্ৰকাশক আগ্ৰহী নহয় কিয় ?

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত যোৱা ২৯ ডিচেম্বৰৰ পৰাই অনুষ্ঠিত হৈছে অসম গ্ৰন্থমেলা। মহানগৰীৰ চান্দমাৰিস্থিত অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত ১২ দিনীয়াকৈ আয়োজন কৰা হৈছে উত্তৰ-পূবৰ গ্ৰন্থপ্ৰেমী ৰাইজৰ অন্যতম আকৰ্ষণ এই 'অসম গ্ৰন্থমেলা'। উপলব্ধ হৈছে ইংৰাজী, হিন্দী অসমীয়া আৰু বাংলা ভাষাৰ পাঠ্যপুথি, সহযোগী গ্ৰন্থকে ধৰি স্থানীয় আৰু বিশ্বৰ বৰেণ্য সাহিত্যিকৰ বহু যুগজয়ী সৃষ্টি। পিছে, গ্ৰন্থৰ এনে জাকত জিলিকা সমাহাৰৰ মাজত নাই কেৱল অসমৰ কোনো এখন জনজাতীয় সাহিত্য সভা অথবা জনজাতীয় প্ৰকাশক গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত স্থানীয় জনজাতীয় ভাষাৰ গ্ৰন্থ। অৰ্থাৎ বহু প্ৰত্যাশিত অসম গ্ৰন্থমেলাত নাই কোনো জনজাতীয় গ্ৰন্থৰ বিপণী।

'দৈনিক অগ্ৰদূত'ৰ অধ্যয়নত পোহৰলৈ অহা দুটা মূল কাৰণ— প্ৰথম, মহানগৰীত জনজাতীয় ভাষাৰ গ্ৰন্থ অধ্যয়ন কৰিব পৰা পঢুৱৈৰ সংখ্যা তেনেই সীমিত। অৰ্থাৎ ক্ৰেতাৰ সংখ্যা সীমিত হেতুকে বিপণী খুলিলে লোকচানৰ সম্ভাৱনাই অধিক। দ্বিতীয়তে, জনজাতীয় ভাষাৰ গ্ৰন্থসমূহৰ আন ভাষালৈ অনুবাদ কৰি প্ৰকাশৰ সংখ্যা নগণ্য, প্ৰায় নাই বুলিবই পাৰি। একপ্ৰকাৰ অনুবাদ সাহিত্যই এতিয়াও জনজাতীয় সাহিত্য সভাৰ মঞ্চত স্থান পোৱা নাই। এই সন্দৰ্ভত সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সাধাৰণ সম্পাদক ধীৰাজ গোস্বামীৰ স্পষ্ট মত, 'অসম গ্ৰন্থমেলা'ত বিপণী প্ৰতিষ্ঠাৰ বাবে সকলোৰে বাবে দুৱাৰ খোলা আছে। অসম গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিবলৈ ভাষাৰ ভিত্তিত আমি কোনো ধৰণৰ চৰ্ত ৰখা *১০ পৃষ্ঠাত চাওক*

## মহানগৰীৰ গীতানগৰত জ্বলি ছাই হ'ল এক কোটি ১০ লাখ টকাৰ সম্পত্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৭ জানুৱাৰী ঃ** মহানগৰীৰ গীতানগৰ আৰক্ষী থানাৰ অন্তৰ্গত গীতানগৰ হাইস্কুল খেলপথাৰৰ বিপৰীত দিশত অৱস্থিত 'উড ৱৰ্কছ' নামৰ এক ফাৰ্ণিচাৰৰ শ্ব'ৰূমত জুই লাগি শ্ব'ৰূমটো সম্পূৰ্ণভাৱে ধ্বংসস্তূপত পৰিণত হয়। অগ্নিনিৰ্বাপক বাহিনীৰ সূত্ৰই 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া মতে, ছফিউৰ ৰহমান মালিকানাধীন ফাৰ্ণিচাৰ শ্ব'ৰূমত আজি আবেলি চাৰি বাজি ৫৫ মিনিটত অজ্ঞাত কাৰণত জুইৰ *১০ পৃষ্ঠাত চাওক*

বিলাসনন্দন চ'ৰা



## বুকুত জংঘলৰ খেতি

বৰ ভয় লগা কথা হৈছিল দেই! বাপৰে বাপ কি কাণ্ড! দিল্লীৰ বাদশ্বাহ হয় তেওঁ। তাৰ পাছতো তেওঁ দহ-বিশ মিনিট ৰৈ থাকিব লগা হ'ল। বাদশ্বাহ অহা কাৰণে প্ৰজাগণে ঘণ্টাৰ পাছত ঘণ্টা হাইৱেত ফচি থাকিব পাৰে, ঘামি থাকিব পাৰে, প্ৰেছাৰো উঠি যাব পাৰে। তাত একো প্ৰ'ব্লেম নাই। কাৰণ অপেক্ষা কৰি থকাৰ অভ্যাস প্ৰজাগণৰ আছে। অভ্যাস থাকক বা নাথাকক, অপেক্ষা কৰি থাকিবলৈকে প্ৰজাগণে প্ৰজা হৈ জন্ম লৈছে। জন্মৰে পৰা প্ৰজাগণে অপেক্ষাই কৰি থাকে। ৰজাই ৰজা হোৱাৰ আগেয়ে অমুক দিব বুলি কৈছিল। দিব নে নাই, দিয়ে যদি কেতিয়া দিব, তাৰেই অপেক্ষা। ৰজাই ৰজা হোৱাৰ আগেয়ে অমুক কামটো কৰিব বুলি কৈছিল। কৰে নে নাই তাৰেই অপেক্ষা। ৰজাই ৰজা হোৱাৰ আগেয়ে সৱ সমাধা কৰিব বুলি কৈছিল। সমাধা কৰে নে নাই তাৰেই অপেক্ষা। মুঠতে প্ৰজাগণে অপেক্ষাই কৰি থাকে, ৰৈ থাকে হ'ব বুলি কোৱাটো হ'ব বা কৰিম বুলি কোৱাটো কৰিব বুলি। এনেকৈ ৰওঁতে ৰওঁতে ৰজা-মহাৰজাসকলে যোৱাৰ বাট ফ্ৰী কৰি ৰখাৰ পাছত ঘণ্টাৰ পাছত ঘণ্টা ৰৈ থকাৰ অভ্যাস এটা হৈ যায়। প্ৰজাগণে কেতিয়াও ফীল নকৰে। আৰু যদি কোনোবাই ফীল কৰি দৌৰি গৈ ৰাস্তাত উঠে, তেন্তে তাৰ হৈছে আৰু! প্ৰজা হোৱাৰ মজা উলিয়াই দিব। প্ৰজাগণে এটা কথা জানে যে ৰজা-মহাৰজাসকল অহা বাটটো ফ্ৰী কৰি দিব লাগে। কিন্তু এয়া নাজানে যে ফ্ৰী ৰাস্তাৰে ডেৰশ-দুশ কিলোমিটাৰ স্পীডত গৈ তেৰাসৱে দেছৰ কি উদ্ধাৰ কৰি দিছে। প্ৰাচীন কালতো এই ট্ৰেডিছন আছিল। ৰজাই টাইম পাছ আৰু এনজয়মেণ্টৰ কাৰণে জংঘললৈ যায় চিকাৰ কৰিবলৈ। ৰজাৰ ৰথ আহিব বুলি আগতীয়াকৈ এজনে ঢোল বজাই যায়। যেনেকৈ আজি-কালি চাইৰেণ বজাই যায়। তাৰ পাছত ফ্ৰী ৰাস্তাৰে ৰজাৰ ৰথখন আগবাঢ়ে, পথৰ দাঁতিত প্ৰজাগণে খাড়া হৈ থাকে। আজিও খাড়া হৈ থাকে। কিন্তু তেতিয়াৰ দিনত সকলোৱে 'মহাৰজাৰ জয় হওক' বুলি প্ৰজাগণে চিঞৰিছিল।



আজি-কালি কোনেও নিচিঞৰে। দুই-একে জিন্দাবাদ দিয়ে যদিও ঘামি-জামি ৰৈ থকা প্ৰজাগণে ঔ-কিল দিব বুলি ভাবি মুখৰ ভিতৰতে জিন্দাবাদ-মূৰ্দাবাদ হৈ যায়। প্ৰজাগণে ৰৈ থাকে, সেইটো বেলেগ কথা। কিন্তু দিল্লীৰ বাদশ্বাহে ৰৈ থাকিব লগা হৈছে। তাকো ১৫-২০ মিনিট। এইটো কম বেয়া কথা হৈছেনে? দেছৰ কাৰণেই কম লাজৰ কথা হৈছেনে? ফৰেইনে কি ভাবিব? ৰাফেল হৈ গ'ল, নফচিল! আদানী ধনী হৈ গ'ল, নফচিল। মালিয়াৰ পৰা নীৰৱ মোদীলৈ টকা চুৰি কৰি পলাই থাকিল, নফচিল। বস্তুৰ দামে আকাশ ছুলে, নফচিল। এতিয়া তেওঁ ফ্লাই অ'ভাৰত ফচি থাকিব লগা হৈছে! ফৰেইনাৰে 'অ' এম জি' বুলি চিঞৰি নিদিবনে? চকু চৰহা কিছুমানে কৈছে যে বাদশ্বাহে যিখন মিটিঙলৈ ৰাস্তাৰে গৈ আছিল, তাৰ সৱ চকী খালী আছিল। খালী চকীলৈ ভয় কৰা মানুহ বাদশ্বাহ নহয়। তেওঁৰ যথেষ্ট টেকনিকেল ন'লেজ আছে। তেওঁ লগালগ মিউট চেনেলবোৰক কৈ দিব— 'তোমালোক আজি মই লেকচাৰ দি থকাৰ শ্বটখিনি আজি দেখুৱাবা। বিশাল জনসমাগমৰ শ্বটবোৰ বেলেগ দিনাৰ ফুটেজৰ পৰা ল'বা। দুয়োটা এডিট কৰি জইন কৰি দিবা। সেয়া দেখি মিটিঙৰ চকী খালী বুলি কোৱাসকলেহে লাজ পাব লাগিব।' এনেহেন টেকনিকেল মানুহক খালী চকীৰে ভয় খুৱাব নোৱাৰি নহয়!

কিন্তু সিদিনা ফ্লাই অ'ভাৰত ৰৈ থাকিব লগা হোৱাত বাদশ্বাহে যে ভয় খাইছিল, সেয়া কিন্তু সত্য। বহু সময় গাড়ী ৰৈ থকা দেখি বাদশ্বাহে হেনো ড্ৰাইভাৰক সুধিলে— 'ক্যা হুৱা ভাই?' ড্ৰাইভাৰে ক'লে—'ধৰিব পৰা নাই জাহাপনা! ৰাস্তাত ল'ৰা-ছোৱালীবোৰে খেলা খেলি আছে নেকি? হঠাতে বাদশ্বাহৰ কাণত বাজি উঠিল বেংগলৰ সেই চিঞৰটো— খেলা হবে! লগালগ বাদশ্বাহে হেনো গাড়ী ঘূৰাব দিলে।

বাদশ্বাহে ভয় খোৱাক লৈ ভিন্নজনে ভিন্ন মত আগবঢ়ালে। দুই-একে কৈছে—'বাদশ্বাহে হেনো প্ৰথমে ভয় খোৱা নাছিল। কিন্তু দুজনমান ছিকিউৰিটীয়ে আহি হেনো বাদশ্বাহক ক'লে— ঢাকি ৰাখক!

ঃ কি ঢাকিব লাগে?
ঃ বুকুখন!
ঃ কিয়?
ঃ জুখিব!
ঃ কি জুখিব?
ঃ আপোনাৰ বুকুখন!
ঃ কোনে?
ঃ কৃষকে!
ঃ কিয়?
ঃ চাপন্ন ইঞ্চিৰ হয় নে নহয় বুলি চাব বোলে!
ঃ কিয়?
ঃ হ'লে কামত আহিব বোলে!
ঃ কি কামত আহিব মোৰ বুকুখনৰ?'
ঃ খেতি কৰিব বোলে তাত!
ঃ কিহৰ খেতি?
ঃ জংঘলৰ খেতি!
ঃ জংঘল কিয় লাগে মোৰ বুকুত?
ঃ আপোনাৰ সুবিধাৰ কাৰণে!
ঃ কি সুবিধা?
ঃ বুকুখনত জংঘল থাকিলে ২০২৪ত মুখ লুকুৱাবলৈ বেলেগ জাগা বিচাৰি ফুৰিব নালাগে। বুকুৰ জংঘলেই মুখখন ঢাকি পেলাব!
লগালগ বাদশ্বাহে গাড়ী ঘূৰালে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

### ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰাৰ্থীৰ নাম বাতিলক লৈ উত্তপ্ত বিশ্বনাথ মহাবিদ্যালয়

অগ্ৰদূত বাৰ্তা


**বিশ্বনাথ চাৰিআলি, ৭ জানুৱাৰী ঃ** বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৮ জানুৱাৰী, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

■ পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰীয়া জয়ন্তী ■ আলোচনাচক্ৰ , স্মাৰক গ্ৰন্থ উন্মোচন

## ব্ৰহ্মপুত্ৰৰ পানী থকালৈকে হেমচন্দ্ৰ গোস্বামী ভাষা-সাহিত্যৰ জনক হৈ থাকিব



অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ৭ জানুৱাৰী ঃ** ঢেকীয়ালৰ জ্যোতি শাখা সাহিত্য সভা আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্মৃতি ভৱন পৰিচালনা সমিতিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ঢেকীয়াল সাংস্কৃতিক ভৱনত অনুষ্ঠিত হৈছে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান। পুৱা পতাকা উত্তোলন কৰে জ্যোতি শাখা সাহিত্য সভাৰ সভাপতি গণেশ গোস্বামীয়ে আৰু পণ্ডিতগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে। ১৫০বছৰীয়া জয়ন্তীৰ স্মাৰক ফলি উন্মোচন কৰে সূৰ্য হাজৰিকাই। দুপৰীয়া সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিবৰ্তন গোস্বামীয়ে মূল মঞ্চৰ দ্বাৰ উদ্‌ঘাটনৰ পাছতে 'প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ কৃতি আৰু কৃতিত্ব' শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। গোলাঘাটৰ সতীসাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। উদ্বোধনী ভাষণত গোস্বামীয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামীক অসমীয়া ভাষা-সাহিত্যৰ 'মুকুট' বুলি অভিহিত কৰে। যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ *ছয় পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে



■ বঙাইগাঁৱত ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশন আৰম্ভ

# দেশত আছে ৬৫ শতাংশ চৰকাৰী বিদ্যালয়



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৭ জানুৱাৰী ঃ** 'আমি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ২০১৬ৰ পৰা এটা কথাৰ বিৰোধিতা কৰি আহিছো। সেইটো হ'ল ২০১৬ত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ বিধায়কসকলে ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ ১০ লাখকৈ টকা অনুদান দিছিল। আমি সেই কথাটোক তেতিয়াৰ পৰা বিৰোধিতা কৰিছো। বিষয়টো ইংৰাজী মাধ্যম নে অসমীয়া মাধ্যম সেয়া নহয়। বিষয়টো হ'ল ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ সমস্যা।' এই মন্তব্য অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীৰ। আজিৰে পৰা তিনিদিনীয়া কাৰ্যক্ৰমণিকাৰে বঙাইগাঁও চহৰত আৰম্ভ হৈছে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৩সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন । বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁওস্থিত জিলা পুথিভঁৰাল আৰু আই টি আই চৌহদত অনুষ্ঠিত হোৱা অধিৱেশনত উপস্থিত থকা শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদকগৰাকীক ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসন সন্দৰ্ভত প্ৰশ্ন কৰাত তেওঁ উপৰোক্ত মন্তব্য কৰে । তেওঁ লগতে আৰু কয় , আমি দেখিছো যে চৰকাৰীভাৱে ব্যক্তিগত খণ্ডক উৎসাহিত কৰা হৈছে আৰু শেহতীয়াভাৱে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়েও তাক উৎসাহিত কৰিছে । আমি কিন্তু অসম চৰকাৰক আহ্বান জনাম যে ব্যক্তিগত খণ্ডক প্ৰাধান্য দিব পৰা *ছয় পৃষ্ঠাত চাওক*

## সোণোৱাল চৰকাৰৰ দিনত আবণ্টন দিয়া এশ কোটি টকাৰ শ্বেতপত্ৰ প্ৰকাশৰ দাবী

বৰপেটা জিলা আছুৰ সংবাদমেল

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৭ জানুৱাৰী ঃ** বৰপেটা ছহিদ ভৱনৰ পৰা আজি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক তথা সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি কৃষ্ণকান্ত দাসে এক সংবাদমেলযোগে অসমবাসীক ইংৰাজী নতুন বছৰৰ লগতে সমাগত ভোগালী বিহুৰ আন্তৰিক অভিনন্দন জনাই শতবৰ্ষ গৰকা ঐতিহ্যমণ্ডিত সত্ৰনগৰী বৰপেটা চহৰৰ সামগ্ৰিক বিকাশ সন্দৰ্ভত ক্ষোভ প্ৰকাশ কৰি বৰপেটা চহৰৰ বিকাশৰ বাবে চৰকাৰলৈ কেতবোৰ দাবী উত্থাপন কৰে। তেওঁ কয় যে বিগত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰে শতবৰ্ষ গৰকা সত্ৰনগৰী বৰপেটা চহৰৰ বিকাশৰ বাবে এশ কোটি টকা আবণ্টন দিছিল; কিন্তু টকা আবণ্টন দিয়াৰ চাৰি বছৰ অতিক্ৰমৰ পাছতো বৰপেটা চহৰৰ কোনো ধৰণৰ বিকাশ বৰপেটাবাসী ৰাইজৰ চকুত নপৰিল। ক'ৰ টকা ক'লৈ গ'ল, ক'ত খৰচ হ'ল এই কথা বৰপেটাবাসীয়ে জানিবই লাগিব। গতিকে অতিশীঘ্ৰে জিলা প্ৰশাসনে বৰপেটা চহৰৰ বাবে আবণ্টন দিয়া এশ কোটি টকাৰ শ্বেতপত্ৰ প্ৰকাশ কৰাৰ দাবী জনায়। ইয়াৰ উপৰি তেওঁ কয় যে এখন চহৰৰ বিকাশৰ মূল চালিকাশক্তি যাতায়াত আৰু *ছয় পৃষ্ঠাত চাওক*

## শোণিতপুৰত ২৪ ঘণ্টাত ৭২ জন ক'ভিড আক্ৰান্ত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ জানুৱাৰী ঃ** শোণিতপুৰত যোৱা ২৪ ঘণ্টাত ৭২ জন লোক ক'ভিডত আক্ৰান্ত হৈছে। ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা নতুন ক'ভিড বিধি ৰূপায়ণৰ বাবে সাজু হৈছে শোণিতপুৰৰ স্বাস্থ্য বিভাগ। আজি শোণিতপুৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক চিকিৎসক জিয়াউদ্দিন আহমেদে উল্লেখ কৰা মতে, জিলাখনত মুঠ ক'ভিড ৰোগীৰ বাবে চৰকাৰী চিকিৎসালয়ত আঠশখন বিছনা আৰু বেচৰকাৰী চিকিৎসালয়ত আন আঠশখন বিছনা আছে। ইয়াৰে ভিতৰত ১৬৩ খন আই চি ইউ আৰু শিশুৰ কাৰণে ৩০ খন বিছনাৰ ক'ভিড আই চি ইউ পৃথকে সাজু কৰি ৰখা হৈছে। তদুপৰি *ছয় পৃষ্ঠাত চাওক*

উদ্বেগজনকভাৱে বৃদ্ধি ক'ভিড আক্ৰান্তৰ সংখ্যা

## পঞ্জাৱ নেচনেল বেংকৰ চক্ৰ কাৰ্যালয় কণ্টেইনমেণ্ট জ'ন ঘোষণা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰীৰ পাছতে যোৰহাটত বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। ইয়াকে লৈ তৎপৰ হৈ পৰিছে জিলা প্ৰশাসন। নগৰৰ বাবু পট্টিত থকা পঞ্জাৱ নেচনেল বেংকৰ চক্ৰ কাৰ্যালয়ত একেদিনাই ২১জন লোকৰ শৰীৰত ক'ভিড ধৰা পৰাত আজি বেংকটোৰ চক্ৰ কাৰ্যালয় চৌহদটো কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে স্বাস্থ্য বিভাগে। উল্লেখ্য যে কালি মাত্ৰ ২৪ ঘণ্টাৰ ব্যৱধানত জিলাখনত ক'ভিড আক্ৰান্তৰ সংখ্যা দুগুণ বৃদ্ধি পায়। জিলা প্ৰশাসনে দিয়া তথ্য অনুসৰি যোৱা পাঁচ জানুৱাৰীত আক্ৰান্তৰ সংখ্যা আছিল ২৫ জন; কিন্তু মাত্ৰ ২৪ ঘণ্টাৰ ব্যৱধানত সেই সংখ্যা বৃদ্ধি হৈ হ'ল গৈ ৫৬ জন। এই পৰ্যন্ত আক্ৰান্তৰ সংখ্যা জানিব পৰা হোৱা নাই যদিও বৃদ্ধি পোৱাৰ আশংকা কৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই।

গোলকগঞ্জত আক্ৰাছুৰ ২১ সংখ্যক ছহিদ দিৱস

## ফেব্ৰুৱাৰীত কোচ ৰাজবংশীসকলে ভাল খবৰ পাব ঃ জয়ন্ত

**তামাৰহাট, ৭ জানুৱাৰী ঃ** দীৰ্ঘদিন ধৰি কোচ ৰাজবংশী জনগোষ্ঠী জাতীয় দল-সংগঠনে আন্দোলন কৰি আহিছে যদিও সেই আন্দোলনৰ সফল সামৰণি পৰিব। ফেব্ৰুৱাৰীৰ ভিতৰত কোচ ৰাজবংশী জনগোষ্ঠীয়ে ভাল খবৰ লাভ কৰিব। ৰাজ্য চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ সমস্যা সমাধান কৰিবলৈ সকলো সময়তে সাজু। চৰকাৰে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। ভাল ফল পাবলৈ অলপ সময়ৰ দৰকাৰ। চৰকাৰৰ লগত থাকি সকলো কাম সম্পন্ন কৰা সহজ হয়। আজি গোলকগঞ্জৰ প্ৰধানী খেলপথাৰত অনুষ্ঠিত আক্ৰাছুৰ ২১ সংখ্যক ছহিদ দিৱসত উপস্থিত থাকি এইদৰে মন্তব্য কৰে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই। অনুষ্ঠিত ২১ সংখ্যক ছহিদ দিৱসৰ মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে *ছয় পৃষ্ঠাত চাওক*

## দৰং মহাবিদ্যালয়ৰ অধ্যাপক মণিদীপ ৰাজৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ জানুৱাৰী ঃ** দৰং মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপক তথা তেজপুৰৰ নৰপুৰ নিবাসী মণিদীপ ৰাজ (৫৯)ৰ যোৱা নিশা প্ৰায় ১০ বজাত তেজপুৰৰ ব্যপ্তিষ্ট খ্ৰীষ্টিয়ান হাস্পতালত মৃত্যু হয়। ১৯৮৯ত ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত যোগদান কৰা অধ্যাপকজনে ৰচনা কৰা প্ৰাণী বিজ্ঞানৰ ৫০ খন গ্ৰন্থৰ ভিতৰত বহুকেইখন গুৱাহাটী বিশ্ববিদ্যালয়, দিল্লী, অন্ধ্ৰ প্ৰদেশ আৰু ওড়িছা বিশ্ববিদ্যালয়তো বিভাগীয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। নামেৰী ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৰাজ্যৰ বিভিন্ন বনাঞ্চলৰ প্ৰাণীৰ বিষয়ে অধ্যয়ন কৰা এইগৰাকী অধ্যাপকে তেওঁ লিখিত গ্ৰন্থৰ বিপৰীতে লাভ কৰা ৰয়েল্টিৰ বাবে কৰ প্ৰতিশোধ *ছয় পৃষ্ঠাত চাওক*

## বাসুদেৱ দেৱালয়ৰ ২৬৬ সংখ্যক বাৰ্ষিক সভা মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বালিকৰিয়াৰ ঐতিহ্যমণ্ডিত মহাপ্ৰভু বাসুদেৱ দেৱালয়ৰ ২৬৬ সংখ্যক বাৰ্ষিক সভা মহোৎসৱ অহা ১৭, ১৮ আৰু ১৯ জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ১৭ জানুৱাৰীৰ পুৱা মহাপ্ৰভু বাসুদেৱৰ প্ৰাতঃস্নান আৰু পূজা আৰম্ভ হ'ব। ২৬৬ সংখ্যক বাৰ্ষিক সভা মহোৎসৱৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি শশীন্দ্ৰ চৌধুৰীয়ে। ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকা আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনে। প্ৰয়াত গদা কাজিৰ স্মৃতিসৌধত ভক্তি অৰ্ঘ নিবেদন। মহাপ্ৰভু বাসুদেৱৰ ভক্তসকলৰ স্মৃতিত ভক্তিঅৰ্ঘ নিবেদন কৰিব পৰিয়ালবৰ্গই। গছপুলি ৰোপণৰ পাছত *ছয় পৃষ্ঠাত চাওক*


## দৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন স্থগিতাদেশৰ নিৰ্দেশ আদালতৰ

প্ৰাৰ্থীৰ বয়সক লৈ বিতৰ্ক

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৭ জানুৱাৰী ঃ** তেজপুৰস্থিত দৰং মহাবিদ্যালয়ৰ অহা ১১ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ নিৰ্দেশ দিছে আদালতে। উল্লেখ্য যে এগৰাকী প্ৰাৰ্থীৰ বয়সক কেন্দ্ৰ কৰিয়েই দুটা প্ৰতিদ্বন্দ্বী ছাত্ৰ সংগঠনৰ মাজত হোৱা মতানৈক্যৰ পৰিণতিত বিষয়টো আদালতৰ কাষ চাপে আৰু তেজপুৰ মুঞ্চিফ আদালতে ১১ জানুৱাৰীত ছাত্ৰ একতা সভাৰ নিৰ্বাচন স্থগিত ৰখাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে নিয়ম অনুসৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ নিৰ্ধাৰিত বয়স ১৭-২২ বছৰ হ'ব লাগে। ইয়াৰ বিপৰীতে আছুৰ সমৰ্থিত এগৰাকী প্ৰাৰ্থী মনোজ বৰুৱাৰ বয়স ২২ বছৰৰ অধিক বুলি অভিযোগ উঠিছে। তদুপৰি দৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ মনোনয়ন *ছয় পৃষ্ঠাত চাওক*

## সংসাৰেই নহয়, পৰিয়ালো পোহপাল দিবলৈ সক্ষম আজিৰ নাৰী



গৃহস্থৰ সংজ্ঞা সলনিৰ দিশত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** জীৱনত পোৱা সীমাহীন যন্ত্ৰণা, অপ্ৰাপ্তিয়ে চলাব নোৱাৰে আজিৰ নাৰীক। ধুমুহাই বিধ্বস্ত কৰা অপৰিপাটি জীৱনটো থানথিত লগাবলৈ প্ৰয়োজন হোৱা সাহস, মানসিক শক্তিৰ অভাৱ নাই আজিৰ নাৰীৰ। তেওঁলোকে ঘৰ-সংসাৰ, স্বামী-সন্তান, শাহু-শহুৰৰ আলপৈচান ধৰাই নহয়, এতিয়া জীৱিকা অৰ্জন কৰি পৰিয়াল পোহপাল দিবলৈয়ো সক্ষম। ২১ শতিকাৰ নাৰী নিজেই নিজৰ 'মালিক'। সময় পৰিৱৰ্তনৰ লগে লগে সলনি হৈছে মানসিকতা। এই ক্ষেত্ৰত পৰিৱেশ পৰিস্থিতিয়েও কিছু পৰিমাণে বাধ্য কৰাইছে মানুহক। আজি পুৰুষৰ সমানে নাৰীও স্বাৱলম্বী। নিজৰ পৰিচয় গঢ় দিছে। সংসাৰৰ লগতে জীৱিকা উপাৰ্জনেৰে আৰ্থিকভাৱেও সহযোগিতা আগবঢ়াবলৈ সক্ষম হৈছে। বিভিন্ন প্ৰত্যাহ্বান গ্ৰহণ কৰি ওলাই অহা তেনে বহু নাৰী আজি বিভিন্ন ক্ষেত্ৰত কাম কৰি আছে। ক'ভিড কালত হোৱা তীব্ৰ আৰ্থিক সংকটেও বহু নাৰীক জীৱিকা উপাৰ্জনৰ দিশত অগ্ৰসৰ হ'বলৈ বাধ্য কৰাইছে। বিশেষকৈ নিম্ন মধ্যবিত্ত পৰিয়ালৰ মহিলাসকলে স্বাৱলম্বনৰ পথ প্ৰশস্ত কৰিবলৈ বাধ্য হয় কিন্তু ৰাজ্যত এনে বহু মহিলা আছে যি পুৰুষৰ দৰেই আৰ্থিকভাৱে দীৰ্ঘদিন ধৰি সহযোগ আগবঢ়াই আহিছে পৰিয়ালক। তেনে কিছু মহিলাই 'দৈনিক অগ্ৰদূত'ক কয় তেওঁলোকৰ জীৱন সংগ্ৰাম তথা স্বাৱলম্বনৰ আঁৰৰ কথা।

**সাংস্কৃতিক ক্ষেত্ৰৰ পৰা আঁতৰি অহা সুমন ব্যৱসায়ৰে হৈছে স্বাৱলম্বী**

সফল সাংস্কৃতিক ক্ষেত্ৰখনত জড়িত হৈ আছিল গুৱাহাটীৰ হেঙেৰাবাৰী নিবাসী সুমন হাজৰিকা। অসম চৰকাৰৰ ৰেছম বিভাগৰ উচ্চপদস্থ বিষয়া প্ৰয়াত বুদ্ধেশ্বৰ হাজৰিকা আৰু প্ৰীতিৰেখা হাজৰিকাৰ কনিষ্ঠ কন্যা সুমন সত্ৰীয়া নৃত্যৰ বি মিউজ। অসম সাংস্কৃতিক মঞ্চৰ উদ্যোগত বিহু, সত্ৰীয়াৰ লগতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত লোকনৃত্য দেশে-বিদেশে পৰিৱেশন কৰি সুনাম আৰ্জিছিল সুমনে। কম বয়সতে বিবাহ পাশত আৱদ্ধ হোৱা *ছয় পৃষ্ঠাত চাওক*

## উদ্ভিদৰ সংৰক্ষণ-সংবৰ্ধন কৰাটো কৰ্তব্য হোৱা উচিত


মাজুলীৰ বহনক্ষম উন্নয়নত উদ্ভিদকুলৰ স্থানীয় ব্যৱস্থাপনা শীৰ্ষক ৱেব-সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৭ জানুৱাৰী ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত মাজুলীৰ বিভিন্ন দিশ প্ৰণালীবদ্ধভাৱে আলোচনা কৰাৰ পৰিকল্পনাৰে সময়ে-সময়ে অনুষ্ঠিত কৰি অহা ঐতিহ্যমণ্ডিত মাজুলী সম্পদ, সুৰক্ষা, বিৱৰ্তন ইত্যাদি শীৰ্ষক বক্তৃতামালাৰ তৃতীয়লানি বক্তৃতা আজি দিনৰ তিনি বজাৰ পৰা অনলাইনযোগে অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ *ছয় পৃষ্ঠাত চাওক*

বিচ্যুতজনক সঠিক বাট দেখুৱাইছে মৈৰাবাৰী ড্ৰাগছ আসক্তি দূৰীকৰণ কেন্দ্ৰই

## ড্ৰাগছ আসক্তৰ অন্ধকাৰ জীৱনলৈ কঢ়িয়াই আনিছে এমুঠি পোহৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ জানুৱাৰী ঃ** নিচাসক্ত হৈ জীৱনৰ সঠিক পথৰ পৰা বিচ্যুত হৈ পৰা একাংশ লোকক স্বাভাৱিক জীৱনলৈ ঘূৰাই আনিছে মৈৰাবাৰীৰ নিচাযুক্ত দ্ৰব্যৰ আসক্তি দূৰীকৰণ কেন্দ্ৰই। ড্ৰাগছৰ কবলত পৰি আদবাটতে জীৱন অন্ধকাৰাচ্ছন্ন হৈ পৰা শ শ লোকৰ জীৱনলৈ এমুঠি পোহৰ কঢ়িয়াই আনিছে এই কেন্দ্ৰটোৱে। নগাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান 'গ্ৰাম বিকাশ পৰিষদ'ৰ তত্ত্বাৱধানত ভাৰত চৰকাৰৰ সামাজিক ন্যায় সবলীকৰণ মন্ত্ৰণালয়ৰ (মিনিষ্ট্ৰি অৱ চ'ছিয়েল জাষ্টিচ এমপাৱাৰমেন্টৰ অধীন)ত পৰিচালিত এই কেন্দ্ৰটোৱে কেঁবাশ ড্ৰাগছ আসক্তক নিচামুক্ত কৰি স্বাভাৱিক জীৱনলৈ ঘূৰাই আনিছে বুলি জানিবলৈ দিছে গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা চিৰাজউদ্দিন আহমেদে। প্ৰাপ্ত তথ্য অনুসৰি, গ্ৰাম বিকাশ পৰিষদৰ অধীনস্থ মৈৰাবাৰীস্থ নিচাযুক্ত দ্ৰব্যৰ আসক্তি দূৰীকৰণ কেন্দ্ৰত বিগত ২০২১ত ১৬৫জন ড্ৰাগছ আসক্ত লোকক বিভিন্ন স্থানৰ পৰা আনি ভৰ্তি কৰোৱা হৈছিল। তেওঁলোকৰ বয়স ১৮ৰ পৰা ৬০ বছৰ ভিতৰৰ। *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ জানুৱাৰী, ২০২২ পৃষ্ঠা ৫

# হেমচন্দ্ৰ গোস্বামীৰ সাহিত্য-কৃতি

## ডেৰশ বছৰীয়া জন্ম-জয়ন্তী উপলক্ষে

**ড° গিৰীশ বৰুৱা**



**হেমচন্দ্ৰ** গোস্বামীৰ জন্ম গোলাঘাট জিলাৰ ঢেকীয়ালত হৈছিল। তেওঁৰ জন্মৰ তাৰিখ ১৮৭২ চনৰ ৮ জানুৱাৰীত। মৃত্যু হৈছিল ১৯২৮ৰ ১ মে'ত। ১৯২০ত তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ তেওঁ সভাপতিৰ পদ শুৱনি কৰিছিল।

হেমচন্দ্ৰ গোস্বামী 'জোনাকী' কাকতৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আছিল। তেওঁ 'অৰুণ' নামৰ শিশু আলোচনীখনো সম্পাদনা কৰিছিল। তেওঁ অসমীয়া ভাষা উন্নতি সাধনী সভা, কামৰূপ অনুসন্ধান সমিতি আদিৰ লগতো জড়িত আছিল। চিলঙৰ বৰ ভূমিকম্পত ভগা ঘৰৰ ভগ্নাৱশেষৰ পৰা উদ্ধাৰ কৰি হেমচন্দ্ৰ বৰুৱাৰ অমৰ কীৰ্তি 'হেমকোষ'ক ১৯০০ চনত প্ৰকাশ কৰে। এই কামত তেওঁ যথেষ্ট কষ্ট কৰিব লগা হৈছিল।

'A Descriptive Catelogue of Assamese Manuscript,' 'পুৰণি অসম বুৰঞ্জী', 'অসমীয়া সাহিত্যৰ চানেকি', তেওঁৰ অক্ষয় কীৰ্তি। 'ফুলৰ চাকিৰ কবি' হেমচন্দ্ৰ গোস্বামী হ'ল অসমীয়া ভাষাত প্ৰথম ছনেট ৰচোঁতা। এই ছনেট তেওঁ আৰম্ভ কৰিছিল 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাৰ যোগেদি। কবিতাৰ উপৰি হেমচন্দ্ৰই গীতো লিখিছিল।

'A Descriptive Catelogue of Assamese Manuscript'-ৰ ওপৰত মন্তব্য দি গৰ্ডন চাহাবে এনেকৈ লিখিছিল, 'কিতাপখন হেম গোস্বামীয়ে অকলেই লিখিছিল। সম্ভৱতঃ এই কিতাপখনেই তেওঁৰ নাম যুগমীয়াকৈ ৰাখিব।'


ইয়াৰ উপৰি গোস্বামীয়ে কথাগীতাখন ১৯১৮ত সম্পাদনা কৰি উলিয়ায়। এক বিস্তৃত ভূমিকাৰে তেওঁ এইখন সম্পাদনা কৰিছে। ইয়াত তেওঁ কথাগীতাৰ ৰচক ভট্টদেৱৰ জীৱনীও সামৰিছে। এই গ্ৰন্থখনৰ সম্পাদনাৰ দ্বাৰা তেওঁ পৃথিৱীৰ মানুহক জনাই দিলে যে অসমীয়া গদ্য সাহিত্য সুপ্ৰাচীন। তেওঁৰ সম্পাদনা পঢ়ি ছাৰ আশুতোষ মুৰ্খাজীয়ে এনেকৈ ক'বলৈ বাধ্য হৈছিল, 'যিখিনি মানুহে ষষ্ঠ শতিকাতে এনেকুৱা গদ্য লিখিব পাৰিছিল সেইখিনি মানুহ সৰু মানুহ নহয়।' আনকি ৰবীন্দ্ৰ নাথেও এনেকৈ ক'বলৈ বাধ্য হৈছিল, 'এইখন বৰ গুৰুত্বপূৰ্ণ কিতাপ। বহুত দিশৰ পৰা এইখন কিতাপ গুৰুত্বপূৰ্ণ। আপোনালোকে নিশ্চয়কৈ এই কিতাপখনৰ ৰচকক লৈ গৌৰৱ কৰিব পাৰে। আমাৰ বাংলা ভাষাত গদ্য ওলোৱাৰ এক শতাব্দীৰ আগতেই তেওঁ এনেকুৱা এক গদ্য ৰচনা কৰিব পৰাটো ডাঙৰ কথা-তাকো ইমান সুন্দৰ ভাবে।' ৰবী ঠাকুৰে এই কথাখিনি হেমচন্দ্ৰলৈ দিয়া এখন চিঠিত লিখিছিল। প্ৰফুল্লচন্দ্ৰ ৰয়েও এইদৰে লিখিছিল, 'এই কিতাপখনৰ এক ধুনীয়া সংস্কৰণ মোৰ হাতত পৰিছেহি। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দেশপ্ৰেম আৰু পাণ্ডিত্যৰ ওচৰত আমি ধৰুৱা।'

উক্ত কিতাপখন কিয় তেওঁ সম্পাদনা কৰি উলিয়াইছিল তাৰ কাৰণ হিচাপে হেমচন্দ্ৰই এইদৰে দোহাৰিছে, 'পুৰণি পুথিবিলাকেই আমাৰ সাহিত্যৰ ৰাজহাড়ৰ নিচিনা। সেই গুণে এই পুথিবিলাক নষ্ট হ'বলৈ নিদি যিমান সোনাকালে পৰা যায় সিমান সোনকালে ছপা কৰি ৰক্ষা কৰা সকলো অসমীয়াৰে কৰ্তব্য।'

প্ৰাচীন গদ্যৰ উপৰিও হেমচন্দ্ৰই পুৰণি বুৰঞ্জীৰ পুথিও সম্পাদনা কৰিবলৈ লয়। তেওঁ 'পুৰণি অসম বুৰঞ্জী'খন সম্পাদনা কৰি উলিয়াইছিল। এক পাণ্ডিত্যপূৰ্ণ ভূমিকাৰে তেওঁ বুৰঞ্জী পুথিখন সম্পাদনা কৰিছে। ইয়াৰ উপৰি তেওঁ সম্পাদনা কৰি উলিয়ায় 'কামৰূপতন্ত্ৰ', সূৰ্যখড়ি দৈৱজ্ঞৰ 'দৰঙী ৰজা বংশাৱলী', 'অঙ্কীয়া বাৰ নাট' ইত্যাদি।

বুৰঞ্জী পুথি সম্পাদনা কৰাৰ উপৰিও হেমচন্দ্ৰই বুৰঞ্জী সম্পৰ্কীয় ভালেখিনি তথ্যসমৃদ্ধ প্ৰবন্ধ লিখে। তাৰ ভিতৰত 'মহাৰাজ ৰুদ্ৰসিংহৰ দিনত অসম', আৰু 'শৰাইঘাটৰ যুদ্ধ' প্ৰধান। জীৱনীমূলক ৰচনাতো হেমচন্দ্ৰ সিদ্ধহস্ত আছিল। আনন্দৰাম বৰুৱা, গুণাভিৰাম বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা আদিৰ ওপৰত লিখা জীৱনীয়ে অসমৰ জীৱনী সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে।

একেধাৰে ভাষাবিদ,



*হেমচন্দ্ৰ বৰুৱাৰ হস্তাক্ষৰ*


সাহিত্যিক, কবি, বুৰঞ্জীকাৰ, প্ৰত্নতত্ত্ববিদ হেমচন্দ্ৰ গোস্বামী অসমীয়া সাহিত্যৰ ভোটা-তৰা সদৃশ। পুৰণি শিলালিপি, মুদ্ৰালিপি, ফলি আদিৰ পাঠ উদ্ধাৰ কৰি সেইবোৰ প্ৰকাশ কৰিছিল। আজি তেওঁ 'জোনাকী' যুগৰে ত্ৰিমূৰ্তিৰ এজন বুলি চিহ্নিত। জ্ঞানান্বেষণেই তেওঁৰ জীৱনৰ ব্ৰত আছিল। মাত্ৰ ছাপন্ন বছৰীয়া জীৱনত তেওঁ যিখিনি কাম কৰি থৈ গ'ল তাত আনে এশ বছৰেও কৰিব নোৱাৰিলেহেঁতেন। অসমীয়া ভাষাক স্বতন্ত্ৰ ৰূপ দিয়াৰ ক্ষেত্ৰত হেমচন্দ্ৰৰ আশাশুধীয়া প্ৰচেষ্টাক অসমীয়া জাতিয়ে চিৰকাললৈ মনত ৰাখিব।

---

## এপিডিচিএলৰ লোকচানৰ বোজা বাৰে বাৰে গ্ৰাহকে ল'ব কিয় ?

# অসম চৰকাৰে বিদ্যুৎ উৎপাদনত গুৰুত্ব দিয়ক

### গুজৰাটৰ ৪০,১২৩ মেগাৱাটৰ বিপৰীতে অসমত বিদ্যুৎ উৎপাদন মাত্ৰ ৩৪৫ মেগাৱাট



**দৃষ্টিপাত**

**অদীপ কুমাৰ ফুকন**

**অসম** শক্তি বিতৰণ কোম্পানীয়ে বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ লক্ষ্যৰে অসম বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছে। লোকচানৰ জোৰা মাৰিবলৈ এইবাৰ ২৬.৪৯ শতাংশ বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে এপিডিচিএলে। বৰ্তমান প্ৰতি ইউনিট বিদ্যুতৰ গড়ে মাচুল ৭.৫৫ টকাৰ পৰা ৯.৫৫ টকালৈ বৃদ্ধি কৰিব। অসম শক্তি বিতৰণ কোম্পানীৰ যুক্তি হ'ল, লোকচান কৰি গ্ৰাহকৰ সেৱা কৰিবলগা হৈছে। ২০২০-২১ বৰ্ষত লোকচান আছিল ৯৭৩.৪৯ কোটি টকা, ২০২১-২২ বৰ্ষত ৬৪৫.৬৭ কোটি টকা। অসম শক্তি বিতৰণ কোম্পানীৰ লোকচানৰ বিষয়টো নতুন নহয়। প্ৰতিবছৰে লোকচানৰ অংক। কিন্তু এই লোকচানৰ জোৰা মৰাৰ বিপৰীতে লোকচান নোহোৱাৰ বাবে পদক্ষেপ কি ? ৰাজ্য চৰকাৰৰ এই ক্ষেত্ৰত দায়বদ্ধতাৰ অভাৱ কিয় ? অসম শক্তি বিতৰণ কোম্পানীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ শক্তি উৎপাদন প্ৰতিষ্ঠানৰ পৰা অধিক মূল্যত বিদ্যুৎ ক্ৰয় কৰি ৰাজ্যৰ গ্ৰাহকক অধিক মাচুলত বিক্ৰী কৰে। নিটি আয়োগৰ তথ্যমতে, অসমত দৈনিক বিদ্যুতৰ প্ৰয়োজন ১,৮০০ মেগাৱাট, নিজস্ব উৎপাদন মাত্ৰ ৩৪৫ মেগাৱাট। বৰ্তমান উৎপাদন নামৰূপ থাৰ্মেলত ৬৪.৫ মেগাৱাট, লাকুৱা মাৰ্থেল ৯৭.২ মেগাৱাট, লাকুৱা ৰিপ্লেচমেণ্ট প্ৰকল্প ৭০ মেগাৱাট, কাৰ্বি লাংপি ১০০ মেগাৱাট আৰু ক্ষুদ্ৰ প্ৰকল্পৰ পৰা ১৩.৫ মেগাৱাট। প্ৰকৃতাৰ্থত ১৮ সংখ্যক বিদ্যুৎ শক্তি সমীক্ষামতে, ২০২১-২২ বৰ্ষত অসমক বিদ্যুতৰ প্ৰয়োজন ২,৫৩২ মেগাৱাট, কিন্তু প্ৰকৃত উৎপাদন মাত্ৰ ২৫০ মেগাৱাট।

শিল্পায়নৰ বিকাশ তথা অৰ্থনৈতিক উন্নয়নৰ মূল চালিকা শক্তিয়েই হ'ল বিদ্যুৎ শক্তি। বিদ্যুৎ শক্তিৰ দ্ৰুত বিকাশৰ অবিহনে অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। দেশৰ ভিতৰতে অসম বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত যথেষ্ট নিম্নস্তৰত থকাটোৱেই অসমৰ অৰ্থনৈতিক দিশৰ ক্ষতিৰ অন্যতম কাৰক। যিটো সময়ত ৰাজ্যৰ নিজস্ব উৎপাদন ৭৫ শতাংশ আৰু কেন্দ্ৰীয় খণ্ডত ২৫ শতাংশ বিদ্যুৎ এখন ৰাজ্যত থাকিব লাগে, সেইটো সময়ত অসমত নিজস্ব ২০ শতাংশৰ বিপৰীতে কেন্দ্ৰীয় খণ্ডৰ পৰা ৮০ শতাংশ বিদ্যুৎ নিৰ্ভ কৰিবলগা হয়। ফলত ৰাজ্যৰ বিদ্যুৎ প্ৰতিষ্ঠানৰ লোকচান বৃদ্ধি হয় আৰু তাৰ বোজা গ্ৰাহকৰ ওপৰত পৰে। অসমে নিজস্ব ৩৪৫ মেগাৱাট লৈ ১৮০০ মেগাৱাট বিদ্যুতৰ ওপৰত নিৰ্ভৰশীল হৈ থকা সময়ত মহাৰাষ্ট্ৰত ৪৩,০০৩ মেগাৱাট, গুজৰাটত ৪০,১২৩ মেগাৱাট, তামিলনাডুত ৩৩,৩৪৮ মেগাৱাট, কৰ্ণাটকত ২৯,৩৪৫ মেগাৱাট, মধ্যপ্ৰদেশত ২৯,৪৬৬ মেগাৱাট, অন্ধ্ৰপ্ৰদেশত ২৬,৬৪০ মেগাৱাট, উত্তৰ প্ৰদেশত ২৮,১৯৪ মেগাৱাট, ৰাজস্থানত ২২,২৬৮ মেগাৱাট, ছত্তীশগড়ত ২৪,৪০৬ মেগাৱাট, পশ্চিমবংগত ১৬,১৮৬ মেগাৱাট, হিমাচলত ১০,৭৭২ মেগাৱাট, ওড়িশাত ১২,৪৮৯ মেগাৱাট, বিহাৰত ৬,৭৩৮ মেগাৱাট বিদ্যুতৰ চাহিদা পূৰণ কৰিছে। পশ্চিমবংগত যোৱা ১২ বছৰত ৩,৩০৬ মেগাৱাট বিদ্যুৎ উৎপাদন পুনৰ বৃদ্ধি কৰিছে। পশ্চিমবংগত ১৩,৭৬৫ মেগাৱাট ক্ষমতাৰ নিজস্ব থাৰ্মেল পাৱাৰ প্ৰকল্প আছে। অসমত নিজস্ব বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত চৰকাৰসমূহে গুৰুত্ব নিদিয়েই বুলি ক'ব পাৰি। নামৰূপ থাৰ্মেল ১৯৬৫ চনৰ ১৬ মে'ত প্ৰতিষ্ঠা কৰা, লাকুৱা থাৰ্মেল ১৯৮১ চনৰ ২৭ এপ্ৰিলত আৰম্ভ কৰা, কাৰ্বি লাংপি প্ৰকল্প ১৯৮৪ চনৰ ৮ মাৰ্চত আৰম্ভ কৰা। এইকেইটাৰ বাহিৰে অসমত নতুন প্ৰকল্প কি ?

কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক শক্তিমন্ত্ৰী পীযূষ গোৱেলে লোকসভাত সাংসদ বদৰুদ্দিন আজমলৰ এক প্ৰশ্নৰ উত্তৰত কৈছিল— অসমত ৰাজ্য চৰকাৰৰ অধীনত ৯৯২ মেগাৱাটৰ মুঠতে ৬টা বিদ্যুৎ উৎপাদনৰ প্ৰকল্প হ'ব। মাৰ্ঘেৰিটাত ৬৬০ মেগাৱাটৰ প্ৰকল্প, গোলাঘাটত ১২ মেগাৱাটৰ প্ৰকল্প, লাকুৱাত ৭০ মেগাৱাট, কাছাৰত ৩০ মেগাৱাট, আমগুৰিত ১০০ মেগাৱাট, নামনি কপিলিৰ ১২০ মেগাৱাট প্ৰকল্পৰ কথা উল্লেখ কৰিছিল কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। প্ৰায় ৫ বছৰৰ পূৰ্বৰ প্ৰতিশ্ৰুতিৰ বৰ্তমান স্থিতি কি ? আমি জনাত ২০০৮ চনৰ কয়লাৰ ওপৰত ভিত্তি কৰি মাৰ্ঘেৰিটাৰ বৰগোলাই তাপবিদ্যুৎ প্ৰকল্পৰ বাবে প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিছিল। ১,১০০ বিঘা মাটিত বিদ্যুৎ প্ৰকল্পৰ



বাবে মাটি অধিগ্ৰহণ কৰা হৈছিল। ১২টা বছৰ অতিক্ৰম কৰিলে, প্ৰকল্পৰ কাম কিন্তু আগবাঢ়া নাছিল। বিগত ২৫ বছৰত অসম চৰকাৰৰ অধীনত কাৰ্বি লাংপি প্ৰকল্পৰ বাহিৰে এটাও বিদ্যুৎ প্ৰকল্প সম্পূৰ্ণ নহ'ল। অসমৰ শক্তি খণ্ডৰ দুৰৱস্থা তথা বিদ্যুৎ সংকট দূৰ কৰা আৰু প্ৰকল্পসমূহ কাৰ্যক্ষম কৰি তোলাৰ প্ৰসঙ্গত তদানীন্তন ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধ্যক্ষই ২০১১ চনৰ ৩ নৱেম্বৰতে অসম চৰকাৰক পত্ৰযোগে অৱগত কৰিছিল। কিন্তু যোৱা ১০ বছৰে এইক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা নহ'ল। ফলত আজি ৰাজ্যত ভয়ংকৰ বিদুৎ সংকট আৰু লোকচানৰ বোজা গ্ৰাহকৰ ওপৰত জাপি দিবলগা পৰিস্থিতি হৈছে।

অসম শক্তি বিতৰণ কোম্পানীয়ে ১২০ ইউনিটলৈ প্ৰতি ইউনিটত ৪.৯০ টকাৰ পৰা ৬.৭৫ টকালৈ বৃদ্ধি কৰিব লৈছে। ১২১ ইউনিটৰ পৰা ২৪০ ইউনিটলৈ বৰ্তমানৰ ৬.১৫ টকাৰ পৰা ৭.৯০ টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এনেদৰে অন্যান্য ক্ষেত্ৰত বৃদ্ধি কৰা হ'ব। লগতে 'ফিক্সড চাৰ্জ' ৫০ টকাৰ পৰিৱৰ্তে ৭৫ টকা কৰাৰ হ'ব। লক্ষণীয় বিষয়টো হ'ল, অসমত ১২০ ইউনিটলৈ প্ৰতি ইউনিটৰ মাচুল ৬.১৫ টকা থকা সময়ত পশ্চিমবংগত ৫.২৬ টকা, ছিকিমত ২ টকা, মধ্যপ্ৰদেশত ৫.০৫ টকা, মহাৰাষ্ট্ৰত ৩.৪৪ টকা, উত্তৰাখণ্ডত ২.৮০ টকা, কেৰালাত ৩.৭০ টকা, ছত্তীশগড়ত ২.৫০ টকা, দিল্লীত ৩.০০ টকা, গুজৰাটত ৪.১৫ টকা, হিমাচলত ৩.৯৫ টকা মাত্ৰ। এই ৰাজ্যসমূহে যদি কম মূল্যত বিদ্যুৎ গ্ৰাহকক দিবলৈ সক্ষম হয়, অসমে নোৱাৰাৰ কাৰণটো কি ? কাৰণটো উদ্ঘাটন কৰি সমাধান কৰাৰ বাবে অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা নাই কিয় ? আমাৰ প্ৰস্তাৱ হ'ল— এই দিশসমূহক লৈ অসম চৰকাৰে এখন 'শ্বেত পত্ৰ' প্ৰকাশ কৰা উচিত। কাৰণ অসম শক্তি বিতৰণ কোম্পানীয়ে কৰি অহা লোকচানৰ বোজা ৰাজ্য চৰকাৰৰ ৰাজকোষৰ ওপৰতো পৰে। লগতে অসম শক্তি বিতৰণ কোম্পানীয়ে এছিয়ান ডেভেলপমেণ্ট বেংক (এডিবি)ৰ পৰা ২০১৪ৰ জুলাইত ৩০০ নিযুত ডলাৰ আৰু ২০১৬ৰ নৱেম্বৰত ৪৮ নিযুত ডলাৰ ঋণ গ্ৰহণ কৰিছিল। ২,৭০০ কোটিতকৈ অধিক ঋণ গ্ৰহণ কৰাৰ পিছতো শক্তি দপ্তৰে ঋণৰ ধন উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা পৰিলক্ষিত নহ'ল। গুৰুত্ব দিলে কেৱল সামগ্ৰী ক্ৰয় আৰু মেৰামতি কৰাৰ ক্ষেত্ৰত।

অসমত বিদুৎ ঘাটি প্ৰসঙ্গত আলোচনা কৰিলেই চৰকাৰ আৰু সংশ্লিষ্টসকলে প্ৰস্তাৱিত তথা নিৰ্মাণ হৈ থকা ২,০০০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কথা উত্থাপন কৰে। সংশ্লিষ্ট পক্ষই এনে এটা ধাৰণা দিবলৈ চেষ্টা কৰে যে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প সম্পূৰ্ণ হ'লেই অসমৰ বিদ্যুৎ সমস্যা সমাধান হ'ব আৰু কম মূল্যত বিদ্যুৎ অসমৰ গ্ৰাহকে লাভ কৰিব। গতিকে তৎকালে প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব লাগে। নামনি সোৱণশিৰি প্ৰকল্প সম্পূৰ্ণ হ'লে অসমে কি পাব— সেই প্ৰসঙ্গত আলোচনাৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় খণ্ডৰ এনএইচপিচিৰ দ্বাৰা নিৰ্মাণৰত নামনি সোৱণশিৰি প্ৰকল্পৰ উৎপাদন ক্ষমতা ২৫০ মেগাৱাট সম্পন্ন ৮টা ইউনিটৰ মুঠ ২,০০০ মেগাৱাট। ১,০০০ মেগাৱাট দেশৰ উত্তৰ আৰু পশ্চিম খণ্ডই পাব, ১৫ শতাংশ কেন্দ্ৰীয় কোটা। ২২ শতাংশ অৰ্থাৎ ৪৪০ মেগাৱাট ছিকিমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে পাব। উল্লেখ্য যে যিখন ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানে জলবিদ্যুৎ উৎপাদন কৰে, কেন্দ্ৰীয় শক্তি দপ্তৰৰ গেডগিল ফৰ্মূলা মতে সেইখন ৰাজ্যই মুঠ উৎপাদনৰ ১২ শতাংশ বিদ্যুৎ বিনামূল্যে লাভ কৰে। নামনি সোৱণশিৰি প্ৰকল্প অসম আৰু অৰুণাচলৰ ভূমিত। গতিকে দুয়োখন ৰাজ্যই ৬ শতাংশকৈ বিদ্যুৎ বিনামূল্যে লাভ কৰিব লাগে। কিন্তু অসম চৰকাৰৰ দূৰদৰ্শিতাৰ অভাৱত বিনামূল্যে পাবলগা ২৪০ মেগাৱাট বিদ্যুৎ কেৱল অৰুণাচল প্ৰদেশেহে লাভ কৰিব। অসম চৰকাৰৰ বাবে অসম বঞ্চিত হ'ল বিনামূল্যৰ ১২০ মেগাৱাট বিদ্যুতৰ পৰা। শেহতীয়াভাৱে সামাজিক প্ৰতিবাদৰ সন্মুখীন হৈ এনএইচপিচিয়ে মুঠ উৎপাদনৰ ১.২৫ শতাংশ অৰ্থাৎ ২৫ মেগাৱাট অসমক বিনামূল্যে দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমে কিনিব পাৰিব ২০৮ মেগাৱাট। নামনি সোৱণশিৰি প্ৰকল্পৰ ২,০০০ মেগাৱাট বিদ্যুৎ উৎপাদন হ'লে অসমে ২০৮+২৫=২৩৩ মেগাৱাট বিদ্যুৎ লাভ কৰিব। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল, পূৰ্বৰ চুক্তি অনুসৰি অসমে প্ৰতি ইউনিট বিদ্যুৎ ১.৮৬ টকাত ক্ৰয় কৰাৰ সিদ্ধান্ত আছিল। বৰ্তমান সিদ্ধান্ত পৰিৱৰ্তন হৈছে। এনএইচপিচিৰ পৰা অসমে প্ৰতি ইউনিট বিদ্যুৎ ১.৭৫ টকাত ক্ৰয় কৰিব লাগিব। সমগ্ৰ অসমত হোৱা প্ৰবল প্ৰতিবাদৰ পিছতো অসমৰ জনগণৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো গুৰুত্ব নিদি কেন্দ্ৰীয় চৰকাৰে এই ভয়াৱহ বৃহৎ নদীবান্ধৰ জলবিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিবলৈ লৈছে। ভাগ্যক্ৰমেহে ক্ষতিৰ সন্মুখীন হ'বলগীয়া অসমৰ জনগণে এতিয়া অত্যধিক মূল্য দি গেৰুকামুখ প্ৰকল্পৰ পৰা বিদ্যুৎ ক্ৰয় কৰিব লাগিব।

কেৱল অৰ্থনীতিয়েই নহয়, সমাজ জীৱনৰ অন্যতম চালিকা শক্তি বিদ্যুৎ খণ্ডৰ ওপৰত অসম চৰকাৰে দায়িত্ব সহকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ প্ৰকল্পসমূহৰ ওপৰত নিৰ্ভৰশীল হৈ থকাৰ বিপৰীতে ৰাজ্য চৰকাৰে নিজস্ব বিদ্যুৎ উৎপাদনৰ প্ৰকল্প তৎকালে আৰম্ভ কৰা উচিত। অন্যথা অসমে শিল্পায়নৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰত গতি ল'ব নোৱাৰিব।

*ফোন ঃ৯৭০৭০-২৪৬১২*

---

# প্ৰাথমিক শিক্ষা

## বিদ্যালয়, সমাজ আৰু শিক্ষকৰ ভূমিকা

**বিশ্বনাথ ৰাভা তাৰা**

**শিক্ষা** জগতখনত প্ৰাথমিক শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিশুসকলক দেশ তথা সমাজৰ প্ৰয়োজনৰ ভিত্তিত শাৰীৰিক, মানসিক আৰু সাংস্কৃতিক উত্তৰণেৰে গঢ় দি আধ্যাত্মিক পথেৰে তেওঁলোকক একোজন সুস্থ-সবল মানুহ হিচাপে গঢ়ি তোলাৰ দায়িত্ব প্ৰাথমিক বিদ্যালয়ৰ। তদুপৰি এটি শিশুক ভৱিষ্যতে এজন ভাল মানুহ আৰু সুনাগৰিকৰূপে গঢ়ি তুলিবলৈকো প্ৰাথমিক শিক্ষাৰ ভেটি মজবুত হ'ব লাগিব। সেইবাবে প্ৰাথমিক শিক্ষা তথা বিদ্যালয়সমূহক ছাত্ৰ-ছাত্ৰী বা শিশুৰ ভাগ্য নিয়ন্তা আৰু ভৱিষ্যতৰ দিক্ নিৰ্ণয়কাৰী বুলিব পাৰি। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ গুৰুত্বতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰেও বিভিন্ন আঁচনি তথা ব্যৱস্থা গ্ৰহণেৰে প্ৰাথমিক শিক্ষাক উন্নীতকৰণ কৰিবলৈ প্ৰয়াস কৰিছে। এনে প্ৰয়াসত সহযোগিতা আগবঢ়োৱাতো বিদ্যালয়, সমাজ, অভিভাৱক আৰু শিক্ষকসকলৰ দায়িত্ব আৰু কৰ্তব্য।

প্ৰাথমিক শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ কাৰণে বিভিন্ন সময়ত বিভিন্ন আঁচনি গ্ৰহণ কৰিছে যদিও প্ৰাথমিক শিক্ষাৰ সমস্যাৰ অন্ত নাই। সেই সমস্যাসমূহৰ ভিতৰত উপযুক্ত শিক্ষকৰ অভাৱ, আন্তঃগাঁথনিৰ অভাৱ, দুৰ্নীতিগ্ৰস্ত মানসিকতা, দৰিদ্ৰতা, নিৰক্ষৰ পিতৃ-মাতৃ, ভূমিহীনতা, বানপানী, দূষিত পৰিৱেশ, সচেতনতাৰ অভাৱ ইত্যাদি। চৰকাৰে আঁচনি ৰূপায়ণ কৰি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ দূৰ কৰা অসম্ভৱ; যদিহে আমাৰ সকলো পক্ষৰে আন্তৰিক প্ৰচেষ্টা, উৎসাজনক সহাঁৰি আৰু সহায়-সহযোগিতা নাথাকে।

বিদ্যা+আলয় = বিদ্যালয়। অৰ্থাৎ যি অনুষ্ঠানৰ মাধ্যমত নতুন প্ৰজন্মই আনুষ্ঠানিক শিক্ষা লাভ কৰি নিজকে ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত কৰি তুলিবলৈ সক্ষম হয়, সেই অনুষ্ঠানকে সাধাৰণতে বিদ্যালয় বা পঢ়াশালি বোলা হয়। বিদ্যালয়বোৰ শিশু বা ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ কঠিয়াতলী। তেওঁলোকৰ জীৱনত দিশ নিৰ্ণয়ৰ এটি পথেয়। সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰয়োজন, যিহেতু শিক্ষাৰ সহায়ত জ্ঞান বিকশিত হয়, সেয়ে জ্ঞান চিৰ আলোকময়, চিৰ জ্যোতিময়। ছাত্ৰ-ছাত্ৰীসকলে জীৱনত জানিবলগীয়া, কৰিবলগীয়া বহুতো কথা-কামবোৰ বিদ্যালয়ৰ জৰিয়তে কি কি আৰু কেনেকৈ কৰি, জানি প্ৰকৃত লক্ষ্যত উপনীত হ'ব পাৰি তাৰ সম্ভেদ বিদ্যালয় বা পঢ়াশালিৰ পৰা পোৱা যায়। সেইবাবে বিদ্যালয় সমাজ, শিশু তথা মানৱ জীৱনৰ লাই খুঁটাস্বৰূপ।

বৰ্তমান বিজ্ঞানৰ অগ্ৰগতিৰ লগতে সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্তন হ'বলৈ ধৰিছে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ লগত নিজক খাপ খুৱাই চলিবলৈ শিক্ষিত নাগৰিকৰূপে গঢ়ি তোলাৰ গধুৰ দায়িত্ব বিদ্যালয়বোৰৰ। সেইবাবে বিদ্যালয়বোৰক শিক্ষাৰ মন্দিৰ বোলা হয়। শিক্ষাৰ মন্দিৰত ছাত্ৰ-ছাত্ৰীয়ে নিজকে আত্মনিয়োগ কৰি প্ৰকৃত নাগৰিক হ'ব লাগিব। প্ৰকৃত নাগৰিকেহে একোখন সমাজক কৃষ্টি-সংস্কৃতি পৰিপূৰ্ণ কৰি শক্তিশালী ৰূপত গঢ় দিব পাৰে। সেইবাবে সমাজ গঠনত বিদ্যালয়বোৰে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে।

বৰ্তমানৰ সমাজ জটিল সমাজ। সমাজ ভঙা সহজ, কিন্তু সমাজ গঢ়াটো কঠিন কাম। গতিকে এই কঠিনতাৰ লগত নিজকে খাপ খুৱাবলৈ হ'লে পাঠ্যক্ৰম, পাঠ্যপুথি, শিকন-শিক্ষণ প্ৰক্ৰিয়া আৰু মূল্যায়ন ৰীতি আদি সকলো দিশতে সাৱধানতা অৱলম্বন কৰি আগবাঢ়িব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সমাজখনৰ লগত খাপ খুৱাব পৰা, ভৱিষ্যতৰ জীৱনত জীৱিকা নিৰ্বাহ কৰিবলৈ সমৰ্থ হোৱা আদি লক্ষ্য আগত ৰাখি চৰকাৰে পাঠ্যক্ৰম তথা পাঠ্যপুথি যুগুত কৰি ছাত্ৰ-ছাত্ৰীক উপযুক্ত পথ দেখুৱাই দিব লাগিব। এই ক্ষেত্ৰত পাঠ্যক্ৰম প্ৰস্তুত কৰোঁতাসকলৰ দ্ৰুতগতিত পৰিৱৰ্তিত সমাজখনৰ প্ৰতি সদয় দৃষ্টিভংগী থাকিব লাগিব, যাতে বাস্তৱ ক্ষেত্ৰত পাঠ্যক্ৰম আৰু পাঠ্যপুথিয়ে সময়ত ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত পথৰ সন্ধান দিব পাৰে। আজিৰ সমাজ ব্যৱস্থাত নিৱনুৱাৰ যি ভয়াৱহতা তাৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাৰ ত্ৰুটি লক্ষণীয় দিশ।

বিদ্যালয় আৰু সমাজৰ সুস্থ বাতাবৰণৰ ওপৰতে গুণগত শিক্ষা প্ৰদান বা গ্ৰহণ নিৰ্ভৰ কৰে। বৰ্তমান সময়ত চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত শৈক্ষিক বাতাবৰণ আৰু প্ৰশাসন-দুয়োটাই বিনষ্ট হোৱা বুলি শিক্ষাপ্ৰেমীৰ মুখে মুখে শুনা যায়। বন্ধ সংস্কৃতিৰ প্ৰকোপ, শিক্ষক-অভিভাৱকৰ সম্পৰ্কহীনতা, শৈক্ষিক দিনত স্কুলৰ ওচৰতে বজাৰ বহুৱা আৰু তাৰ বাবে সিদিনা স্কুল বন্ধ ৰখা, বানপানীৰ কাৰণে স্কুল গৃহ ধ্বংস হোৱা আৰু তাৰ বাবে বিদ্যালয় বন্ধ ৰখা, হাতীয়ে স্কুল গৃহ ভঙৱা আৰু তাৰ বাবে স্কুল বন্ধ ৰখা আৰু বিদ্যালয় পৰিচালনা সমিতিক পংগুকৰণ আদিয়ে ইয়াৰ মূল কাৰণ বুলি ধৰা হৈছে। ইয়াৰ লগতে শিক্ষা, শৈক্ষিক দিশ আৰু শিক্ষকৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ দাবীত শিক্ষক-কৰ্মচাৰীসকলে চলোৱা আন্দোলনকো ইয়াত সাঙুৰি ল'ব পাৰি। এনে পৰিস্থিতিত সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত সমাজৰ দায়িত্ব অধিক। ইয়াৰ বাবে সামূহিক প্ৰচেষ্টাৰে অৰ্থাৎ শিক্ষক-অভিভাৱক আৰু স্থানীয় ৰাইজৰ সুসমন্বয়েৰে সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব লাগিব। প্ৰধান শিক্ষকগৰাকীয়ে মুখ্য ভূমিকা লৈ অভিভাৱক সন্মিলন পাতি অভিভাৱসকলক সজাগ আৰু সচেতন কৰি তোলা বাঞ্চনীয়। এনে সন্মিলনৰ জৰিয়তে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি, স্বভাৱ-চৰিত্ৰ, সাময়িক পৰীক্ষাত পোৱা নম্বৰ আদি অভিভাৱকসকলক জ্ঞাত কৰাটো প্ৰয়োজনীয়। প্ৰয়োজনবোধে অভিভাৱকসকলক স্কুললৈ মতাই আনিও ছাত্ৰ-ছাত্ৰীসকলৰ সম্পৰ্কে জনাই দিয়া নিতান্তই আৱশ্যক। শিক্ষক-অভিভাৱক-ৰাইজ আৰু চৰকাৰৰ সমন্বয়ৰক্ষী হৈছে বিদ্যালয় পৰিচালনা সমিতি। এই সমিতিত শিক্ষক-অভিভাৱক-গাওঁবুঢ়া আৰু চৰকাৰী স্থানীয় নিকায়ৰ মনোনীত সদস্য থাকে। বিদ্যালয় পৰিচালনা সমিতি নামত থাকিলে নহ'ব, কামতো সক্ৰিয় হ'ব লাগিব। বিদ্যালয় পৰিচালনা সমিতিক সক্ৰিয় কৰিবলৈ হ'লে সমিতিখন বিজ্ঞ লোকেৰে গঠন কৰিব লাগিব। তেতিয়াহে বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষক-অভিভাৱক-ৰাইজ- সমাজৰ সহযোগত সুস্থ শৈক্ষিক পৰিৱেশ আৰু সক্ৰিয় প্ৰশাসনৰ ব্যৱস্থা কৰিবলৈ সক্ষম হ'ব।



শিক্ষক এজন সমাজৰ ৰাজহাড়স্বৰূপ। সমাজত শিক্ষিত-অশিক্ষিত সকলোৰে মাজত শিক্ষকজন নমস্য ব্যক্তি। শিক্ষকৰ দিহা-পৰামৰ্শই গাঁৱৰ সমস্যাসমূহ সমাধান কৰাত অৰিহণা যোগায়। সেয়ে শিক্ষক একোজনে সমাজ সংগঠক আৰু সংস্কাৰকৰ ভূমিকা লয়। পিতৃ-মাতৃয়ে সন্তানক জন্ম দি পৃথিৱীৰ পোহৰ দেখুৱায়, কিন্তু শিক্ষকে জ্ঞানৰ পোহৰেৰে শিশু এটিক প্ৰকৃত মানুহলৈ উন্নীত কৰে। সেয়ে শিক্ষকসকল প্ৰকৃতপক্ষে আদৰ্শ, সৎ আৰু যোগ্য ব্যক্তি গঢ়াৰ কাৰিকৰ। তেওঁলোকেই হৈছে সভ্যতাৰ ধাৰক আৰু বাহক। তেওঁলোকে এটা জাতিৰ পৱিত্ৰ দায়িত্ব পালনত নিয়োজিত মহান ব্যক্তি। বিদ্যালয় এখন সুপৰিচালনাত শিক্ষকৰ অৱদান যে অপৰিহাৰ্য সেয়া অনস্বীকাৰ্য। বিদ্যালয় এখনৰ শিক্ষা ব্যৱস্থাক আগুৱাই নিয়াত শিক্ষকৰ ব্যক্তিগত গুণ, শিক্ষাগত অৰ্হতা, ব্যক্তিগত প্ৰশিক্ষণ আৰু মনোবৃত্তিৰ ওপৰত নিৰ্ভৰ কৰে।

শিক্ষক একোজন নিঃসন্দেহে সমাজৰ অনুকৰণীয় ব্যক্তি আৰু সেইবাবে তেওঁ অনুকৰণীয় চৰিত্ৰৰ অধিকাৰী হোৱা প্ৰয়োজন। শিক্ষকজন সদায় সত্যবাদী, সদালাপী, ন্যায়পৰায়ণ ব্যক্তি হোৱাৰ উপৰি সততা, নিষ্ঠা, নিয়মানুবৰ্তিতা আৰু সময়ানুবৰ্তিতাৰে শিক্ষাদান কৰিব লাগিব। তেওঁ আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী হ'বতো লাগিবই, তাৰ লগতে মাত-কথা, আচাৰ-ব্যৱহাৰ, গতি-বিধি আৰু পোছাক-পৰিচ্ছদ আদিতো মাৰ্জিত হোৱাটো বাঞ্চনীয়। খং-ৰাগ দমন আৰু সকলোতে মাৰ্জিত ভাষাত কথা-বাৰ্তা পাতি এজন শিক্ষকে আটাইৰে আস্থাভাজন হ'ব পাৰিলে তেওঁ প্ৰকৃত শিক্ষকৰূপে পৰিগণিত হয়। আনহাতে শিক্ষকসুলভ আচৰণ, সময়ানুবৰ্তিতা নিষ্ঠা, সততা আৰু ব্যক্তিত্বৰ গুণেৰে যে আদৰ্শ শিক্ষক হ'ব সেয়া সম্ভৱ নহয়, বৰং এই সকলো গুণাৱলীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষকৰ যি প্ৰভাৱ সৃষ্টি হ'ব তাৰ মাধ্যমেদি শৃংখলাবদ্ধভাৱে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত মনোযোগী কৰা যাব আৰু আকাংক্ষা ফলপ্ৰসু হ'ব। তেতিয়া শিক্ষকৰ আদেশ আৰু নিষেধ প্ৰতিপালনত ছাত্ৰ-ছাত্ৰীসকলৰ স্বতঃস্ফুৰ্তভাৱে সঁহাৰি পাব। একোখন স্কুলত সমাজৰ বিভিন্ন পৰিৱেশত ডাঙৰ-দীঘল হোৱা ছাত্ৰ-ছাত্ৰী থাকে। সকলো ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক অৱস্থা বেলেগ বেলেগ। ছাত্ৰ-ছাত্ৰীসকলক বুজিবলৈ, জানিবলৈ আৰু তেওঁলোকক শৃংখলাবদ্ধভাৱে পাঠদানৰ সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ শিক্ষকে শিশু মনোবিজ্ঞান জনাৰ বিশেষ প্ৰয়োজন। তেতিয়া শিক্ষকৰ ব্যক্তিত্বও পূৰ্ণ প্ৰকাশ পাব। উল্লেখ্য সহানুভূতিশীল, খং-ৰাগ বৰ্জিত, বন্ধুত্বপূৰ্ণ ব্যক্তিত্ব আদৰ্শ শিক্ষকৰ অলংকাৰ।

শৈক্ষিক দিশত শিক্ষকৰ ভূমিকা অপৰিসীম। শিক্ষকৰ ভূমিকাৰ ওপৰতে গুণগত শিক্ষা প্ৰদান আৰু গ্ৰহণৰ ক্ষেত্ৰত সফলতা বিফলতা বহুলাংশে নিৰ্ভৰ কৰে। ছাত্ৰসকলক শিক্ষা দান কৰে মহান শিক্ষাগুৰুসকলে। মানৱ সম্পদ গঢ়োৱা এই শিক্ষকসকল সমাজৰ আদৰ্শ ব্যক্তি। এগৰাকী শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বাবে এজন বন্ধু (Friend), দাৰ্শনিক পণ্ডিত (Philosopher) আৰু বাট দেখুৱাওতা (Guide) । সেইবাবে শিক্ষকসকলে শিক্ষক শব্দটোৰ সন্মান অক্ষুন্ন ৰাখি ছাত্ৰ-ছাত্ৰীক মৰম-চেনেহৰ মাজেৰে শিক্ষাদান কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকল যাতে সঠিক পথেৰে আগবাঢ়িব পাৰে তাৰ বাবে শিক্ষকসকল পথ প্ৰদৰ্শক হোৱা উচিত।

শিক্ষকসকলৰ ওপৰতেই মানৱ সম্পদ গঢ় দিয়াৰ দায়িত্ব নিৰ্ভৰ কৰে। সেইবাবে শিক্ষকসকল চৰিত্ৰবান আৰু আদৰ্শ ব্যক্তি হোৱা উচিত। লগতে শিক্ষাদানৰ কৃতকাৰ্যতাও নিৰ্ভৰ কৰে শিক্ষকৰ ওপৰতে। শিক্ষাদান কাৰ্যটো যিমান জটিল শিক্ষকসকলৰ দায়িত্ব আৰু কৰ্তব্যও বৰ গধুৰ। শিক্ষকসকলে অধ্যয়নশীল হৈ নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি সমাজৰ প্ৰতি যে তেওঁলোকৰ কৰণীয় আছে - এই মনোবৃত্তিৰে উদ্বুদ্ধ হোৱা উচিত। ইতিমধ্যে লাভ কৰা আনুষ্ঠানিক শিক্ষাৰ ডিগ্ৰী 'চাৰ্টিফিকেট' কেইখনেই নতুবা বেচিক, টেট, ডি.এল.এড, বি.এডৰ চাৰ্টিফিকেটকেইখনেই তেওঁলোকক সৰ্বদিশত উপযুক্ত এজন শিক্ষক হিচাপে চিনাকী দিব নোৱাৰে। বিশ্বায়নৰ ফলত সততে সলনি হোৱা মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তন, প্ৰতিনিয়ত উদ্ভাৱন কৰি থকা নতুন নতুন শিক্ষা দৰ্শনৰ লগত খোজত খোজ মিলাবলৈ শিক্ষকসকলে অধ্যয়ন অব্যাহত ৰাখিব লাগিব। অধ্যয়নৰ জৰিয়তে শিক্ষক এজনে আত্মবিকাশত মনোনিৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক বিকাশ ঘটাব লাগিব। প্ৰকৃত শিক্ষক সেইসকলেই যিসকল ছাত্ৰ-ছাত্ৰীৰ পৰা ভক্তি আদায় কৰিব পাৰে। সেইটোৱেই শিক্ষকসকলৰ আটাইতকৈ মূল্যৱান প্ৰাপ্তি।

পিত-মাতৃসকলৰ নিজ নিজ সন্তানক লৈ এক অতি সুন্দৰ সপোন থাকে, কিছুমানৰ উচ্চাকাংক্ষা থাকে। নিজৰ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি সুচৰিত্ৰৰ সুনাগৰিক হিচাপে পোৱাৰ দুৰ্বাৰ হেঁপাহ থাকে। সেইবাবে শিশুসকলক দৈহিক, মানসিক আৰু বৌদ্ধিক জ্ঞানেৰে গঢ় দি প্ৰকৃত মানুহ কৰিবলৈ হ'লে শিক্ষকসকলৰ ওপৰত এক গুৰু দায়িত্ব আহি পৰে।


শিক্ষক গৰাকীয়ে যি বিষয়ত পাঠদান কৰিব সেই বিষয়ৰ ওপৰত নিৰ্ভুল, স্বচ্ছ আৰু অপেক্ষাকৃত গভীৰ জ্ঞান থাকিব লাগিব। পাঠত থকা বিষয়বস্তুৰ জ্ঞানতকৈ অধিক জ্ঞান শিক্ষকজনে আয়ত্ত কৰি লৈ শিক্ষাদান কৰিব লাগিব। শিক্ষকজন যদি বিষয়টিত সুদক্ষ হোৱাৰ লগতে তেওঁৰ সেই বিষয়টোত অধিক জ্ঞান থাকে তেন্তে বিষয়টিৰ পাঠদান অতি সহজ আৰু স্বতঃস্ফুৰ্ত হয়। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ মনোযোগ আৰু আকৰ্ষণো বাঢ়ে। এই কাৰণে শিক্ষকগৰাকীয়ে যথেষ্ট অধ্যয়ন কৰা দৰকাৰ আৰু ইয়াৰ বাবে পাঠ্যপুথিত যি লিখা থাকে কেৱল তাতে সীমাবদ্ধ হৈ নাথাকি প্ৰাসংগিক পুথি হিচাপে অতিৰিক্ত কিতাপ চৰ্চা কৰাও এগৰাকী আদৰ্শ আৰু সফল শিক্ষকৰ বাবে অপৰিহাৰ্য।

শিক্ষকজনে পাঠদানৰ পূৰ্বেই পাঠ পৰিকল্পনা যুগুত কৰিব লাগে। পাঠদানৰ বিষয়বস্তু ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কেনেকৈ উপস্থাপন কৰা হ'ব, কোনটো পাঠ বা পাঠৰ কোনটো অংশক লৈ পাঠদান আৰম্ভ কৰিব, উদ্দেশ্য কি, কি শিকাব, কি কি প্ৰশ্ন থাকিব আৰু উত্তৰনো কি কি হ'ব ইত্যাদি পাঠদানৰ কাৰণে যুগুতোৱা আৱশ্যক। ইয়াৰ উপৰি শৈক্ষিক দিশত এগৰাকী শিক্ষকৰ পালনীয় কৰ্তব্য অধিক পৰিলক্ষিত হয়। পাঠক্ৰম আৰু সহপাঠ্যক্ৰমৰ কাৰ্য পৰিকল্পনা কৰা, ছাত্ৰ-ছাত্ৰীক তদাৰক কৰা আৰু দিহা-পৰামৰ্শ দিয়া, ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মূল্যায়ন কৰা, বিভাগীয় কৰ্তৃপক্ষক তথ্য জমা দিয়া, ফলপ্ৰসু শিক্ষা প্ৰদানৰ বাবে ছাত্ৰ-ছাত্ৰী, সহঃশিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ৰাইজৰ সৈতে সম্পৰ্ক ৰক্ষা কৰা আদি শিক্ষকসকলৰ পালন কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্য।

প্ৰকৃততে শিক্ষকতাৰ পৱিত্ৰ বৃত্তিত নিয়োজিত শিক্ষকে নিজৰ বৃত্তিটোক শ্ৰদ্ধা কৰি চলা আৱশ্যক। এগৰাকী শিক্ষকে শিক্ষাদান কাৰ্যত ব্ৰতী হ'ব আৰু নিৰ্দিষ্ট বয়সত অৱসৰ গ্ৰহণ কৰিব সেয়া ধ্ৰুৱপ। তথাপি শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ কাম চলিয়ে থাকিব। এটা সয়মত এক উৎসৰ্গিকৃত মনোভাৱেৰে আগবঢ়া শিক্ষকসকলে শিক্ষকতাক এক ব্ৰত বুলি গণ্য কৰিছিল, কিন্তু সম্প্ৰতি শিক্ষকতাক এক বৃত্তি বুলিহে গণ্য কৰা দেখা যায়। বৰ্তমানৰ পৰিপ্ৰেক্ষিতত এগৰাকী শিক্ষকে নিজৰ সততা, নিষ্ঠা আৰু দায়বদ্ধতাক এক দৰ্শন হিচাপে গ্ৰহণ কৰি ল'ব পাৰিলেহে নিজৰ দায়িত্ব পালন কৰা বুজাব।

*ফোন ঃ ৯৮৫৪৪-৬৫২২৭*

## এইবাৰ অভিনেত্ৰী স্বৰা ভাস্কৰ হ'ল ক'ভিড আক্ৰান্ত



**নিউজ ব্যুৰ', মুম্বাই, ৭ জানুৱাৰী ঃ** ক'ভিড-১৯ত সংক্ৰমিত হ'ল বলিউডৰ অভিনেত্ৰী স্বৰা ভাস্কৰ। ইনষ্টাগ্ৰামত আজি অভিনেত্ৰীগৰাকীয়ে নিজে এই কথা প্ৰকাশ কৰি কয়, 'মই কৰ'নাত আক্ৰান্ত। পাঁচ জানুৱাৰীত মই কিছু মৃদু উপসৰ্গ অনুভৱ কৰিছিলো। ক'ভিড পৰীক্ষাৰ ফলাফলত শংকা সত্য প্ৰমাণিত হ'ল। পাঁচ জানুৱাৰীৰ বিয়লিবেলাৰ পৰা মই আৰু আমাৰ পৰিয়াল নিভৃতবাসত আছো। সকলো ধৰণৰ সাৱধানতা অৱলম্বন কৰিছো।' অভিনেত্ৰীগৰাকীয়ে লগতে তেওঁৰ সংস্পৰ্শলৈ অহা সকলোকে ক'ভিড পৰীক্ষণ কৰাবলৈকো পৰামৰ্শ দিয়ে।

## হঠাৎ ৩০ বিলিয়ন ডলাৰৰ সম্পত্তি হ্ৰাস এলন মাস্কৰ



নিউজ ব্যুৰ', টেক্সাছ, ৭ জানুৱাৰী ঃ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ স্বত্বাধিকাৰী এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ নৱবৰ্ষৰ প্ৰথমটো দিনত ৩০৪ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছিল। কিন্তু বিগত তিনিদিন ধৰি টেছলাৰ শ্বেয়াৰ মূল্য অৱনমিত হোৱাৰ ফলত বৃহৎ পৰিমাণৰ বিত্তীয় ক্ষতিৰ সন্মুখীন হ'ল মাস্ক। মাত্ৰ তিনিদিনতে মাস্কৰ সম্পত্তিৰ পৰিমাণ ৩০ বিলিয়ন ডলাৰ হ্ৰাস পালে। মাত্ৰ কেইদিনমানৰ ভিতৰতে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে ৩০ বিলিয়ন ডলাৰ উপাৰ্জন কৰাৰ লগতে সেই ধন পুনৰ হেৰুৱাব লগা হ'ল। সম্প্ৰতি মাস্কৰ সম্পত্তিৰ পৰিমাণ ২৭১.৫ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে। যোৱা সোমবাৰে টেছলাৰ শ্বেয়াৰ মূল্য ১৩.৫ শতাংশ বৃদ্ধি পাইছিল। কিন্তু মঙলবাৰৰ পৰা বৃহস্পতিবাৰলৈকে টেছলাৰ শ্বেয়াৰ মূল্য হ্ৰাস অব্যাহত থকাত মাস্কৰ সম্পত্তিৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰে। যোৱা বুধবাৰে মাস্কৰ সম্পত্তিৰ পৰিমাণ ১৪ বিলিয়ন ডলাৰ হ্ৰাস পাইছিল। ইয়াৰ কাৰণ আছিল বুধবাৰে টেছলাৰ শ্বেয়াৰ মূল্য পাঁচ শতাংশ হ্ৰাস পাইছিল।

## বাজৱাৰ কাৰ্যকাল বৃদ্ধিৰ কথা চিন্তা কৰা নাই ইমৰানে



**নিউজ ব্যুৰ', ইছলামাবাদ, ৭ জানুৱাৰী ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে প্ৰকাশ কৰা অনুসৰি তেওঁ বৰ্তমানে দেশখনৰ সেনাধ্যক্ষ জেনেৰেল কমৰ জাভেদ বাজৱাৰ কাৰ্যকাল বৃদ্ধিৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰা নাই। আজি স্থানীয় সংবাদ মাধ্যমৰ স'তে হোৱা সাক্ষাৎকাৰত এইদৰে ব্যক্ত কৰি পাক প্ৰধানমন্ত্ৰীয়ে কয় যে নৱেম্বৰত বাজৱাৰ কাৰ্যকাল অন্ত পৰিব আৰু সেনাধ্যক্ষৰ কাৰ্যকাল বৃদ্ধিৰ প্ৰসংগত চিন্তা-চৰ্চা কৰিবলৈ এতিয়াও যথেষ্ট সময় আছে। 'এয়া বছৰৰ আৰম্ভণিহে, নৱেম্বৰলৈ বহু দূৰ। এতিয়াই সেনাৰ মুৰব্বীৰ কাৰ্যকাল বৃদ্ধিৰ চিন্তা কৰিব লাগে কিয়?' সংবাদ মাধ্যমৰ আগত ইমৰানে এইদৰে কয়।

## বাৰানসীৰ ঘাটত অহিন্দুৰ প্ৰৱেশ নিষিদ্ধ ঃ ঘোষণা বজৰং-ভি এইচ পিৰ

**নিউজ ব্যুৰ', বাৰানসী, ৭ জানুৱাৰী ঃ** বাৰানসীৰ বিভিন্ন ঘাটত অহিন্দুৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰি প'ষ্টাৰ আঁৰিলে হিন্দুত্ববাদী দুই সংগঠন বিশ্ব হিন্দু পৰিষদ (ভি এইচ পি) আৰু বজৰং দলে। ইতিমধ্যে সংগঠন দুটাই আঁৰা এনে প'ষ্টাৰক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। বজৰং দলৰ বাৰানসী শাখাৰ মুৰব্বী নিখিল ত্ৰিপাঠী ৰুদ্ৰই স্পষ্টভাৱে কয় যে বহুতে এই ঘাটসমূহক পিটনিক স্পট হিচাপে গণ্য কৰি আহিছে আৰু এনে ব্যক্তিক সতৰ্ক কৰিবলৈকে এই প'ষ্টাৰ আঁৰা হৈছে। আনহাতে, বিশ্ব হিন্দু পৰিষদৰ বাৰানসীৰ সচিব ৰজন গুপ্তই কয়, 'যিসকলে সনাতন ধৰ্মক শ্ৰদ্ধা নিবেদন কৰিব বিচাৰে, তেওঁলোকক স্বাগতম। কিন্তু যাৰ মনত সনাতন ধৰ্মৰ প্ৰতি কোনো আস্থা নাই, তেওঁলোকৰ মন্দিৰ আৰু গংগাঘাটত প্ৰৱেশৰ কোনো অধিকাৰ নাই। এয়া কোনো অনুৰোধ নহয়, আমি প'ষ্টাৰৰ জৰিয়তে নিষেধাজ্ঞা আৰোপ কৰিছো।' উল্লেখ্য যে বাৰানসীৰ এইসমূহ ঘাটত প্ৰতি বছৰে পুণ্যাৰ্থীৰ লগতে বিদেশী পৰ্যটকেও ভিৰ কৰি আহিছে।



**তলাবন্ধ হ'লে মুম্বাইত অনাহাৰে মৰিব লাগিব ঃ গৃহৰাজ্যলৈ উভতি যাবলৈ ৰেলৰ টিকট বিচাৰি শ্ৰমিকৰ হাহাকাৰ**

# পুনৰ তলাবন্ধৰ শংকা ঃ পলায়নৰ বাবে ৰেল ষ্টেচনত ভিৰ প্ৰব্ৰজিত শ্ৰমিকৰ

**নিউজ ব্যুৰ' মুম্বাই, ৭ জানুৱাৰী ঃ** কৰ'নাৰ সংক্ৰমণৰ প্ৰথমটো ঢৌত হঠাতে দেশত সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰাত বৃহৎ চহৰসমূহৰ পৰা গৃহৰাজ্যলৈ যোৱাৰ বাবে দেশৰ প্ৰব্ৰজিত শ্ৰমিকসকলে সন্মুখীন হোৱা ভয়াৱহ অৱস্থাৰ কথা সকলোৰে জ্ঞাত। দেশত কৰ'নাৰ সংক্ৰমণৰ তৃতীয়টো ঢৌৰ ইতিমধ্যে আৰম্ভণি হৈছে আৰু শুকুৰবাৰে ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণে এক লাখৰ সীমা অতিক্ৰম কৰিলে। তৃতীয় ঢৌৰ আকস্মিক আগমনত স্বাভাৱিকতে পুনৰ তলাবন্ধৰ শংকাত ভুগিছে বৃহৎ মহানগৰত বসবাস কৰা প্ৰব্ৰজিত শ্ৰমিকসকল। ইতিমধ্যে মুম্বাই, দিল্লী, পুনে আদি চহৰত ৰেল ষ্টেচন আৰু বাছ আস্থানত গৃহৰাজ্যলৈ উভতি যোৱাৰ বাবে প্ৰব্ৰজিত শ্ৰমিকসকলে যথেষ্ট ভিৰ কৰা প্ৰত্যক্ষ হৈছে। মুম্বাইৰ লোকমান্য তিলক টাৰ্মিনাছত উত্তৰ প্ৰদেশ আৰু বিহাৰৰ প্ৰব্ৰজিত শ্ৰমিকে শেহতীয়াভাৱে যথেষ্ট ভিৰ কৰিছে। এই ষ্টেচনৰ পৰাই উত্তৰ প্ৰদেশ আৰু বিহাৰলৈ সৰ্বাধিক সংখ্যক ৰেলৰ চলাচল হয়। বিগত কেইদিনমান ধৰি যথেষ্টসংখ্যক লোকে মুম্বাইৰ প্ৰায়বোৰ ৰেল ষ্টেচনত গৃহৰাজ্যলৈ উভতি যাবলৈ ৰেলৰ টিকট বিচাৰি হাহাকাৰ কৰিছে। এইসকল লোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁলোকে আকৌ এবাৰ তলাবন্ধৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰে আৰু সেয়েহে এনে চৰম পদক্ষেপ প্ৰশাসনে গ্ৰহণ কৰাৰ পূৰ্বে নিজ ৰাজ্যলৈ উভতি যাব বিচাৰিছে। লোকমান্য তিলক টাৰ্মিনাছত ৰেলৰ বাবে অপেক্ষাৰত এজন শ্ৰমিকে সংবাদ মাধ্যমৰ আগত কয় যে তলাবন্ধ হ'লে তেওঁলোকে মুম্বাইত অনাহাৰে মৰিব লাগিব আৰু সেয়েহে কৰ'নাৰ পুনৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি তলাবন্ধৰ শংকাত বিহাৰলৈ উভতি যাব বিচাৰিছে। এইসকল লোকে লগতে প্ৰকাশ কৰা অনুসৰি কৰ'নাৰ পূৰ্বৰ দুটা ঢৌত তেওঁলোকৰ সঞ্চিত ধন জীৱন নিৰ্বাহত সম্পূৰ্ণৰূপে ব্যয় হ'ল আৰু এতিয়া আকৌ এবাৰ তলাবন্ধ হ'লে তেওঁলোকে পৰিয়াল প্ৰতিপালন কৰিবলৈ সক্ষম নহ'ব। কিন্তু গাঁৱলৈ উভতি গ'লে অন্ততঃ কোনো মতে জীৱন ধাৰণ কৰিব পাৰিব হেতুকে তেওঁলোকে তলাবন্ধৰ পূৰ্বে ঘৰলৈ উভতি যাব বিচাৰিছে। মহাৰাষ্ট্ৰ আৰু মুম্বাইত তলাবন্ধ হ'ব বুলি বাতৰি বিয়পাৰ পাছতে বৃহস্পতিবাৰৰ নিশাৰে পৰা মুম্বাইৰ ৰেল ষ্টেচনত সৰ্বাধিক ভিৰ প্ৰত্যক্ষ হৈছে। দিল্লী, পুনে, বাংগালুৰু, নাছিক আদি চহৰতো সম্প্ৰতি ৰেল ষ্টেচন আৰু বাছ আস্থানত অভূতপূৰ্ব ভিৰ দেখা গৈছে। পূৰ্বৰ দুবাৰৰ তলাবন্ধত হোৱা তিক্ত অভিজ্ঞতাৰ পাছত তৃতীয়টো তলাবন্ধৰ শংকাত এতিয়া এইদৰে প্ৰব্ৰজনকাৰী শ্ৰমিক আৰু কৰ্মীসকলে দেশৰ বৃহৎ মহানগৰৰ পৰা নিজ গৃহলৈ উভতি যাবলৈ সাজু হৈছে।





## কাশ্মীৰত সেনা-সন্ত্ৰাসবাদীৰ সংঘৰ্ষত নিহত তিনি সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৭ জানুৱাৰী ঃ পুনৰ উত্তপ্ত হ'ল কাশ্মীৰ। একেৰাহে নঘণ্টা ধৰি হোৱা সেনা আৰু সন্ত্ৰাসবাদীৰ সংঘৰ্ষত কাশ্মীৰৰ বদগামৰ ছাদুৰাত ধৰাশায়ী হ'ল তিনিজন সন্ত্ৰাসবাদী। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, সংঘৰ্ষত নিহত আটাইকেইজন সন্ত্ৰাসবাদী জইছ-ই মহম্মদৰ সদস্য আছিল। মৃত সন্ত্ৰাসবাদীকেইজনৰ পৰা প্ৰচুৰ পৰিমাণৰ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হৈছে। উল্লেখ্য যে যোৱা বুধবাৰেও পুলৱামাৰ চন্দগামত এক সংঘৰ্ষত সেনাৰ গুলিত আন তিনিজন সন্ত্ৰাসবাদীৰ মৃত্যু হৈছিল।**


## ২৪ ঘণ্টাত বিশ্বত ক'ভিড আক্ৰান্ত হ'ল ২৫ লাখ লোক



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৭ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ দ্ৰুত বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কঠোৰ ক'ভিড বিধি পুনৰ বলৱৎ কৰিলে। দেশখনৰ সৰ্বাধিক জনসংখ্যাৰ চহৰ নিউ ছাউথ ৱেলছত ৩৮,৬২৫ জন কৰ'না ৰোগীক চিনাক্ত কৰা হৈছে। ইতিমধ্যে নিউ ছাউথ ৱেলছত প্ৰশাসনে নৈশ ক্লাব আৰু পানশালাসমূহ বন্ধ ৰখাৰ নিৰ্দেশ দিছে। ইফালে, অষ্ট্ৰেলিয়াত চিকিৎসালয়ত কৰ'না আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে ফেব্ৰুৱাৰীৰ মাজভাগলৈকে সকলোবোৰ অতি জৰুৰী নোহোৱা অস্ত্ৰোপচাৰ স্থগিত ৰাখিবলৈ নিৰ্দেশ দিছে। অ'মিক্ৰন প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত বিশ্বত যোৱা ২৪ ঘণ্টাত ২৪,৯৭,১৫৪ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। কেৱল ছখন দেশতে বিগত এদিনত এক লাখৰো অধিক লোক কৰ'নাত আক্ৰান্ত হৈছে। ইফালে, আমেৰিকাত সৰ্বাধিক ৭.৫১ লাখ কৰ'না ৰোগীক চিনাক্ত কৰা হৈছে। ফ্ৰান্সত ২.৬১ লাখ, ইটালীত ২.১৯ লাখ, ব্ৰিটেইনত ১.৭৯ লাখ, ভাৰতত ১.১৪ লাখ আৰু আৰ্জেণ্টিনাত ১.০৯ লাখ ক'ভিড ৰোগীক বিগত ২৪ ঘণ্টাত চিনাক্ত কৰা হ'ল। বৰ্তমানলৈকে বিশ্বত ৩০ কোটি লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল আৰু ইতিমধ্যে ২৫.৭৪ কোটি ক'ভিড ৰোগী সুস্থ হৈ উঠিছে। বৰ্তমানে বিশ্বত ৩.৭৮ কোটি ক'ভিড ৰোগী আছে। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিশ্বজুৰি ৫৪.৮৯ লাখ লোকৰ প্ৰাণ কাঢ়িলে।

## ২৭খন ৰাজ্যত অ'মিক্ৰনৰ তাণ্ডৱ, আক্ৰান্তৰ সংখ্যা তিনি হেজাৰলৈ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ জানুৱাৰী ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ দেশৰ ২৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ বিয়পিল। যোৱা ২৪ ঘণ্টাত দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৩,০০৭ জনলৈ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, বৰ্তমানলৈকে ১,১৯৯ জন অ'মিক্ৰন আক্ৰান্ত ৰোগী সুস্থ হৈ উঠিছে। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ১,১৭,১০০ জন লোক। মহাৰাষ্ট্ৰত দেশৰ ভিতৰতে সৰ্বাধিক ৮৭৬ অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। দিল্লীত দ্বিতীয় সৰ্বাধিক ৪৬৫ জন অ'মিক্ৰন ৰোগী ধৰা পৰিছে। ৰাজস্থানত ২৯১, কেৰালাত ২৮৪, কৰ্ণাটকত ৩৩৩, গুজৰাটত ২০৪, তামিলনাডুত ২২১, হাৰিয়ানাত ১১৪, তেলেংগানাত ১০৭, ওড়িছাত ৬০, উত্তৰ প্ৰদেশত ৩১, অন্ধ্ৰ প্ৰদেশত ২৮, পশ্চিমবংগত ২৭, গোৱাত ১৯ অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। মধ্য প্ৰদেশ, উত্তৰাখণ্ড, চণ্ডীগড়, জম্মু-কাশ্মীৰ, আন্দামান নিকোবৰ, লাডাখ, হিমাচল প্ৰদেশ, অসম, মণিপুৰ, পঞ্জাৱ, মেঘালয়, পুডুচেৰী আৰু চত্তিছগড়তো ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত হৈছে।



## লণ্ডনত প্ৰতি ১০ বাসিন্দাৰ এজন কৰ'নাত আক্ৰান্ত






**নিউজ ব্যুৰ', লণ্ডন, ৭ জানুৱাৰী ঃ** নতুন বছৰত প্ৰতিদিনে গড়ে দুই লাখ লোক ব্ৰিটেইনত ক'ভিডত সংক্ৰমিত হৈছে। দেশখনৰ অফিচ ফ'ৰ নেচনেল ষ্টেটিছটিক্স (অ' এন এছ)-এ প্ৰকাশ কৰা অনুসৰি, এই মুহূৰ্তত ব্ৰিটেইনত প্ৰতি ১৫ জন লোকৰ মাজত এজন ক'ভিডত আক্ৰান্ত হৈছে। আনহাতে, দেশৰ ৰাজধানী লণ্ডনৰ ক'ভিড পৰিস্থিতি সবাতোকৈ জটিল হৈছে। অ' এন এছৰ পৰিসংখ্যা অনুসৰি লণ্ডনৰ প্ৰতি ১০ জন বাসিন্দাৰ এজন কৰ'নাত সংক্ৰমিত হৈছে। যিকোনো বয়সৰ লোক দেশখনত ক'ভিড আক্ৰান্ত হোৱাৰ লগতে সৰ্বাধিক সংক্ৰমিত হৈছে কিশোৰ-কিশোৰী আৰু সদ্যপ্ৰাপ্তবয়স্ক নাগৰিকসকল। তদুপৰি ব্ৰিটেইনত সম্প্ৰতি ক'ভিডত আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হোৱা লোকৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে দেশখনৰ সংসদত প্ৰকাশ কৰা অনুসৰি অতিমাৰীৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে ইমান দ্ৰুতগতিত পূৰ্বে আন কোনো ৰোগৰ সংক্ৰমণ দেশত হোৱা নাছিল। অতিমাৰীত ইউৰোপৰ ভিতৰতে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে ব্ৰিটেইন। বৰ্তমানলৈকে দেশখনৰ এক কোটি ১১ লাখৰো অধিক লোক কৰ'নাত আক্ৰান্ত হোৱাৰ লগতে ডেৰ লাখ লোকৰ প্ৰাণকাঢ়িলে এই ভাইৰাছৰ সংক্ৰমণে। অতিমাৰীৰ শেহতীয়া প্ৰকোপ বৃদ্ধিয়ে ব্ৰিটেইনৰ অৰ্থনীতিকো নেতিবাচকভাৱে প্ৰভাৱিত কৰিছে।

## অ'মিক্ৰনক 'কম বিপজ্জনক' ভবাটো ভুল ঃ সকীয়নি হুৰ

**নিউজ ব্যুৰ', জেনেভা, ৭ জানুৱাৰী ঃ** কৰ'নাৰ নতুন আৰু অতি সংক্ৰামক অ'মিক্ৰন প্ৰজাতিক একাংশ বিশেষজ্ঞই 'কম বিপজ্জনক' বুলি অভিহিত কৰিছে। বিশেষজ্ঞ একাংশৰ মতে, ক'ভিডৰ পূৰ্বৰ প্ৰজাতিৰ তুলনাত অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণ হ'লেও ইয়াৰ মাৰণ ক্ষমতা যথেষ্ট সীমিত। সেয়েহে অ'মিক্ৰনৰ ঢৌত মৃত্যু আৰু চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগীৰ সংখ্যা সীমিত হ'ব বুলি এইসকল বিশেষজ্ঞই দাবী কৰিছে। কিন্তু বিশেষজ্ঞৰ এই ধাৰণাক 'মাৰাত্মক ভুল' বুলি অভিহিত কৰিলে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। হুৰ সঞ্চালকপ্ৰধান টেড্ৰ'ছ আধানম ঘেব্ৰিয়েছেছে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'অ'মিক্ৰন পূৰ্বৰ প্ৰজাতিতকৈ কম মাৰাত্মক বা যিসকলে প্ৰতিষেধক গ্ৰহণ কৰিছে তেওঁলোকৰ বাবে কম ক্ষতিকাৰক। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে অ'মিক্ৰনক 'কম বিপজ্জনক' বুলি অভিহিত কৰিব পাৰি। পূৰ্বৰ প্ৰজাতিৰ দৰে অ'মিক্ৰনত আক্ৰান্ত বহু ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু এই প্ৰজাতিয়ে ইতিমধ্যে বহু লোকৰ প্ৰাণ কাঢ়িছে। সেয়েহে সাৱধানতা অৱলম্বন নকৰিলে বিশ্বৰ ক'ভিড পৰিস্থিতি পুনৰ জটিল হ'ব পাৰে।'





## ভাৰতত ১৫০ কোটি পালি প্ৰতিষেধক প্ৰদান, মোদীৰ প্ৰশংসা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ জানুৱাৰী ঃ** ভাৰতে কৰ'নাৰ টিকাকৰণৰ ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰিলে। দেশত বৰ্তমানলৈকে ১৫০ কোটিৰো অধিক পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হ'ল। আজি দুপৰীয়া দেশৰ টিকাকৰণৰ সংখ্যাই ১৫০ কোটিৰ সীমা অতিক্ৰম কৰে। বৰ্তমানলৈকে ভাৰতত ৬২ কোটিৰো অধিক লোকৰ সম্পূৰ্ণ টিকাকৰণ সম্পন্ন হ'ল। টিকাকৰণৰ এই দ্ৰুতগতিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশেষভাৱে প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ১৫০ কোটিৰো অধিক পালি প্ৰতিষেধক প্ৰদানৰ জৰিয়তে ভাৰতে আজি এক মহত্বপূৰ্ণ পৰ্যায় অতিক্ৰম কৰিলে। দেশত ৮৭ কোটি ন লাখৰো অধিক লোকে ক'ভিডৰ প্ৰথম পালি টিকা লাভ কৰিলে।

## সমীক্ষাত ৭০ শতাংশ পঞ্জাৱবাসীৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰথম পছন্দ ভগৱন্ত মান

### পঞ্জাৱত অচিৰে আপৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা

**নিউজ ব্যুৰ', চণ্ডীগড়, ৭ জানুৱাৰী ঃ** ২০২২ৰ পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণা কৰিবলৈ সাজু হ'ল আম আদমী পাৰ্টি (আপ)। আপৰ বৰ্তমানৰ বিধায়কসহ দলৰ কৰ্মকৰ্তাসকলে নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণা কৰাৰ দাবী উত্থাপন কৰিছে। আপে অলপতে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী নিৰ্বাচনৰ বাবে এক দলীয় সমীক্ষা চলাইছিল আৰু এই সমীক্ষাত দলৰ সাংসদ তথা পঞ্জাৱৰ সভাপতি ভগৱন্ত মানক প্ৰথম পছন্দ হিচাপে নিৰ্বাচন কৰিলে। সমীক্ষাত আপৰ পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে মানে সৰ্বাধিক ভোট লাভ কৰাৰ বিপৰীতে স্থান লাভ কৰিলে বিধানসভাৰ বিৰোধী নেতা হৰপাল সিং সীমাই। দলীয় সমীক্ষাৰ ফলাফল লাভৰ পাছত আপে পঞ্জাৱত অচিৰে দলৰ সম্ভাব্য মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত আপে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা নকৰাকৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু পাছত এই কাৰণতে দলটোৱে সমস্যাৰ সন্মুখীন হৈছিল। আপৰ সমীক্ষাত অংশ লোৱা ৭০ শতাংশ লোকে ভগৱন্ত মানক পঞ্জাৱৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে বিচৰাৰ বিপৰীতে ৩০ শতাংশ লোকে বিৰোধী নেতা হৰপাল সিং সীমাক মুখ্যমন্ত্ৰী হিচাপে পছন্দ কৰিলে।







## উত্তৰ প্ৰদেশত কৃষকৰ বিজুলীৰ বিল হ'ব অৰ্ধেক হ্ৰাস ঃ নিৰ্বাচনৰ পূৰ্বে ঘোষণা যোগীৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৭ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে যোগী আদিত্যনাথৰ চৰকাৰে ৰাজ্যখনৰ কৃষকসকলক এক বৃহৎ উপহাৰ যাঁচিলে। উত্তৰ প্ৰদেশৰ শক্তি মন্ত্ৰী শ্ৰীকান্ত শৰ্মাই কৃষকসকলৰ বাবে বিজুলীৰ মূল্য অৰ্ধেক হ্ৰাস কৰাৰ কথা ঘোষণা কৰিলে। ৰাজ্যখনৰ কৃষকসকলে নিজাববীয়া জলসিঞ্চনৰ বাবে বিজুলীৰ বিলত ৫০ শতাংশ ৰেহাই লাভ কৰিব। গ্ৰামাঞ্চলৰ কৃষকসকলে ব্যক্তিগত জলসিঞ্চনৰ বাবে গ্ৰহণ কৰা বিদ্যুৎ সংযোগৰ ক্ষেত্ৰত প্ৰতি ইউনিট বিদ্যুতৰ মাচুল বৰ্তমানৰ দুটকাৰ পৰিৱৰ্তে এটকা আদায় দিব লাগিব। তদুপৰি বিদ্যুতৰ বিলৰ 'ফিক্সড চাৰ্জ'ৰ বাবদ বৰ্তমানৰ প্ৰতি অশ্বক্ষমতাৰ বিপৰীতে ৭০ টকাৰ পৰিৱৰ্তে ৩৫ টকা আদায় দিব লাগিব।

## পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধিক লৈ কাজাকিস্তানত ৰক্তাক্ত হ'ল ৰাজপথ




**নিউজ ব্যুৰ', নুৰ চুলতান, ৭ জানুৱাৰী ঃ** পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধিক লৈ কাজাকিস্তানৰ ৰাজপথত নাগৰিকৰ ব্যাপক প্ৰতিবাদ অব্যাহত আছে। প্ৰকাশিত বাতৰি অনুসৰি কাজাকিস্তানৰ সৰ্ববৃহৎ চহৰ নুৰ চুলতানত বিক্ষোভকাৰীয়ে যোৱা বুধবাৰে ৰাষ্ট্ৰপতিৰ আৱাস আৰু মেয়ৰৰ কাৰ্যালয়ত আক্ৰমণ চলোৱাৰ লগতে অগ্নিসংযোগ কৰিছিল। মধ্য এছিয়াৰ এইখন দেশত ইন্ধনজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰোধিতাৰে প্ৰতিবাদকাৰীসকলে আন্দোলন তীব্ৰ কৰি তোলাৰ লগতে ৰক্তাক্ত পৰিস্থিতিৰো সৃষ্টি কৰিছে। উল্লেখ্য যে বিশ্বত সবাতোকৈ কম মূল্যত পেট্ৰ'ল বিক্ৰী কৰা দেশ হিচাপে তালিকাত নৰম স্থানত আছিল কাজাকিস্তান। কিন্তু দেশখনত হঠাতে নিশাটোৰ ভিতৰতে ৰন্ধন গেছৰ মূল্য দুগুণ বৃদ্ধিৰে প্ৰতি লিটাৰত ২০.৪৭ টকা কৰা হৈছিল। আনহাতে, পেট্ৰ'লৰ প্ৰতি লিটাৰৰ মূল্য ৩৪.০৭ টকাৰ পৰা ৩৪.৮৪ টকালৈ বৃদ্ধি কৰা হৈছে। ইন্ধনৰ এনে মূল্যবৃদ্ধিৰ বিৰুদ্ধে যোৱা বুধবাৰৰ পৰা বিক্ষোভকাৰীয়ে আন্দোলন ব্যাপক কৰি তুলিছে। একাংশ প্ৰতিবাদকাৰীয়ে হিংসাত্মক কাৰ্যত লিপ্ত হৈ পৰিস্থিতি জটিল কৰি তুলিছে। বিক্ষোভকাৰীৰ আক্ৰমণত ১৮ জন আৰক্ষীকৰ্মী নিহত হৈছে। তদুপৰি সহস্ৰাধিক প্ৰতিবাদকাৰীয়েও গুৰুতৰভাৱে আহত হৈছে।

## নীট-পিজি কাউন্সেলিঙৰ অনুমতি দিলে উচ্চতম ন্যায়ালয়ে

**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ জানুৱাৰী ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত স্বস্তিৰ নিশ্বাস কাঢ়িলে দেশৰ চিকিৎসকমহলে। অৱশেষত চলিত বছৰতে নীট-পিজি কাউন্সেলিঙৰ অনুমতি দিলে সদস্য আদালতে। এই নিৰ্দেশৰ লগতে উচ্চতম ন্যায়ালয়ে জনোৱা অনুসৰি, আপাতত অন্যান্য পিছপৰা সম্প্ৰদায় (অ' বি চি)ৰ বাবে ২৭ শতাংশ আসন আৰু আৰ্থিকভাৱে পিছপৰা (ই ডব্লিউ এছ) শ্ৰেণীৰ বাবে ১০ শতাংশ আসন চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত সংৰক্ষণ থাকিব। সংৰক্ষণৰ মানদণ্ডৰ বিচাৰ পাছত কৰা হ'ব বুলিও উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিলে। উল্লেখ্য যে ২০২০ৰ ডিচেম্বৰত নীট পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কৰ'নাৰ সংক্ৰমণৰ ফলত এই পৰীক্ষা পিছুৱাই দিয়া হৈছিল আৰু যোৱা ছেপ্টেম্বৰত পৰীক্ষা অনুষ্ঠিত হৈছিল। কিন্তু নীট-পিজি কাউন্সেলিং স্থগিত ৰখা হৈছিল। কাউন্সেলিং অনুষ্ঠিত কৰাৰ দাবীৰে চিকিৎসকসকলে আন্দোলন কৰাৰ লগতে সৰ্বোচ্চ ন্যায়ালয়ৰো দ্বাৰস্থ হৈছিল।



## নিচাগ্ৰহণ ইছলামবিৰোধী, তিনি হেজাৰ লিটাৰ সুৰা নষ্ট কৰিলে তালিবানে



**নিউজ ব্যুৰ', কাবুল, ৭ জানুৱাৰী ঃ** নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰাটো ইছলাম ধৰ্মবিৰোধী আৰু সেয়েহে প্ৰায় তিনি হেজাৰ লিটাৰ সুৰা নষ্ট কৰিলে তালিবানে। ইতিমধ্যে তালিবান চৰকাৰে আফগানিস্তানত সুৰাৰ বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰিছে। কিন্তু ইয়াৰ পাছতো একাংশ দুষ্টচক্ৰই গোপনে সুৰা প্ৰস্তুত আৰু বিক্ৰী কৰি অহাৰ খবৰ লাভৰ পাছত তালিবানে অভিযান চলাই তিনি হেজাৰ লিটাৰ দেশীয় মদ নৰ্দমালৈ নিক্ষেপ কৰিলে। ঘটনাৰ সন্দৰ্ভত দুজন ডিলাৰসহ আন কে'বাজনো লোকক তালিবানে আটক কৰে। ইতিমধ্যে তালিবান চৰকাৰে আফগানিস্তানত ভাঙৰ খেতিতো নিষেধাজ্ঞা আৰোপ কৰিছে।

■ শীঘ্ৰে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা ক্ষীণ ■ পাহাৰৰ মাটি অনা বাবেই জৈৱ বৈচিত্ৰলৈ ভাবুকি

# যোগীঘোপাত লজিষ্টিক হাব নিৰ্মাণত অনিয়ম

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৭ জানুৱাৰী ঃ** উত্তৰ পূৰ্বাঞ্চলক বহিঃৰাজ্য আৰু বহিঃৰাষ্ট্ৰৰ স'তে বাণিজ্যিক সম্পৰ্কৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ভাৰত মালা আঁচনিৰ অধীনত বঙাইগাঁও জিলাৰ যোগীঘোপাত নিৰ্মাণৰত লজিষ্টিক হাবৰ ক্ষেত্ৰত ব্যাপক ছিণ্ডিকেটৰাজ চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ উত্থাপন কৰিছে নাগৰিক সুৰক্ষা মঞ্চৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে। যোগীঘোপা অশোক কাগজ কল চৌহদৰ দুশ একৰ ভূমিত দেশৰ ভিতৰতে প্ৰথম মাল্টি মডেল লজিষ্টিক হাব বিগত বৰ্ষৰ ২০ অক্টোবৰত কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুকলি কৰিছিল। হাবৰ জৰিয়তে দুলাখ নিবনুৱাৰ কৰ্ম সংস্থাপনৰ পথ মুকলি কৰা সম্ভাৱনা থকা তথা নামনি অসমৰ অৰ্থনৈতিক উত্তৰণ ত্বৰান্বিত কৰিব পৰা হাবখন তিনিবছৰৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছে। কিন্তু ছিণ্ডিকেটৰাজৰ বাবে অহা ৩০ বছৰতো সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা নাই বুলি আশংকা ব্যক্ত কৰিছে বৰ্মনে। এই ক্ষেত্ৰত মজমুল হুছেইন ওৰফে গহুৰৰ নেতৃত্বত চলা গুণ্ডাৰাজৰ বাবে লজিষ্টিক হাব নিৰ্মাণত অৰাজকতা সৃষ্টিৰ অভিযোগ কৰে বৰ্মনে। লজিষ্টিক হাব নিৰ্মাণৰ দায়িত্ব লাভ কৰা আৰচিপি, এছপি সিংলা আৰু চিইচি এই তিনিটা বহিঃৰাজ্যৰ ঠিকাদাৰী সন্থাই লোকক লগত লৈ প্ৰকল্পৰ কাম ত্বৰান্বিত কৰিব খোজে যদিও গব্বৰ আৰু তেওঁৰ বাহিনীৰ প্ৰকোপত থমকি ৰ'বলগীয়া হৈছে। প্ৰকল্পৰ প্ৰতিটো কামতে হস্তক্ষেপ কৰি এক বিশাল ছিণ্ডিকেট চলোৱা বুলি অভিযোগ কৰে বৰ্মনে। এই ক্ষেত্ৰত গহুৰ বাহিনীয়ে বন বিভাগৰ একাংশ বিষয়াৰে স'তে অশুভ বুজাবুজিৰে যোগীঘোপা অঞ্চলৰ পাহাৰ, টিলাই নহয়-আই উপত্যকা বন সমণ্ডলৰ বিভিন্ন পাহাৰ কাটি লজিষ্টিক হাবৰ আৰ্থ ফিলিঙৰ কাম কৰি থকা বুলি অভিযোগ উত্থাপন কৰে। তদুপৰি ঐতিহ্যমণ্ডিত চক্ৰশিলা পাহাৰ কাটি তহিলং কৰাত জৈৱ বৈচিত্ৰ্যৰ প্ৰতিও ভাবুকি অহা বুলি অভিযোগ কৰে বৰ্মনে। এই ক্ষেত্ৰত চক্ৰশিলা পাহাৰতে গহুৰ বাহিনীয়ে একলাখ ঘনমিটাৰ ৰাজহ ফাকি দিয়া বুলিও বৰ্মনে কয়। লজিষ্টিক হাব নিৰ্মাণৰ ক্ষেত্ৰত নিকটৱৰ্তী পাহাৰ, টিলা আদি বিনষ্ট নকৰাৰ প্ৰতিশ্ৰুতি আছিল যদিও এই ক্ষেত্ৰতো গহুৰ বাহিনীয়ে উলংঘা কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ কৰি অভিলাষী আঁচনিৰ কাম গতিশীল কৰি উত্তৰ পূৰ্বাঞ্চলৰ সপোন বাস্তৱায়িত কৰাৰ আহ্বান জনাইছে বৰ্মনে।



## বৰহোলা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলন সম্পন্ন, সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ৭ জানুৱাৰী ঃ** তিতাবৰ মহকুমাৰ অন্তৰ্গত এখন অগ্ৰণী শিক্ষানুষ্ঠান বৰহোলা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনখন বিভাগৰ মুৰব্বী অধ্যাপিকা পুষ্পা ধনদিয়াৰ সভাপতিত্বত অলপতে অনুষ্ঠিত হৈ যায়। বিভাগৰ অধ্যাপিকা ময়ূৰী বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ দিলীপ কুমাৰ খাউণ্ডে। উদ্বোধনী ভাষণত তেওঁ মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণ , আন্তঃগাঁথনিৰ বিকাশ, মহাবিদ্যালয়খনিৰ লগত ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক আদি বিভিন্ন দিশ সামৰি বক্তব্য ৰাখে আৰু সকলোকে ইয়াৰ ঐতিহ্যধাৰা ধৰি ৰখাত একান্ত অংশগ্ৰহণ কামনা কৰে। উদ্দেশ্য ব্যাখ্যাত ময়ূৰী বৰাই বিভাগটোৰ এক খতিয়ান দাঙি ধৰি আজিৰ সভাখনৰ দ্বাৰা আগন্তুক দিনত বিভাগটোক অধিক জনপ্ৰিয় আৰু গতিশীল কৰাত সহায়-সহযোগিতা কামনা কৰে। সভাপতি পুষ্পা ধনদিয়াই মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণত শিক্ষক কৰ্মচাৰীসকলৰ একান্ত ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টাক আন্তৰিক শলাগ জনাই আৰু বৰ্তমান সময়ত মহাবিদ্যালয়খনক অসমৰ শৈক্ষিক জগতখনত জিলিকাই তুলিবলৈ সকলো স্তৰৰ মানুহৰ সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন বুলি উল্লেখ কৰি প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকল শাৰীৰিক-মানসিক আৰু আৰ্থিক সহায় কৰিবলৈ আহ্বান জনায়। সভাত কেঁবাটাও সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰাক্তন আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে। ময়ূৰী বৰাই শলাগ জনোৱা সভাত প্ৰাঞ্জল জ্যোতি বৰাক সভাপতি, ইলা কোঁৱৰক উপ-সভাপতি, সুৰেশ শইকীয়াক সম্পাদক আৰু সুমিত মূৰাকসহ সম্পাদক হিচাপে লৈ এখন ১৫জনীয়া প্ৰাক্তন ছাত্ৰ কোষ গঠন কৰে।

## বৰহাপজানত গ্ৰন্থমেলা



**ডুমডুমা, ৭ জানুৱাৰী ঃ** ডুমডুমাৰ সমীপৰ বৰহাপজানত বৰহাপজান শাখা সাহিত্য সভাৰ উদ্যোগ আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সহযোগত গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। স্থানীয় হিন্দী আৰু বংগীয় এম ই স্কুল প্ৰাংগণত আয়োজিত গ্ৰন্থমেলাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱা আৰু বৰহাপজান শাখাৰ সভাপতি চৰন ঢেকীয়াল ফুকনে পতাকা উত্তোলন কৰে। জিলা সাহিত্য সভাৰ সম্পাদক মনোৰম বৰাই গ্ৰন্থমেলা উদ্বোধন কৰে। অঞ্চলটোৰ কৃতী সাত গৰাকী ছাত্ৰ-ছাত্ৰীক বিশেষ সম্বৰ্ধনা জ্ঞাপনৰ বাবে অৰ্জুন বৰুৱাৰ সঞ্চালনাত এখন সভা অনুষ্ঠিত হয়। অনুষ্ঠানত শাখা সমিতিৰ সম্পাদক বাপুতি সন্দিকৈয়ে আঁত ধৰে।

## গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৭ জানুৱাৰী ঃ** গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন গোসাঁইগাঁও প্ৰেছ ক্লাব প্ৰাংগণত অহা ১৪ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অভ্যৰ্থনা সমিতিয়ে যুগুতাই উলিওৱা কাৰ্যসূচী মতে, পুৱা ৯-৩০ বজাত গোসাঁইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মহেশ্বৰ ব্ৰহ্মই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলিব। পুৱা ৯-৪৫ বজাত গোসাঁইগাঁও জিলা কৰ্মচাৰী সাধাৰণ সম্পাদক ৰাজকুমাৰ বসুমতাৰীয়ে ছহিদ তৰ্পণ কৰিব। ইয়াৰ পাছত ১১ বজাত কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হ'ব। দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাত বিধায়ক জিৰণ বসুমতাৰী, এম চি এল এ সজল সিংহ সহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। প্ৰতিখন আঞ্চলিক সমিতিৰ পৰা ১০গৰাকী প্ৰতিনিধি আৰু প্ৰতিটো অনুষ্ঠানৰ পৰা তিনিগৰাকী প্ৰতিনিধি অধিবেশনত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা নিৰ্মল পাল আৰু সাধাৰণ সম্পাদক ৰাজকুমাৰ বসুমতাৰীয়ে।

## মঙলদৈত কবি সন্মিলন আয়োজন

বিশেষ সংবাদদাতা

**মঙলদৈ, ৭ জানুৱাৰী ঃ** দৰং জিলা সাহিত্য সভাই অহা ন জানুৱাৰীৰ দিনা দিনজোৰা কাৰ্যসূচীৰে পদুম পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত বুঢ়ীনগৰ মহাবিদ্যালয় প্ৰাংগণত আয়োজন কৰিছে এক কবি সন্মিলন। কাৰ্যসূচী মৰ্মে সেইদিনা ৮-৫৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব পদুম পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি গোবিন্দ চন্দ্ৰ ডেকাই। ইয়াৰ পাছতেই দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি বৰদা শইকীয়াই স্মৃতি অৰ্পণ কৰিব। ১০ বজাৰ পৰা আৰম্ভ হ'ব কবি সন্মিলন। এই কবি সন্মিলনখনত সভাপতিত্ব কৰিব দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন ৰাজবংশীয়ে। টংলা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ঘটেশ্বৰ বৰুৱাই সঞ্চালক হিচাপে অংশগ্ৰহণ কৰিব লগা কবি সন্মিলনখন মঙলদৈ নগৰ সাহিত্য সভাৰ সভাপতি ড° জামালুদ্দিন আহমেদে উদ্বোধন কৰিব। অসম সাহিত্য সভাৰ কবি সন্মিলনৰ উপ-সভাপতি ডাঃ কমলাকান্ত শৰ্মাই পৰ্যালোচনা কৰিবলগীয়া এই কবি সন্মিলনত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাৰত ভূষণ মহন্ত, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ৰাজেন মহন্ত, দৰঙৰ পৰা চাৰিদশক ধৰি প্ৰকাশিক সাপ্তাহিক মংগল বাতৰিৰ সম্পাদত শংকৰ কাকতি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। সন্মিলনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সাহিত্য একাডেমী যুৱ বঁটা বিজয়ী বিশিষ্ট কবি ড° বিজয় শংকৰ বৰ্মনে। বিশিষ্ট কবি ড° কমল কুমাৰ তাঁতী মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সন্মিলন দৰং জিলা সাহিত্য সভাৰ সম্পাদক, গৌতমানন্দ গোস্বামীয়ে পৰিচালনা কৰিব।

## বিশ্বনাথত ড্ৰাগছসহ ধৃত এক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৭ জানুৱাৰী ঃ** বিশ্বনাথ জিলা আৰক্ষীৰে কালি পুৱা বিশ্বনাথৰ আমবাৰীৰ পৰা পংকজ গুপ্ত নামৰ যুৱকজনৰ ঘৰৰ পৰা চাৰিটা ড্ৰাগছৰ কন্টেনাৰ সহ তেওঁক গ্ৰেপ্তাৰ কৰে। ধৃত পংকজ ড্ৰাগছ আসক্ত হোৱাৰ লগতে বিশ্বনাথৰ বহু যুৱকক ড্ৰাগছ যোগান ধৰি আহিছিল।

## যোৰহাটত যক্ষ্মা দূৰীকৰণৰ সজাগতা সভা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৭ জানুৱাৰী ঃ** যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়স্থিত যোৰহাট জিলা যক্ষ্মা নিয়ন্ত্ৰণ বিভাগত আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। যক্ষ্মাত ৰোগাক্ৰান্ত হৈ নিয়মীয়াকৈ ঔষধ সেৱন কৰি সুস্থ হোৱা ১৫গৰাকীক বিভাগৰ তৰফৰ পৰা আদৰণি জনোৱাৰ লগতে যক্ষ্মাৰ চেম্পিয়নৰূপে স্বীকৃতি প্ৰদান কৰা হয়। উক্ত লোককেইজনে যক্ষ্মাত আক্ৰান্তক চিনাক্তকৰণ কৰাৰ লগতে চিকিৎসাৰ বাবে যোগসূত্ৰ স্থাপনৰ দায়িত্ব দিয়া হয়। লোককেইজন হ'ল অনুজ কুমাৰ তাঁতী, পূৰ্ণচন্দ্ৰ নায়ক, পবিত্ৰ কুটুম, নীলোৎপল কুটুম, সুনীল চৌহান, বৰচাট কৰ্মকাৰ, মনোজ কৰ্মকাৰ, ৰীতা দেৱী, সঞ্জয় নায়ক, অমিত নাবংশী, দীপক কুমাৰ গগৈ, ধৰ্মকান্ত লাগাচু, দয়াল সিং। পূৰ্বে যক্ষ্মাৰ চেম্পিয়নৰূপে স্বীকৃতিপ্ৰাপ্ত মিনতি নায়ক পুৰাণে যক্ষ্মা চেম্পিয়নসকলৰ দায়িত্ব-কৰ্তব্য আৰু কৰণীয়ৰ সম্পৰ্কত বুজাই দিয়া সজাগতা সভাত বিজু কামানে ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনি আৰু চৰকাৰৰ পৰিকল্পনাৰ সম্পৰ্কত ব্যাখ্যা কৰে। ১৮৮২ত যক্ষ্মাৰ চিনাক্তকৰণ হৈছিল। এজন যক্ষ্মা ৰোগীয়ে বছৰটোত ১০-১৫গৰাকীলৈ ৰোগ বিয়পায়। চৰকাৰে ২০২৫ৰ ভিতৰত দেশত যক্ষ্মা নিৰ্মূলৰ আঁচনিৰে কাম-কাজ কৰি থকা বুলি তেওঁ ভাষণত উল্লেখ কৰে। সোণেশ্বৰ দাসে যক্ষ্মা ৰোগত আক্ৰান্তৰ পৰীক্ষাৰ স্থানৰ সম্পৰ্কত উল্লেখ কৰি কয় যে মাজুলীত দুটা, যোৰহাটৰ কাকজান, নকছাৰি, বাঘচোং, তিতাবৰ, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত একোটাকৈ ইউনিট থকাৰ লগতে জিলাখনৰ সকলো স্বাস্থ্য কেন্দ্ৰত বিনামূলীয়াকৈ ৰোগটোৰ পৰীক্ষা কৰা হয়। ঔষধো ৰোগীক বিনামূলীয়াকৈ দিয়াৰ লগতে ভিটামিন যুক্ত খাদ্য খাবলৈ প্ৰতি মাহতে ৰোগীৰ নামত থকা বেংকৰ হিচাপত ৫০০কৈ টকা দিয়া হয় বুলি কয়। তদুপৰি যক্ষ্মা ৰোগ হোৱা, ঔষধ নিয়মীয়াকৈ খোৱাৰ ক্ষেত্ৰত তদাৰক কৰা ব্যক্তিকো পৃথকে ৫০০কৈ টকা বেংকৰ হিচাপত দিয়া হয় বুলি কয়। প্ৰৱাল লাহনে যক্ষ্মা ৰোগৰ সম্পৰ্কত ম'বাইল এপত নিৰীক্ষণৰ বাবে উপস্থিতসকলক বুজাই দিয়ে। বিভাগটোৰ বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্যই মাজুলীৰ লগতে যোৰহাটত কৰি থকা কাম-কাজৰ সম্পৰ্কত ব্যাখ্যা কৰে।

## বিশ্বনাথৰ পানীভৰালত নেপালী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৭ জানুৱাৰী ঃ** বিশ্বনাথ শাখা নেপালী সাহিত্য সভাৰ আতিথ্যত যোৱা চাৰি জানুৱাৰীত পানীভৰালস্থিত শ্ৰীকৃষ্ণ প্ৰণামী মন্দিৰৰ প্ৰেক্ষাগৃহত বিশ্বনাথ জিলা নেপালী সাহিত্য সভাই অসম নেপালী সাহিত্য সভাৰ ৪৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। অনুষ্ঠানৰ আৰম্ভণিত পতাকা উত্তোলন কৰে বিশ্বনাথ শাখা সমিতিৰ সভাপতি বিষ্ণু শৰ্মাই। ইয়াৰ পাছত প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি জিলা সভাপতি হেম কুমাৰ গৌতমৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম নেপালী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি ড° চিন্তামণি শৰ্মাই জন্মলগ্নৰ পৰা বৰ্তমানলৈকে অসমৰ নেপালী সাহিত্য সভাৰ কাৰ্যক্ৰমণিকা দাঙি ধৰি সুস্থ সমাজ গঠনৰ ক্ষেত্ৰত সাহিত্য সভাৰ দৰে বৌদ্ধিক সংগঠনৰ অৱদানৰ বিষয়ে ৰাইজক অৱগত কৰে। অনুষ্ঠানত গণেশ গেঁৱালী, ব্ৰীজলাল শৰ্মা, হেমন্ত ভট্টৰাই প্ৰমুখ্যে ব্যক্তিয়ে দিহা-পৰামৰ্শ আগবঢ়ায়। অনুপ শৰ্ম, কৃষ্ণনীল কাৰ্কী, মিলন, বোহোৰা, দিলীপ শৰ্মা আদি কে'বাগৰাকী কবিয়ে কবিতা পাঠ কৰাৰ লগতে পূৰ্ণিমা পোখ্ৰেলে গীত পৰিৱেশন কৰে।

## তিনিচুকীয়াত গণৰাজ্য দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত নৰসিং পৱাৰৰ সভাপতিত্বত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকলৰ স'তে আজি আগন্তুক গণৰাজ্য দিৱস ২০২২ উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাত উপায়ুক্তজনে বিষয়া আৰু কৰ্মচাৰীসকলক তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। উপায়ুক্তজনে নিৰ্ধাৰিত সময়ত ভিতৰত নিয়াৰিকৈ দায়িত্বসমূহ সম্পাদন কৰিবলৈ আহ্বান জনায়। গণৰাজ্য দিৱসৰসমূহ কাৰ্যসূচী সুকলমে অনুষ্ঠিত কৰিবৰ বাবে কাম কৰি যাবলৈ উপায়ুক্তজনে সভাত উপস্থিত সকলোকে আহ্বান জনায়। আজিৰ সভাখনত জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, অতিৰিক্ত উপায়ুক্ত দীপু কুমাৰ ডেকা, অতিৰিক্ত উপায়ুক্ত চৰফৰাচ হ'ক প্ৰমুখ্যে সহকাৰী আয়ুক্তসকলৰ লগতে বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

## পানীটেমাত কৃতী শিক্ষকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ৭ জানুৱাৰী ঃ** 'পানীটেমা যুৱক সংঘ পুথিভঁৰালৰ সৌজন্যত কালি দিনৰ দুই বজাত এখন 'সম্বৰ্ধনা সভা' পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে সংঘৰ সভাপতি কমলেশ্বৰ ঠাকুৰীয়াই। সভাখনত আঁত ধৰোতা সংঘৰ সম্পাদক ৰুদ্ৰেশ্বৰ কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। উক্ত সভাত বিধায়ক দিগন্ত কলিতাক সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত পানীটেমা সাতগাঁও হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষকক তথা অঞ্চলৰ এগৰাকী দক্ষ গণিত শিক্ষক অবিনাশ নাথ, কামৰূপ জিলা ভিত্তিত বঁটাপ্ৰাপক তথা বিশিষ্ট লিখক, নাট্যকৰ্মী, হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰদীপ কলিতা, পানীটেমা সাত গাঁও এমই স্কুলৰ প্ৰধান শিক্ষক তথা জিলাৰ কৃতী শিক্ষকৰ বঁটা প্ৰাপক ধীৰেন চন্দ্ৰ কলিতা আৰু আমিনগাঁও চেণ্ট্ৰেল বেংকৰ পুৰস্কাৰপ্ৰাপ্ত কৰ্মচাৰী ৰত্নেশ্বৰ কলিতাকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত শিক্ষক ধীৰেন চন্দ্ৰ কলিতা আৰু বেংক কৰ্মচাৰী ৰত্নেশ্বৰ কলিতায়ো ভাষণ প্ৰদান কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অৱশেষত সভাপতিয়ে মন্তব্য দি শলাগৰ শৰাই যাচি সভাৰ সামৰণি মাৰে।

## ধৰ্মপ্ৰাণ মহিলা কুসুম কলিতাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ তিলানা বিশিষ্ট ধৰ্মপ্ৰাণ, সৰবৰহী মহিলা কুসুম কলিতা (৭৭)ৰ কালি মৃত্যু হয়। তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানত জড়িত থাকি সমাজপ্ৰিয় মহিলা হিচাপে পৰিচিত আছিল। হৃদৰোগত আক্ৰান্ত হৈ আছিল যদিও চিকিৎসাধীন অৱস্থাতে কালি গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ বোৱাৰী, এগৰাকী কন্যা এৰি যায়।

## টকা চপা কৰা যন্ত্ৰসহ বহিঃৰাজ্যৰ তিনিজনক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৰূপহীহাটত নকল টকা প্ৰস্তুত কৰা এটা দলক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ত্ৰিপুৰা, অৰুণাচলৰ তিনিজনকৈ লোকক আৰক্ষীয়ে যোৱা পাঁচ ডিচেম্বৰৰ নিশা গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজন হ'ল অৰুণাচলৰ স্বপ্না ছাংফা, উদয় শংকৰ স্বাকমা আৰু ত্ৰিপুৰাৰ ত্ৰিশ্বংকাৰ স্বাকমা। উল্লেখ্য যে বহিঃৰাজ্যৰ এই তিনি লোকে ৰূপহীহাটৰ বৰঘাটত বাহৰ পাতি জাল টকা প্ৰস্তুত কৰিবলৈ পাং পাতিছিল। তিনিওৰে জিম্মাত এটা অত্যাধুনীক টকা প্ৰস্তুত কৰা এটা যন্ত্ৰও আছিল। এই মেচিনেৰে টকা চপাই বজাৰত মেলি দিছিল এই তিনিজনে। এই দলটোক ৰূপহীহাটৰ চাৰিজন লোকে সহায় কৰি আহিছিল। সাতজনীয়া দলটোৰে প্ৰথমে গ্ৰাহকৰ পৰা আচল টকা লৈ পাছত নকল টকা আদায় দিয়ে দলটোৰে। আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি নিশা বৰঘাটত অভিযান চলাই এই তিনি নকল টকা প্ৰস্তুতকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে টকা চপা কৰা মেচিনটো জব্দ কৰে। স্থানীয় সহযোগী চাৰিজনক আৰক্ষীয়ে কৰায়ত্ত কৰিব পৰা নাই।

## বন নিষ্কাষণত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অৱহেলা

■ ৩১ নম্বৰ ঘাইপথত গঢ়ি উঠিবলৈ লৈছে এখন অৰণ্য

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৭ জানুৱাৰী ঃ** 'কীপ ক্লীণ এণ্ড কীপ গ্ৰীণ' শীৰ্ষক উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰে এক সপোন ৰাখি চহৰ-নগৰবোৰ নিকা কৰিবলৈ লৈছে। তাৰ সমান্তৰালকৈ ৰাষ্ট্ৰীয় ঘাইপথ, তথা অন্যান্য পথসমূহৰ কাষসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি পথ বিভাজক সমূহত বিবিধ ফুল আদি ৰোপণ কৰি সৌন্দৰ্যবৰ্ধনত গুৰুত্ব আৰোপ কৰিছে। সম্প্ৰতি নলবাৰীৰ মাজেৰে সংলগ্ন ৩১ নম্বৰ ঘাইপথত অৰণ্যত প্ৰভাৱ পৰিলক্ষিত হয়। বিশেষকৈ নলবাৰীৰ সন্ধা, কৈৰাৰা বলাকুছি, পাইকাৰকুছি, ঘগ্ৰাপাৰ, বিলপাৰ-কাটুৰীয়া, নাৰিকুছি পৰ্যন্ত লক্ষ্য কৰিলে পৰিলক্ষিত হয় ৰাষ্ট্ৰীয় ঘাইপথটোৰ পথ বিভাজকসমূহত উক্ত অঞ্চলসমূহত বনৰীয়া তৰুলতা তথা বনৰীয়া গছ-লতাৰে অৰণ্য সদৃশ হৈ উঠিছে। যিয়ে এক অশনি সংকেত কঢ়িয়াই আনিছে। কিয়নো, এনে অৰণ্য সদৃশ ঠাইৰ পৰা অতৰ্কিতে গৰু-ছাগলী বা অন্য জন্তু ওলাই আহিলে ভয়ংকৰ দুৰ্ঘটনাগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে উক্ত অঞ্চলসমূহত কে'বাটাও দুৰ্ঘটনা সংঘটিত হৈছে। ইফালে, এইসমূহ হাবি সদৃশ জংঘলৰ আশ্ৰয় লৈ মাজে-ময়ে ৰাষ্ট্ৰীয় ঘাইপথৰে আহি থকা আৰোহীক ডকাইতি কৰাৰ ঘটনা সংঘটিত হৈ আহিছে বুলি বিভিন্ন মহলত চৰ্চিত হৈছে। কেন্দ্ৰীয় পথ প্ৰাধিকৰণৰ চৰম অৱহেলাৰ বাবেই উক্ত ঠাইসমূহ বিপদসংকুল হৈ উঠিবলৈ লৈছে।



## নগাঁৱত কংগ্ৰেছৰ জিলা কাৰ্যালয় ঘেৰাও বিজেপি যুৱ মৰ্চাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৭ জানুৱাৰী ঃ** কালি পঞ্জাৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক একাংশ লোকে আৱদ্ধ কৰাৰ প্ৰতিবাদত কালি বিজেপি যুৱ মৰ্চাৰ জিলা সমিতিয়ে নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয় ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাৰ নেতৃত্বত যুৱ মৰ্চাৰ শতাধিক কৰ্মী আৰু সমৰ্থকে নগাঁও জিলা কংগ্ৰেছৰ কাৰ্যালয়ৰ ঘেৰাও কৰে। প্ৰতিবাদকাৰীসকলে কংগ্ৰেছ মুৰ্দাবাদ, মোদীক দেখিলে ভয় খায়, পঞ্জাৱ চৰকাৰ হায় হায়, পঞ্জাৱৰ কংগ্ৰেছ চৰকাৰ নিপাত যাওক, বিজেপি জিন্দাবাদ আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। এই কাৰ্যসূচীত বিজেপিৰ যুৱ মৰ্চাৰ কলিয়াবৰ জিলা সমিতিৰ সদস্যসকলেও অংশগ্ৰহণ কৰে। এই ঘটনাৰ আঁৰত কংগ্ৰেছৰ ষড়যন্ত্ৰ আছে বুলি যুৱ মৰ্চাৰ সদস্যসকলে অভিযোগ কৰে।

## চুতীয়া জাতিৰ নিবনুৱাক কুইপত অগ্ৰাধিকাৰৰ দাবী আকছুৰ

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৭ জানুৱাৰী ঃ** অইল ইণ্ডিয়াৰ অধীনত ঠিকা কাম কৰা কোম্পানী কুইপত নিযুক্তিৰ ক্ষেত্ৰত চুতীয়া জাতিৰ নিবনুৱা যুৱক-যুৱতীসকলক অগ্ৰাধিকাৰ দিবলৈ সদৌ অসম চুতীয়া ছাত্ৰ সন্থা (আকছু)ৰ টেঙাখাত আঞ্চলিক সমিতিয়ে দাবী জনাইছে। কোম্পানীটোৰে চুতীয়া জাতিৰ নিবনুৱা যুৱক-যুৱতীসকলক নিযুক্তিৰ ক্ষেত্ৰত বঞ্চিত কৰি আহিছে বুলি অভিযোগ কৰি আকছুৰ টেঙাখাত আঞ্চলিক সমিতিয়ে কালি ডিব্ৰুগড় জিলা উপায়ুক্ত এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে। টেঙাখাত আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি ভৈৰৱ চুতীয়া আৰু উপদেষ্টা ত্ৰিদিপ চুতীয়াই স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত উল্লেখ কৰা মতে কুইপ নামৰ কোম্পনীটোৱে বিভিন্ন সংগঠনৰ দাবীত নিবনুৱাসকলক নিযুক্তি প্ৰদান কৰি আহিছে। এনে বৈষম্যমূলক স্থিতি গ্ৰহণ কৰি নিযুক্তি প্ৰক্ৰিয়া জনাই থাকিলে আকছুৰ টেঙাখাত আঞ্চলিক সমিতিয়ে কোম্পানীটোৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে। কোম্পানীটোৱে উচিত ব্যৱস্থা গ্ৰহণ কৰি চুতীয়া জাতিৰ নিবনুৱা যুৱক-যুৱতীসকলক নিযুক্তি দিবলৈ জিলা উপায়ুক্তক হস্তক্ষেপ কৰিবলৈ আবেদন জনাই।

## ছয়গাঁও ৰাজীৱ ভৱনৰ সন্মুখত বিজেপি যুৱ মৰ্চাৰ প্ৰতিবাদ



**ছয়গাঁও, ৭ জানুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলা বিজেপি যুৱ মৰ্চাৰ উদ্যোগত আজি ছয়গাঁও ৰাজীৱ ভৱনত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি ঘেৰাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পঞ্জাৱত কৰা ব্যৱহাৰৰ প্ৰতিবাদত স্বৰূপে আজি ছয়গাঁও ৰাজীৱ ভৱনৰ সন্মুখত এই কাৰ্যসূচী কৰা হয়। ছয়গাঁও বিজেপিৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব লয় দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ, জিলা যুৱ মৰ্চাৰ সভাপতি কৌশিক তালুকদাৰসহ ছয়গাঁও, পলাশবাৰী আৰু বকো সমষ্টিৰ ভালেমান বিজেপি কৰ্মী। কংগ্ৰেছ পাকিস্তান ভাই ভাই, ৰাহুল গান্ধী মুৰ্দাবাদ, ছোনীয়া গান্ধী মুৰ্দাবাদ, পঞ্জাৱ চৰকাৰ হায় হায়, কংগ্ৰেছ গো-বেক ধ্বনিৰে ছয়গাঁও ৰাজীৱ ভৱনৰ সন্মুখত উত্তাল কৰে। প্ৰতিবাদী কাৰ্যসূচীত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে ছয়গাঁৰৰ সংলগ্ন চক্ৰ বিষয়া অম্বৰীশ বৰাসহ ছয়গাঁও আৰক্ষী সন্থম হৈ আছিল।

## তিনিচুকীয়াত অবৈধ প্লাষ্টিকৰ সামগ্ৰী নিষিদ্ধৰ বাবে বিশেষ কমিটী গঠন প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাক প্লাষ্টিকমুক্ত জিলা কৰাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তিনিচুকীয়া জিলা প্ৰশাসনৰ তৰফৰ পৰা আজি দিয়া এক নিৰ্দেশনা অনুসৰি, তিনিচুকীয়া জিলাখনত বৰ্তমান অবৈধভাৱে চলি থকা প্লাষ্টিকৰ সামগ্ৰী নিষিদ্ধ কৰাৰ বাবে বুধবাৰে ইতিমধ্যে এখন বিশেষ কমিটী জিলা প্ৰশাসনে গঠন কৰিছে। জিলাখনৰ সহকাৰী আয়ুক্ত নীলোৰম শৰ্মা (ACS) সহ লিগেল মেট্ৰ'লজী বিভাগৰ পৰিদৰ্শক দেৱজিৎ গগৈ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক বিমল চলিহা আৰু সহ পৰিদৰ্শক শান্তনু বৰদলৈসহ চাৰিজনীয়া এখন কমিটী গঠন কৰে । চাৰিজনীয়া কমিটীখনে জিলাখনত অবৈধভাৱে চলি থকা ৫০ মাইক্ৰনতকৈ কম প্লাষ্টিকৰ কেৰিবেগ, গুটখা আদিত ব্যৱহাৰ হোৱা প্লাষ্টিক মজুত কৰি ৰখা আৰু বিক্ৰী কৰা কৰ্যকলাপ চোৰাচিতা কৰাৰ লগতে তেনে কাৰ্যকলাপ চলোৱা ব্যৱসায়ীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব। অন্যহাতে, উক্ত সমিতিখনে প্ৰতি সোমবাৰে জিলা উপায়ুক্তক প্ৰতিবেদন দাখিল কৰিব ।

## দুৰাৰোগ্য ৰোগত আক্ৰান্ত মহিলাৰ সহায়ৰ আহ্বান

**ডুমডুমা, ৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ৰূপাই শান্তিনগৰৰ এগৰাকী শিক্ষয়িত্ৰী দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ দুৰ্ভোগ ভুগিব লগা হৈছে। ৰূপালী গগৈ শইকীয়া (৫০) নামৰ বেচৰকাৰী বিদ্যালয়ৰ শিক্ষয়িত্ৰীগৰাকীক ২০১০ৰ পৰা চিকিৎসা কৰাই আছে। ২০১১ত আৰু ২০১৫ত দুবাৰকৈ ব্যয়বহুল অস্ত্ৰোপচাৰ কৰিছিল যদিও বৰ্তমান গুৰুতৰ অৱস্থা হৈ পৰা মহিলাগৰাকীক উন্নত চিকিৎসা আৰু অস্ত্ৰোপচাৰ কৰাৰ বাবে পৰামৰ্শ দিছে। কিন্তু অৰ্থৰ অভাৱত ৰৈ গৈছে। ৰোগীগৰাকীক সহায় কৰিব বিচৰা ৰাইজে এছ বি আই এন একাউন্ট নম্বৰ ৩৯০৯৩৫৮৩৮৩৫, আই এফ এছ চি এছ বি আই এন ০০১৭২৫২ত প্ৰেৰণ কৰি ৮০১১৯৩৩০৫৩ত যোগাযোগ কৰিবলৈ আহ্বান

## লতাবাৰী শ্মশানৰ সমূহীয়া ভৱন মুকলি

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৭ জানুৱাৰী ঃ** বোকাখাতৰ লতাবাৰী শান্তিঘাট শ্মশানৰ এটা সমূহীয়া ভৱন কালি মুকলি কৰা হয়। কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে তেওঁৰ সাংসদ পুঁজিৰ ২০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰি দিয়ে। এই উপলক্ষে আয়োজিত এক সভাত সাংসদ গগৈয়ে কয় কৰ'নাই বিধ্বস্ত কৰা সমাজখন পুনৰ নিৰ্মাণ কৰিব লাগিব। শান্তিঘাট জিলা কংগ্ৰেছ সভাপতি দাদু টায়ে, ব্লক কংগ্ৰেছ সভাপতি ধৰ্মেশ্বৰ কুৰ্মী, মহিলা কংগ্ৰেছ সভানেত্ৰী মিনতি দলে, সমাজকৰ্মী ৰাজেন্দ্ৰ প্ৰসাদ নিমোদীয়া আদি উপস্থিত থাকে।

## চামগুৰিৰ প্ৰাক্তন বিধায়ক অতুল কুমাৰ শৰ্মাৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৭ জানুৱাৰী ঃ** চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত অতুল কুমাৰ শৰ্মাৰ স্মৃতিত কালি চামগুৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন বিধায়কগৰাকীৰ স্মৃতিত চামগুৰি তিনিআলিত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত প্ৰথমে সৰ্বধৰ্ম প্ৰাৰ্থনা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন দুৰ্লভ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত প্ৰাক্তন বিধায়ক প্ৰয়াত অতুল কুমাৰ শৰ্মাৰ সোঁৱৰণত এখন শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন কৰা হয়। সমাজসেৱক প্ৰাৰ্থপ্ৰতিম হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত দেৱিজৎ কলিতা, পূৰ্ণানন্দ বাৰিক আৰু প্ৰমোদ বৰাই সম্পাদনা কৰা শ্ৰদ্ধাঞ্জলি গ্ৰন্থখন উন্মোচন কৰে প্ৰাক্তন বিধায়ক প্ৰয়াত অতুল কুমাৰ শৰ্মাৰ সহধৰ্মিণী নিজৰা মহন্ত শৰ্মাই। উক্ত স্মৃতিচাৰণ সভাখনত চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক অতুল কুমাৰ শৰ্মাৰ কৰ্মৰাজিৰ এপৰত বিশিষ্ট সমাজসেৱক মৃদুল কলিতা, ভৰত দাস, শৰৎ শইকীয়া, অতুল নাথ, প্ৰভাত দাস, গোপাল ৰয়, দেৱজিৎ কলিতা, প্ৰাৰ্থপ্ৰতিম হাজৰিকাকে ধৰি বহুকেইজন লোকে ভাষণ প্ৰদান কৰে। আনহাতে, চামগুৰিত নিৰ্মাণ হ'ব লগা শিশু উদ্যানখন প্ৰাক্তন বিধায়ক প্ৰয়াত অতুল কুমাৰ শৰ্মাৰ স্মৃতিত নামাকৰণ হ'ব লাগে বুলি আজিৰ স্মৃতিচাৰণ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। যোৱা ৩০ নৱেম্বৰত মধুমেহ আৰু হৃদৰোগত আক্ৰান্ত হৈ চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক শৰ্মাৰ মৃত্যু হৈছিল।

## গোৱালপাৰাত ভুৱা প্ৰমাণপত্ৰ প্ৰস্তুত কৰা কাৰখানা উৎখাত ঃ ধৃত এক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৭ জানুৱাৰী ঃ** গোৱালপাৰা চহৰৰ কাৰবালাত কালি আৰক্ষীয়ে অভিযান চলাই ভুৱা প্ৰমাণপত্ৰ তৈয়াৰ কৰা কাৰখানা এটা উৎখাত কৰে। গোৱালপাৰা অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই জনোৱা মতে, এক গোপাল সূত্ৰৰ পম খেতি উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মাৰ তত্ত্বাৱধানত গোৱালপাৰা সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ দাসে অভিযান চলাই কাৰবালাৰ এ কে কম্পিউটাৰ ছাৰ্ভিছ চেণ্টাৰৰ পৰা ভালে সংখ্যক ভুৱা ছীল মোহৰৰ লগতে ভূৱা প্ৰমাণপত্ৰ জব্দ কৰে। উল্লেখ্য যে মণিৰুল ইছলাম নামৰ এজন যুৱকে কম্পিউটাৰৰ দোকান খুলি জালিয়াতিৰে ডিটিঅ' অফিচ, বিভিন্ন গাঁও পঞ্চায়ত আদিৰ ভূৱা ছীল মোহৰৰ বনাই জাল প্ৰমাণপত্ৰৰ ব্যৱসায় চলাই আছিল। এইদৰে ভূৱা প্ৰমাণপত্ৰৰ কাৰখানা স্থাপন কৰা মণিৰুল ইছলামক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধ-পোছ চলাই আছে। ইপিনে, আজিৰ অভিযান কালত যুৱকজনৰ পৰা বিভিন্ন বিভাগৰ বিষয়াসকলৰ চীল, বহু ভুৱা প্ৰমাণ পত্ৰ, কম্পিউটাৰ, প্ৰিণ্টাৰ আদি জব্দ কৰিছে।

## মহৰিপাৰাত উত্তৰ বেতনা আঞ্চলিক আছুৰ বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৭ জানুৱাৰী ঃ** বাগ্‌সা জিলা গোৰেশ্বৰৰ মহৰিপাৰাত উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাৰ ৩৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি চলোৱা হৈছে। অহা ২০ আৰু ২১ জানুৱাৰীত উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন বৰ্ণাঢ্য কাৰ্যসূচীৰে ছহিদ বেদীৰ বাকৰি, মহৰিপাৰাত অনুষ্ঠিত কৰা হ'ব। প্ৰথমদিনা পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কৰিব ক্ৰমে আঞ্চলিকৰ সভাপতি নয়নজ্যোতি কলিতা আৰু সাধাৰণ সম্পাদক কমলজ্যোতি কলিতাই। মুকলি সভাত উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু বোলছবি জগতৰ জ্যেষ্ঠ অভিনেত্ৰী চেতনা দাসে সন্ধিয়া সাংস্কৃতিক সন্ধিয়াত গীত পৰিবেশন কৰিব বিশিষ্ট সংগীত শিল্পী মহেন্দ্ৰ হাজৰিকাই। দ্বিতীয় দিনা প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হ'ব বুলি আদৰণি সমিতিৰ সভাপতি বাবুল ৰাজবংশী, সম্পাদক সত্যজিৎ কলিতা আৰু আঞ্চলিকৰ সভাপতি নয়নজ্যোতি কলিতা, সাধাৰণ সম্পাদক কমলজ্যোতি কলিতাই জানিবলৈ দিয়ে। লগতে আদৰণি সমিতি আৰু উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়াই ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## কৃষি সামগ্ৰী ব্যৱসায়ীৰ প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও, ৭ জানুৱাৰী ঃ** অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট আৰু ৰাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত গোলাঘাট কৃষি বিজ্ঞান কেন্দ্ৰ খুমটাইৰ দ্বাৰা আয়োজিত কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° ভৰেশ চন্দ্ৰ ডেকা, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, অসম কৃষি বিদ্যালয় যোৰহাটৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই, জিলা কৃষি বিষয়া ৰঞ্জিত শৰ্মা, অতিৰিক্ত উপায়ুক্ত মুন গগৈ, গোলাঘাট মহকুমা কৃষি বিষয়া কৃষ্ণ শইকীয়া, এল ডি এম চজিব বৰা আদি বিষয়াসকলে কৃষি সম্পৰ্কীয় বিভিন্ন তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে। ১৫ দিনীয়া প্ৰশিক্ষণৰ পৰিচালক কৃষ্ণাক্ষী বৰা উপস্থিত থকা এই সভাতেই প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে প্ৰশিক্ষাৰ্থীসকলেও কৃতজ্ঞতাৰ চিন স্বৰূপে কৃষি বিজ্ঞান কেন্দ্ৰৰসমূহ বিষয়ববীয়াক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই। জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই প্ৰশিক্ষণৰ হাত পুথি গ্ৰন্থখন উন্মোচন কৰি প্ৰশিক্ষাৰ্থীসকলক বিতৰণ কৰে।

## শিক্ষক, সমাজকৰ্মী ৰবীন গয়াৰীৰ বিয়োগত শোক

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৭ জানুৱাৰী ঃ** বজালী জিলাৰ বাঘমাৰাৰ সমীপৰ মধ্য বিজনী হাইস্কুলৰ বড়ো মাধ্যমৰ সহকাৰী শিক্ষক, বৰপেটা জিলা বড়ো সাহিত্য সভাৰ উপসভাপতি গড়গাঁও নিৱাসী ৰবীন গয়াৰীৰ যোৱা নিশা (পাঁচ জানুৱাৰী) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মাণিকপুৰ প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গড় বজাৰ সমিতিৰ প্ৰাক্তন সম্পাদক, বাঘমাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সদস্য, জয়হিন্দ ক্লাৱৰ সদস্য গয়াৰীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫২ বছৰ। তেওঁ এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ, ভাই-ভাইবোৱাৰী, ভতিজা আৰু অনেক গুণমুগ্ধক এৰি থৈ যায়। বিশিষ্ট সমাজকৰ্মী, শিক্ষকজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। অমায়িক স্বভাৱৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষকজনৰ মৃত্যুত বৰপেটা জিলা বড়ো সাহিত্য সভাৰ সভাপতি জটিফ বড়ো, মধ্য বিজনী হাইস্কুলৰ শিক্ষকবৃন্দ, গড় বজাৰ কমিটীৰ সভাপতি গিৰিজা মোহন কলিতা, সম্পাদক হেমন্ত দাস, বাঘমাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সম্পাদক ৰচুল আলী, স্থানীয় গড় বজাৰ কমিটী, বাথৌ কমিটী আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

### ■ স্বচ্ছ ভাৰতৰ বিপৰীত ছবি ঃ পৌৰসভাৰ আহ্বানক আওকান একাংশ লোকৰ

# গহপুৰ নগৰৰ নলাত আৱৰ্জনা নিক্ষেপ



**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ৭ জানুৱাৰী ঃ** গহপুৰ নগৰখন পৰিষ্কাৰ-পৰিছন্ন কৰি ৰাখিবৰ বাবে গহপুৰ পৌৰসভা কৰ্তৃপক্ষই পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও স্বচ্ছতা সম্পৰ্কে যেন উপলব্ধি কৰিব পৰা নাই গহপুৰ নগৰৰ একাংশ অবিবেচক লোকে। যদিও প্লাষ্টিকৰ বটলকে ধৰি বিভিন্ন পেলনীয়া সামগ্ৰী তথা আৱৰ্জনাৰে ভৰি পৰিছে গহপুৰ নগৰৰ মাজমজিয়াৰ নলা। উল্লেখ্য যে গহপুৰ নগৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ গহপুৰ দৈনিক বৈকুণ্ঠ বজাৰ আৰু গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সীমাৰে বৈ যোৱা নলাটোত দীৰ্ঘ দিন ধৰি নগৰখনৰ একাংশ অবিবেচক লোকে গেলা-পঁচা সামগ্ৰীৰ লগতে প্লাষ্টিকৰ আৱৰ্জনা নিক্ষেপ কৰি আহিছে। ফলত নলাটোত এক কদৰ্যময় অৱস্থাৰ সৃষ্টি হোৱাৰ লগতে দূষিত হৈ আহিছে চৌদিশৰ পৰিবেশ। প্ৰখৰ ৰ'দত উক্ত কদৰ্যময় নলাটোৰ পৰা নিৰ্গত দুৰ্গন্ধই নগৰখনৰ উক্ত অঞ্চলটোৰ পৰিৱেশ দূষিত কৰি অহাৰ লগতে গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কণ কণ শিক্ষাৰ্থীসকলৰ স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে। এই ক্ষেত্ৰত গহপুৰ পৌৰ সভা কৰ্তৃপক্ষই ৰাইজৰ অসুবিধা আতৰ কৰিবৰ বাবে একাধিকবাৰ উক্ত নলাটো পৰিষ্কাৰ কৰি আহিছে যদিও আজিকোপতি আৱৰ্জনা নিক্ষেপ কৰি অহা একাংশ অবিবেচক লোকৰ চেতনা অহা নাই। উল্লেখ্য যে বৰ্তমান নগৰখনৰ উক্ত অঞ্চলত আৱৰ্জনা নিক্ষেপ কৰিবৰ বাবে গহপুৰ পৌৰ সভাৰ কৰ্তৃপক্ষই দুটাকৈ ডাষ্টবিন ৰাখিছে যদিও একাংশ লোকে ডাষ্টবিনৰ পৰিৱৰ্তে উক্ত নলাটোতহে বিভিন্ন প্লাষ্টিকৰ সামগ্ৰীৰ লগতে আৱৰ্জনা নিক্ষেপ কৰি আহিছে। তদুপৰি গহপুৰ পৌৰসভাৰ কৰ্তৃপক্ষই উক্ত নলা-নৰ্দমাটোৰ দুয়ো কাষৰ লগতে নলাটো সংলগ্ন গহপুৰ ৰেল ষ্টেচন পথৰ কাষত ওখকৈ লোৰ জালনা সংস্থাপন কৰাৰ পাছতো উক্ত জালনাৰ ওপৰেদিয়ে একাংশ লোকে নলাটোলৈ আৱৰ্জনা নিক্ষেপ কৰি আহিছে। গহপুৰ পৌৰসভাৰ কৰ্তৃপক্ষই নলা-নৰ্দমাত আৱৰ্জনা নিক্ষেপ নকৰিবলৈ বাৰম্বাৰ জনাই অহা অনুৰোধ আৰু নগৰখনত সঘনাই ৰূপায়ণ কৰি অহা স্বচ্ছ ভাৰত অভিযানৰ সজাগতামূলক কাৰ্যসূচীৰ পাছতো একাংশ লোকে বন্ধ কৰা নাই উক্ত নলাটোলৈ আৱৰ্জনা নিক্ষেপৰ দুষ্কাৰ্য। কেইমাহমান পূৰ্বে পৌৰসভাৰ কৰ্তৃপক্ষই উক্ত নলা-নৰ্দমাটো সম্পূৰ্ণভাৱে পৰিষ্কাৰ কৰিছিল যদিও আৱৰ্জনা নিক্ষেপৰ দুষ্কাৰ্য বন্ধ নোহোৱাত বৰ্তমান পুনৰ কদৰ্যময় হৈ পৰিছে নলা-নৰ্দমাৰ। এনে ক্ষেত্ৰত আৱৰ্জনা নিক্ষেপ কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ ৰাইজে পৌৰসভাৰ কৰ্তৃপক্ষক দাবী জনাইছে।

## গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৭ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও চহৰত অৱস্থিত জিলাখনৰ ভিতৰতে এখন অন্যতম পুৰণি শিক্ষানুষ্ঠান গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়। ১৯৪৭ত স্থাপিত এই বিদ্যালয়খনে এইবেলি ৭৫ বছৰৰ দুৱাৰডলিত ভৰি দিলে। জিলাখনৰ ভিতৰতে ঐতিহ্যপূৰ্ণ আৰু অন্যতম পুৰণি শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হোৱা বিদ্যালয়খনে ৭৫ বছৰত পদাৰ্পণ কৰাত শিক্ষানুষ্ঠানখনৰ হীৰক জয়ন্তী উৎসৱ পালনাৰ্থে যোৱা পাঁচ জানুৱাৰীত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি নৰোত্তম দেৱ বসুমতাৰীয়ে। বৃহত্তৰ গোসাঁইগাঁও তথা উপকণ্ঠ অঞ্চলৰ প্ৰাক্তন ছাত্ৰ বুদ্ধিজীৱী, সমাজকৰ্মী, শিক্ষাবিদ, শুভাকাংক্ষী আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত গোসাঁইগাঁও পৌৰপতি প্ৰফুল্ল ইছলাৰী, গোসাঁইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুমুদ ৰঞ্জন বসুমতাৰী তথা প্ৰৱক্তা প্ৰদীপ দাস, গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনিন্দ্ৰ নাথ দাস, বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ সন্তোষ কুমাৰ বসুমতাৰী, দুই নম্বৰ গুমা পৰিষদীয় সমষ্টিৰ পাৰিষদ ৰহিন্দ্ৰ ব্ৰহ্ম তথা সাংবাদিক শংকৰ চৌধুৰীয়ে বিষয়বস্তুৰ স'তে সংগতি ৰাখি বক্তব্য প্ৰদান কৰে। বক্তাসকলে বিদ্যালয়খনত অধ্যয়ন কৰি অহা দিনৰ স্মৃতি সোঁৱৰণ কৰাৰ লগতে শৈক্ষিক দিশত বিদ্যালয়খনে অঞ্চলটোক আগুৱাই নিয়াত এক অনবদ্য আৰু গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ কথাও ভাষণত ব্যক্ত কৰে। এই শিক্ষানুষ্ঠানখনৰ কে'বাগৰাকী ছাত্ৰই ভাৰতীয় প্ৰশাসনীয় সেৱা, ভাৰতীয় আৰক্ষী সেৱাত নিয়োজিত হৈ সেৱা আগবঢ়াই সম্প্ৰতি অৱসৰ গ্ৰহণ কৰাৰ লগতে কে'বাজনো অদ্যাপি কৰ্মৰত হৈ থকাৰ কথা বক্তাসকলে উল্লেখ কৰে। আনহাতে, বহু সংখ্যক চিকিৎসা, অভিযান্ত্ৰিক ক্ষেত্ৰত নিয়োজিত হোৱাৰ উপৰি ৰাজনীতি, সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি সৰ্বদিশত উল্লেখনীয় সেৱা আগবঢ়াই থকাৰ কথাও ভাষণত বক্তাসকলে দোহাৰে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় পৰিধি অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিদ্যালয়খনৰ ছাত্ৰই সুখ্যাতিৰে কৰ্মৰত হৈ বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই অনা প্ৰসংগও বক্তাসকলে ভাষণত উল্লেখ কৰে। সভাতেই আলোচনাৰ অন্তত হীৰক জয়ন্তী উদ্‌যাপনৰ অৰ্থে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰোত্তম দেৱ বসুমতাৰীক সভাপতি, অধ্যক্ষ বিজয় মুছাহাৰীক কাৰ্যকৰী সভাপতি, শৈক্ষিক, তত্ত্বাৱধায়ক গুণীন্দ্ৰ নাথ ব্ৰহ্মক মুখ্য আহ্বায়ক হিচাপে লৈ ৪০ জনীয়া মূল সমিতিখন গঠন কৰা হয়। মূল সমিতিয়ে পৰৱৰ্তী সময়ত পূৰ্ণাংগ সমিতিখন গঠন কৰাৰ লগতে বিভিন্ন দিশ চোৱা-চিতাৰ বাবে শাখা সমিতিসমূহ গঠন কৰাৰ পোষকতা কৰে। সকলো ঠিকে থাকে থাকিলে আগন্তুক অক্টোবৰত বাৰেৰহণীয়া আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে হীৰক জয়ন্তী উদ্‌যাপনৰ দিন-তাৰিখ পৰৱৰ্তী সময়ত নিৰ্ধাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

### ■ অভ্যৰ্থনা সমিতি গঠন

## বিহপুৰীয়া শিশু নিকেতনত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ আচাৰ্য প্ৰশিক্ষণ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৭ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ আধাৰভুক্ত বিষয়সমূহৰ প্ৰয়োগশীলতাৰ গুৰুত্ব উপলব্ধি কৰি শিশু শিক্ষা সমিতি অসমে সমগ্ৰ অসমতে বিদ্যা ভাৰতীৰ শিক্ষা সংস্থা শংকৰদেৱ শিশু নিকেতনসমূহত কৰ্মৰত আচাৰ্য-আচাৰ্যাসকলৰ এলানী প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰে। ইয়াৰ অংশ স্বৰূপে বিহপুৰীয়া নিকেতনত তিনি আৰু চাৰি জানুৱাৰীত অনুষ্ঠিত প্ৰশিক্ষণৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰে পূব ডিব্ৰুং মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক পুৰঞ্জয় সোণোৱালে। প্ৰধান আচাৰ্য খগেন চন্দ্ৰ বৰাই আঁতধৰা প্ৰশিক্ষণত বিহপুৰীয়া শিক্ষাখণ্ডৰ মুঠ ছখন নিকেতনৰ আচাৰ্য-আচাৰ্যাসকলক সমল ব্যক্তি ক্ৰমে নাওবৈছাৰ উত্তম বৰা ধেমাজি জিলাৰ সংকুল প্ৰমুখ অসীম মহন্ত, বৰদলনিৰ জিতেন দত্ত আৰু নিউটন সন্দিকৈয়ে প্ৰশিক্ষণ প্ৰদান কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মুঠ ২৬টা বিষয়ৰ ওপৰত আধাৰিত এই প্ৰশিক্ষণৰ দ্বিতীয় দিনা সমল ব্যক্তি গিৰিকান্ত নাথ, প্ৰদীপ হাজৰিকা, থানেশ্বৰ বৰপাত্ৰগোঁহাই আৰু বিহপুৰীয়া নিকেতনৰ ননী মাধৱ পূজাৰীয়ে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত নৱম শ্ৰেণীৰ ছাত্ৰী তন্ময়ী দত্তৰ সম্পাদিত প্ৰয়াস নামৰ হাতে লিখা আলোচনীখন উন্মোচন কৰা হয়।

## গৰুখুঁটি কৃষি প্ৰকল্পত উজলিব দৰঙী কলাকৃষ্টি

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰীৰ সপোনৰ গৰুখুঁটি কৃষি প্ৰকল্পত উজলি উঠিব দৰঙী লোক কলাকৃষ্টি। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ নৱগঠিত গৰুখুঁটি শাখাই লোককৃষ্টি বিকাশৰ বাবে আৰম্ভ কৰিছে সাংগঠনিক তৎপৰতা। গৰুখুঁটিৰ বৰামগোৰত যোৱা পাঁচ জানুৱাৰীত সন্ধিয়া বিষ্ণু ৰাভা বঁটা প্ৰাপক লোকশিল্পী গুৰু দ্ৰোণ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত লোক কলাকৃষ্টিৰে কৃষি প্ৰকল্প সমৃদ্ধিশীল কৰি তোলাত গুৰুত্ব প্ৰদান কৰে। বৃহত্তৰ অঞ্চলটোৰ কে'বাগৰাকী শিল্পী, সাংস্কৃতিক কৰ্মীৰ লগতে সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াৰ উপস্থিতিত হংসধৰ নাথক সভাপতি, বীৰেন্দ্ৰ নাথক সভাপতি, দিজেন্দ্ৰ নাথক সম্পাদক আৰু নকুল নাথক সহ-সম্পাদক হিচাপে লৈ দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ গৰুখুঁটি শাখা তদৰ্থ ভিত্তিত গঠন কৰি ফেব্ৰুৱাৰীত আঞ্চলিক কৃষ্টি সমাৰোহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।

## জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত জাম-জেলিৰ প্ৰশিক্ষণ

**বৰমা, ৭ জানুৱাৰী ঃ** বাগ্‌সা জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত বৰমাত যোৱা দুই জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা জাম-জেলি আৰু আচাৰ বনোৱা প্ৰশিক্ষণৰ কালি সামৰণি পৰে। উক্ত প্ৰশিক্ষণত উদ্যান শস্যৰ বিশেষজ্ঞ ড° অমৃতা খাউণ্ড শৰ্মাই থলুৱা ফল-মূল যেনে কৰ্দৈ, জলফাই, ঔটেঙা, বিলাহী, টেঙা মৰা আদি সংৰক্ষণ, জাম-জেলি প্ৰস্তুত আৰু জলকীয়া, বেঙেনা, ফুল কবি, গাজৰ আদিৰ পৰা আচাৰ বনোৱা বিভিন্ন প্ৰশিক্ষণ দিয়ে। বাগ্‌সা জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° উৎপলজ্যোতি শৰ্মাই সামৰণি অনুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষণাৰ্থীসকলক থলুৱা ফল-মূলবোৰৰ সংৰক্ষণ কৰাৰ লগতে কেনেকৈ কম খৰচত জাম-জেলি, আচাৰ আদি বনাই ব্যৱসায়িক ভিত্তিত মহিলাসকল আগুৱাই যাব পাৰে তাৰ ওপৰত বক্তব্য প্ৰদান কৰে। উক্ত প্ৰশিক্ষণত ২০গৰাকী মহিলাই অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ আঁচনি সহায়িকা জ্যোতিস্মিতা বৰা, দীক্ষিতা বৰ্মন আৰু নৱজিৎ বৰ্মন উপস্থিত থাকে।

## ৰূপাই জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

**ডুমডুমা, ৭ জানুৱাৰী ঃ** ৰূপাই জাতীয় বিদ্যালয়ৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সভাপতি জগন্নাথ সোণোৱালে পতাকা উত্তোলন কৰি দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰে। বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ শৰৎ চন্দ্ৰ চিৰিং ফুকনে আৰু সংগীত শিক্ষয়িত্ৰী গিৰিবালা দাসৰ পৰিচালনাত গীত-নৃত্যৰ অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি বিশিষ্ট সাহিত্যিক শ্বৰিফা খাতুন চৌধুৰী, শিক্ষাবিদ প্ৰসাদ সোণোৱাল, বৈকুণ্ঠ ভূঞা আৰু সাহিত্যিক বিৰ্কে বাহাদুৰ থাপাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি বক্তৃতা প্ৰদান কৰে।

## বৰহোলাত গাঞ্জাসহ ধৃত এক

**বিশেষ সংবাদদাতা**

**নগাবাট, ৭ জানুৱাৰী ঃ** বৰহোলা আৰক্ষীয়ে কালি অভিযান চলাই নগাবাটৰ সপ্তাহিক বজাৰৰ পৰা এটা গাঞ্জা বেপাৰী গ্ৰেপ্তাৰ কৰে। ধৃত লোকজনৰ নাম নন্দেশ্বৰ বৰা আৰু ঘৰ মেৰাপানীৰ গমাৰীত। লোকজনৰ পৰা আৰক্ষীয়ে ২.৬৫ গ্ৰাম গাঞ্জা জব্দ কৰে।

## তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচন

### ■ আছুৰ সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৭ জানুৱাৰী ঃ** পৰহি তিনিচুকীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। ১৩ টাকৈ পদত ৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। উক্ত নিৰ্বাচনত সভাপতি পদত কল্পজ্যোতি ফুকন, উপ-সভাপতিৰ পদত ৰবি থাপা, সাধাৰণ সম্পাদক পদত মৌচম গোহাঁই, সহকাৰী সাধাৰণ সম্পাদক পদত অজয় ৰায়, সাংস্কৃতিক সম্পাদক পদত হুনজিৎ মৰাণে, বহিঃক্ৰীড়া সম্পাদক মঞ্জিত সোণোৱাল, আলোচনী সম্পাদক পদত হিমাংশু ৰাজখোৱা, শৰীৰ চৰ্চা বিভাগৰ সম্পাদক বিবেক শৰ্মা, তৰ্ক বিভাগৰ সম্পাদক মুকেশ শ্বাহে জয়যুক্ত হয় সভাপতি, সাধাৰণ সম্পাদককে ধৰি অধিকাংশ পদতে আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰে। তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নতুন সভাপতি কল্পজ্যোতি ফুকন আৰু সাধাৰণ সম্পাদকৰূপে মৌচম গোহাঁইকে আদি কৰি আছুৰ জয়লাভ কৰা প্ৰাৰ্থীসকলক নিৰ্বাচনৰ গণনা শেষ হোৱাৰ পাছত তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অভিনন্দন জ্ঞাপন কৰে।

উক্ত কাৰ্যসূচীত উপস্থিত থাকে তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উদিপ বৰপাত্ৰ, সাধাৰণ সম্পাদক নয়ন জ্যোতি বেজবৰুৱা, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সত্যজিত বৰগোহাঁই, জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চেলু হুছেইনকে প্ৰমুখ্যে কৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বিভিন্ন বিষয়ববীয়াসকল।

## বকেয়া কৰ শীঘ্ৰে আদায় দিয়ক

### ■ কঠোৰ দৰঙৰ পৰিবহণ বিভাগ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৭ জানুৱাৰী ঃ** সমগ্ৰ দৰং জিলাৰ বিভিন্ন যাত্ৰীবাহী আৰু মালবাহী যানবাহনসমূহৰ মালিকসকলক জিলা পৰিবহণ বিভাগে তেওঁলোকৰ অনাদায়কৃত বকেয়া তথা নিয়মীয়া কৰসমূহ অহা ৩১ জানুৱাৰীৰ আগতে পৰিশোধ কৰিবলৈ আহ্বান জনাইছে। কালি জিলা পৰিবহণ বিষয়া বিশ্বজিৎ হাজৰিকাই এই বিষয়ে সদৰী কৰিছে। বিষয়াজনে কৰ পৰিশোধ নকৰাকৈ পথত চলাচল কৰি থকা বাহনসমূহৰ ক্ষেত্ৰত শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও কয়। দৰঙৰ ৰাজপথত ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈছে ৰাইজ।



*চিনামৰা জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সভা, শুকুৰবাৰে।*

### ■ ৩০বছৰে পেঞ্চনৰ পৰা বঞ্চিত মুক্তিযোদ্ধাৰ কন্যা ■ যোৰহাটৰ বিশিষ্ট মুক্তিযোদ্ধা, সমবায় আন্দোলনৰ হোতা ভোগেশ্বৰ বৰুৱাৰ অবিবাহিতা কন্যা আৰ্থিক সংকটত

# স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালক চৰকাৰৰ অৱহেলা

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ৭ জানুৱাৰী ঃ** যিসময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰামী বীৰপুৰুষ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি দেশাত্মবোধ জাগৰিত কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে সেই সময়তে তীব্ৰ আৰ্থিক সংকটৰ মাজত দিন কটাব লগীয়া হৈছে যোৰহাটৰ মুক্তিযোদ্ধা ভোগেশ্বৰ বৰুৱাৰ অবিবাহিতা কন্যা সুবৰ্ণ বৰুৱাই। উল্লেখ্য যে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা বীৰ সেনানীসকলৰ প্ৰতি শ্ৰদ্ধা জনাই কেন্দ্ৰীয় চৰকাৰে ৰাজনৈতিকভাৱে নিৰ্যাতিত লোকসকলৰ বাবে জীৱনজোৱা পেঞ্চনৰ ব্যৱস্থা আছে। বাগ্মীবৰ নীলমণি ফুকন, পুৰুষসিংহ মুৰুলীধৰ বৰুৱা, দেশনেতা কুলধৰ চলিহা, জননায়ক দেৱেশ্বৰ শৰ্মা আদি বৰেণ্য ব্যক্তিৰ সান্নিধ্যত ভৰ যৌৱনতে চৰকাৰী চাকৰি প্ৰত্যাখ্যান কৰি মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি উদ্বুদ্ধ হৈ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰা ভোগেশ্বৰে ১৯৫২ত যোৰহাটৰ ককিলামুখত গো পালনৰ সমবায় সমিতি গঠন কৰি ডেকা শক্তিক স্বাৱলম্বিতা হ'বলৈ হাতে কামে কৰি দেখুৱাইছিল।



১৯২১ ৰ ২৮ আগষ্টত যোৰহাটৰ কাছাৰী ফ্লিল্ডত জাতিৰ পিতা মহাত্মা গান্ধী উপস্থিত থকা সভাত বৰুৱাই ডেকা সকলক লগত লৈ গান্ধীৰ সভাত অংশগ্ৰহন কৰি সমগ্ৰ যোৰহাট জিলাতে স্বাধীনতা আন্দোলনৰ বাবে ডেকা শক্তিক একত্ৰিত কৰিছিল। তেওঁ যোৰহাটত আন্দোলনৰ সমানে কৰ্ম জীৱনৰ বাবে যুৱক সকলক অনুপ্ৰাণিত কৰিছিল। আধুনিক বালিগাঁৱৰ অন্যতম নিৰ্মাতা হিচাপে পৰিচিত সমাজপ্ৰাণ বৰুৱাই দেশে স্বাধীনতা লাভৰ পিছতে বালিগাঁৱৰ ককিলা মুখত বিজ্ঞানসন্মতভাৱে গো-পালন তথা সমবায় সমিতি গঠন কৰি কৃষি কৰি স্বাৱলম্বিতা অৰ্জন কৰাৰ পথ মুকলি কৰি এক যুগান্তকাৰী দৃষ্টান্ত প্ৰতিষ্ঠা কৰিছিল। কিন্তু স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি নাগৰিকৰ বাবে স্বৰাজ প্ৰতিষ্ঠা কৰা লোকসকলে একাংশ লোকৰ বাবে যিদৰে সন্মান লাভ কৰিব লাগিছিল সেয়া নাপালে। দেশৰ হকে আগবঢ়োৱা সেৱাৰ বাবে অসম চৰকাৰে ১৯৬৬ ত বৰুৱাক ৰাজনৈতিক নিৰ্যাতিত লোকৰ পেঞ্চন প্ৰদান কৰিছিল। ১৯৬৯ ত তেওঁৰ মৃত্যুৰ পাছত বিধৱা পত্নী প্ৰয়াত কৌশল্যা বৰুৱাই সেই পেঞ্চন লাভ কৰিছিল। ১৯৯১ ত কৌশল্যা বৰুৱাৰ মৃত্যু হয়।

উল্লেখ্য যে ভাৰত চৰকাৰৰ নীতি অনুসৰি স্বাধীনতা সংগ্ৰামী পেঞ্চনাৰৰ মৃত্যুৰ পাছত যদি কোনো অবিবাহিতা কন্যা জীয়াই থাকে সেই সন্তানে পেঞ্চন লাভ কৰিব পাৰে। ভোগেশ্বৰ বৰুৱাৰ কন্যা সুবৰ্ণ এগৰাকী পক্ষাঘাত ৰোগগ্ৰস্ত মহিলা। শাৰীৰিক আৰু মানসিক যন্ত্ৰণাৰ মাজতো আজি ৩০টা বছৰে বাৰম্বাৰ চৰকাৰী বিষয়া, মন্ত্ৰী-বিধায়কক কাকুতি-মিনতি কৰিও আৰ্থিক উপাৰ্জন নথকা সত্তৰোৰ্ধৰ মহিলাগৰাকীয়ে চৰকাৰৰ পৰা আগবঢ়োৱা পেঞ্চন লাভ কৰা নাই। নিজৰ চিকিৎসাৰ নামত মাহেকত প্ৰয়োজন হোৱা টকাৰ নাটনিয়ে অবিবাহিতা মহিলাগৰাকীক নিঃসহায় কৰিছে।






# ১৯ জানুৱাৰীৰ পৰা বৰহোলা গ্ৰন্থমেলা

## ■ অনুষ্ঠিত হ'ব বিভিন্ন শৈক্ষিক-সাংস্কৃতিক প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**নগাবাট, ৭ জানুৱাৰী ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ বৰহোলা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু বৰহোলা মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সহযোগত অহা ১৯ৰ পৰা ২৪ জানুৱাৰীলৈ ত্ৰয়োদশ বৰ্ষৰ বাবে বৰহোলা গ্ৰন্থমেলা আয়োজন কৰা হৈছে। বিগত বৰ্ষত ৰাইজৰ অভূতপূৰ্ব সঁহাৰিত উৎসাহিত হোৱা উদ্‌যাপন সমিতিয়ে এইবাৰো বৰহোলা মহাবিদ্যালয়ৰ প্ৰাংগণত ছদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলাইছে। সেয়ে শিক্ষক বুধীন্দ্ৰ নাথ হাজৰিকাক সভাপতি, শিক্ষক ক্ৰমে অনন্ত গগৈ, ৰঞ্জু সন্দিকৈ, পদ্ম ৰাজখোৱা, দিপাংক বৰাক কাৰ্যকৰী সভাপতি, যুৱকৰ্মী ধৰ্মেন্দ্ৰ বৰাক মুখ্য সম্পাদক আৰু প্ৰৱক্তা অমল সোণোৱাল, সচেতন যুৱকৰ্মী বিজয় হাজৰিকাক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰিছে। ১৯ জানুৱাৰীৰ পুৱা বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ বৰহোলা আঞ্চলিক সমিতিৰ সভাপতি দেৱজিৎ পাঠক আৰু উদ্‌যাপন সমিতিৰ সভাপতি বুধীন্দ্ৰ নাথ হাজৰিকাৰ পতাকা উত্তোলন, মঞ্চৰ বৰহোলা আঞ্চলিক সমিতিৰ সচিব প্ৰধান বিকাশ গগৈৰ স্মৃতি তৰ্পণ, বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চক্ৰেন শইকীয়া, বৰহোলা মহাবিদ্যালয়ৰ উপধ্যক্ষা বৰ্ণালী কলিতা, যুৱ সাংবাদিক অজয় শইকীয়াৰ বৃক্ষৰোপণেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ত্ৰয়োদৰ্শ বৰ্ষ বৰহোলা গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰিব তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। অনুষ্ঠানত উপস্থিত থাকিব বোলছবি পৰিচালক নুৰুল চুলতান। বৰহোলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰেণ দত্তই প্ৰতিযোগিতাৰ কাৰ্যসূচী উদ্বোধন কৰাৰ লগে লগে কে'বাটাও শাখাত লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, ২০ জানুৱাৰীত নেওঁতা গোৱা, সাধু কোৱা, বিয়ানাম প্ৰতিযোগিতা। ২১ জানুৱাৰীত বৰহোলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ব্যৱস্থাপনাত হাতৰ আখৰ, শ্ৰুতলিপি, ছবিত ৰং কৰা আৰু সদৌ অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২২ জানুৱাৰীত আছে সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। ২৩ জানুৱাৰীত বিষ্ণু সংগীত, পাৰ্বতি সংগীত, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। ২৪ জানুৱাৰীত বৰহোলা মহাবিদ্যালয়ৰ বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠান আৰু দুপৰীয়া বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সন্ধিয়ালৈ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি 'দলং' নামৰ এখন স্মৃতিগ্ৰন্থ আৰু বহু কেইজন লেখকৰ কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ উদ্‌যাপন সমিতিৰ ৯১০১১০৭২৮৮, ৬০০১৯৩৯৪৪৮ আৰু ৭৮৯৬৩৭০০৩০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## কলগাছিয়াৰ মইনবৰীত বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ বিকল ঃ চাৰিমাহ ধৰি অন্ধকাৰত গাঁও

**কলগাছিয়া, ৭ জানুৱাৰী ঃ** বৰপেটা জিলাৰ সৰভোগ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ পশ্চিম মইনবড়ী গাঁৱৰ বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ বিকল হৈ থকাত প্ৰায় তিনিশটা পৰিয়াল বিগত চাৰি-পাঁচ মাহে অন্ধকাৰৰ মাজত থাকিবলগীয়া হৈছে। গাঁওখনৰ ৩১৯ নম্বৰ ট্ৰেন্সফৰ্মাৰ বিকল হোৱাৰ বাবে বিগত সময়ছোৱাত ৰাইজে এই বিষয়ে উৰ্দ্ধতন কৰ্তৃপক্ষৰ এছডিঅ', জিইই এছডিএমক বাৰে বাৰে অৱগত কৰাৰ পাছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। সম্প্ৰতি গাঁওখনৰ তিনি শতাধিক পৰিয়ালৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী পঢ়াৰ ক্ষেত্ৰতো যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।



আজি গাঁওখনৰ শতাধিক ৰাইজে প্ৰতিবাদ কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অতিশীঘ্ৰেই অসম চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক নতুন ট্ৰেন্সফৰ্মাৰ যোগান ধৰি বিদ্যুৎ সংযোগ দিয়াৰ বাবে পশ্চিম মইনবড়ী ৰাইজে দাবী জনাইছে।

## কাইলৈ উন্নয়ন পৰিষদৰ সপ্তদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** অহা ন জানুৱাৰীত লাষ্টগেটস্থিত লোকনিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ বিভাগৰ প্ৰেক্ষাগৃহত সদৌ অসম উন্নয়ন পৰিষদৰ সপ্তদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হ'ব। পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰে পুৱা পৰিষদৰ পতাকা উত্তোলন কৰিব আৰু সাধাৰণ সম্পাদকে ছহিদ তৰ্পণ কৰিব। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব উত্তৰ-পূৰ্বাঞ্চল বাঁহ আৰু বেত উন্নয়ন পৰিষদৰ অধ্যক্ষ শৈলেন্দ্ৰ চৌধুৰী, লেখিকা মঞ্জুলা হাজৰিকা, বি.বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ চৈতন্য বৰ্মন। বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ পবিত্ৰ স্মৃতিত প্ৰদান কৰিবলগীয়া ২০২২ বৰ্ষৰ 'গণশিল্পী' বঁটা বিশিষ্ট শিল্পী জে.পি দাসক প্ৰদান কৰা হ'ব। লগতে পৰিষদৰ প্ৰাক্তন মুখ্য উপদেষ্টা প্ৰয়াত জগত চন্দ্ৰ বৰাৰ সোঁৱৰণত 'সাহিত্য সম্ৰাট' বঁটা ৰঞ্জু হাজৰিকাক প্ৰদান কৰা হ'ব। লগতে বিশেষ সম্বৰ্ধিত ব্যক্তিৰূপে অলিম্পিক পদক প্ৰাপক লাভলীনা বৰগোঁহাই, সাহিত্য একাডেমী বঁটা প্ৰাপক অনুৰাধা শৰ্মা পূজাৰী, অসম গৌৰৱ বঁটা লাভ কৰা মনোজ বসুমতাৰী, অসম গৌৰৱ বঁটা লাভ কৰা মুনীন্দ্ৰ নাথ নাতে, চলচ্চিত্ৰ সন্মান প্ৰাপক আইমী বৰুৱা, উদ্যমী মহিলা নীৰা শৰ্মাক সম্বৰ্ধনা জনোৱা হ'ব। পৰিষদৰ মুখপত্ৰ 'উন্নয়ন' মুকলি কৰিব পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি দয়ানন্দ বৰগোহাঁইয়ে। সন্ধিয়া সাংস্কৃতিক সন্ধিয়াৰ বন্তি প্ৰজ্বলন কৰিব গৌতম দাসে। সাংস্কৃতিক সন্ধিয়াৰ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব প্ৰাগ নিউজৰ অধ্যক্ষ সঞ্জীৱ নাৰায়ণ, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক এম মনিৰাম, বিশিষ্ট কণ্ঠশিল্পী অনুপম শইকীয়া, সংগীত পৰিচালক বিমান বৰুৱা, সংগীত পৰিচালক আলাপ দুদুল শইকীয়া।

## শিক্ষয়িত্ৰীৰ বিৰুদ্ধে ভূমি বেদখলৰ অভিযোগ

### ■ ন্যায় বিচাৰি গোৱালপাৰাৰ উপায়ুক্তক আবেদন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৭ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী এগৰাকীয়ে ভূমি বেদখলত জড়িত হৈ পৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সুভাষ চক্ৰৱৰ্তী নামৰ এগৰাকী ভুক্তভোগীয়ে। লক্ষীপুৰ চহৰৰ অন্তৰ্গত দুই নম্বৰ বামুণপাৰাৰ ১২৯৯ নম্বৰ দাগৰ এক কঠা ১৭ লেচা আৰু ১২৯৭ দাগৰ দুই বিঘা দুই কঠা ১৭ লেচা জমিৰ প্ৰকৃত গৰাকী হ'ল সুভাষ চক্ৰৱৰ্তী। কিন্তু সুভাষ চক্ৰৱৰ্তীয়ে চাকৰি সূত্ৰে গুৱাহাটীৰ সাতগাঁৱত থাকিবলগীয়া হোৱাত জমিখিনি আত্মীয় তথা শিক্ষয়িত্ৰী অঞ্জলি চক্ৰৱৰ্তীক চোৱা-চিতাৰ বাবে থৈ গৈছিল। সেই সুযোগতে অঞ্জলি চক্ৰৱৰ্তীয়ে জমিখিনি বেদখল কৰি পূৰ্বৰ গৃহৰ লগতে নতুন গৃহ নিৰ্মাণ কৰি চাৰিওফালে বেৰ দি লয়। দীৰ্ঘদিনৰ অন্তত সুভাষ চক্ৰৱৰ্তীয়ে নিজ গৃহত উপস্থিত হৈ নিজৰ জমি বেদখল হোৱা দেখি হতভম্ভ হৈ পৰে। ইপিনে, সুভাষ চক্ৰৱৰ্তীয়ে নিজ গৃহত প্ৰৱেশ কৰোতে শিক্ষয়িত্ৰীগৰাকীয়ে বাধা প্ৰদান কৰে। নিজ হাতেৰে তৈয়াৰ কৰা গৃহত প্ৰৱেশ কৰিব নোৱাৰি উপায়হীন হৈ সুভাষ চক্ৰৱৰ্তীয়ে লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত এখন আবেদন জনাই তেওঁৰ জমিখিনি চমজাই দিবলৈ কয়। কিন্তু কোনো সুফল নোপোৱাত হতাশাগ্ৰস্ত হৈ পৰা ভুক্তভোগী সুভাষে তেওঁৰ জমিখিনি বেদখলমুক্ত কৰাৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক এখন আবেদন দাখিল কৰে। জমিখিনি বেদখলমুক্ত কৰাৰ লগতে শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী সুভাষ চক্ৰৱৰ্তীয়ে।

## টীয়ক জাতীয় বিদ্যালয়ৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ৭ জানুৱাৰী ঃ** যোৰহাট জিলাৰ টীয়ক জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আজি অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে মুখ্য সঞ্চালক প্ৰদীপ চুতীয়াই। এই দিৱসৰ স্মৃতি তৰ্পণ কৰে অধ্যক্ষ ঋষেশ্বৰ শৰ্মাই। তদুপৰি ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে সচিব সৌৰভ বৰাই। ড° অকণ চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জীৱমণি নাথে দেৱে মানুহ হোৱাৰ সম্পৰ্কে ভাষণ প্ৰদান কৰে। বিদ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰি উলিওৱা মুখপত্ৰ 'জোনাক' উন্মোচন কৰে অধিবক্তা দিলীপ শইকীয়াই। উক্ত অনুষ্ঠানত প্ৰগতিশীল যুৱ কৃষক নৰনিধি গগৈক সম্বৰ্ধনা জনায়। সচিব সৌৰভ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা মূল সভাত মুখ্য সঞ্চালক প্ৰদীপ চুতীয়াই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীক জলপানি প্ৰদানৰ পাছতে বিদ্যালয়ৰ শ্ৰেষ্ঠ ছাত্ৰী বঁটা নিৰোদ চুতীয়াই আগবঢ়োৱা প্ৰজ্ঞা বঁটা আৰু প্ৰবীণ দাস সোঁৱৰণী বিদ্যালয়ৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত দুয়োটা বঁটা সুদৰ্শনা ভূঞাক প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত একাডেমীৰ উপাধ্যক্ষ সুনীল দাস আৰু টীয়ক জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ মনোজ বৰা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।



## অসম কৃষি বিশ্ববিদ্যালয়ত শিক্ষাৰ্থীৰ মাজত দেশপ্ৰেমমূলক বাটৰ নাট প্ৰতিযোগিতা

### ■ কৃষি মহাবিদ্যালয় শ্ৰেষ্ঠ দল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ জানুৱাৰী ঃ** অসম কৃষি বিশ্ববিদ্যালয়ত যোৰহাটস্থ মূল চৌহদত আজি শিক্ষাৰ্থীসকলৰ মাজত দেশভক্তিমূলক বিশেষ বাটৰ নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ অন্তৰ্গত কৃষি মহাবিদ্যালয়, সামূহিক বিজ্ঞান মহাবিদ্যালয়, ৰেচম মহাবিদ্যালয় আৰু উদ্যান শস্য বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। আজাদী কি অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি আয়োজন কৰা উক্ত প্ৰতিযোগিতা মুকলি কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই দেশৰ স্বাধীনতা সংগ্ৰাম আৰু স্বাধীনতা সংগ্ৰামীসকলক সোঁৱৰণ কৰাৰ বাবে এই পদক্ষেপ



গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ বিদ্যায়তনিক শিক্ষানুষ্ঠানত এনেধৰণৰ কাৰ্যসূচীয়ে আমাক স্বদেশপ্ৰেমৰ প্ৰতি জাগৃত কৰাৰ লগতে আমাৰ গৌৰৱোজ্জ্বল অতীতক সোঁৱৰণ কৰাটো সহায়ক হয় বুলি উল্লেখ কৰে। কৃষি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ এন এছ এছৰ উদ্যোগত অনুষ্ঠিত উক্ত অনুষ্ঠানত কৃষি মহাবিদ্যালয়ৰ বিজ্ঞানগুৰু ড° জয়ন্ত ডেকা, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, পঞ্জীয়ক তপন গোহাঁইৰ লগতে বিশ্ববিদ্যালয়ৰ বিশেষ বিষয়াসকল, বিভাগীয় মুৰব্বী, বহুসংখ্যক অধ্যাপক, বিজ্ঞানী আৰু বিষয়া-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা কৃষি মহাবিদ্যালয় দলক উপাচাৰ্যই পুৰস্কাৰ প্ৰদান কৰে।

## বাগ্‌সাত সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৭ জানুৱাৰী ঃ** আজি বাগ্‌সা জিলাৰ ভোটেপোৱাবড়ীস্থিত লক্ষ্মীনাথ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান বাগ্‌সা জিলাৰ উদ্যোগত বিশেষভাৱে সক্ষম শিশুসকলৰ লগতে সাধাৰণ শিশু ছাত্ৰ-ছাত্ৰীৰ মাজত 'সামূহিক ক্ৰীড়া' প্ৰতিযোগিতা তথা সজাগতা সভা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ শুভ উদ্বোধন কৰে বাগ্‌সা জিলা বিদ্যালয় পৰিদৰ্শক তথা জিলা শিক্ষা বিষয়া ভবেন দেউৰীয়ে। সমগ্ৰ শিক্ষা বাগ্‌সা জিলাৰ আঁচনি বিষয়া ভূপেন দাসে আঁতধৰা অনুষ্ঠানটোত উপস্থিত থাকে দক্ষিণ বিজনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যাপক অধৰ বৰুৱা, আঁচনি বিষয়া ধীৰাজ দত্ত, লক্ষ্মীনাথ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত



অধ্যক্ষ অশ্বিনী কুমাৰ দাস, জ্যোতিৰ্ময় ভূঞা, ভূদেৱ গোস্বামী, দীপু বড়ো, ৰাহুল কলিতা, গেলাপ কলিতা, অসীম কলিতা, দিপাংকৰ কলিতাৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰীসকলে অনুষ্ঠানটোত সহযোগিতা আগবঢ়ায়। উক্ত সজাগতা সভাখনত অঞ্চলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ক্ৰীড়া প্ৰতিযোগিতাৰ অন্তত এখন বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থকা সভাখনত দিব্যাংগ শিশুৰ শিক্ষাৰ অধিকাৰৰ ওপৰত আলোকপাত কৰা হয়।

## মৰিগাঁৱত বীৰ লাচিত সেনাই অসমীয়া ভাষা ৰক্ষাক লৈ তীব্ৰ প্ৰতিবাদ


**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৭ জানুৱাৰী ঃ** ৰাজ্যখনৰ লগতে বীৰ লাচিত সেনা অসমে মৰিগাঁৱতো কালি অসমীয়া ভাষা ৰক্ষাৰ ১২টাকৈ দাবীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিগাঁৱৰ বীৰ লাচিত সেনাৰ সভাপতি সপোন অসম আৰু সম্পাদক দ্বীপমণি হীৰাৰ নেতৃত্বত ৰূপায়ণ হোৱা প্ৰতিবাদী কাৰ্যসূচীত বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। সংগঠনটোৱে ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ পাছতে জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত জিলাখনৰ বিষয়ববীয়াসকলৰ লগতে বহু সদস্যই অংশগ্ৰহণ কৰে।

## শালবাৰীৰ হটাপাৰাত আত্মসহায়ক গোটৰ মাজত গোধন বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৭ জানুৱাৰী ঃ** বাগ্‌সাৰ শালবাৰীৰ হটাপাৰাত বিটিআৰ চৰকাৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম আৰু গৌতম দাসৰ উপস্থিতিত কে'বাটাও আত্মসহায়ক গোটৰ মাজত বিহাৰৰ পৰা অনা উন্নত জাতৰ গৰু বিতৰণ কৰা হয়। বাগ্‌সা আৰু ওদালগুৰি জিলাৰ মুঠ ৫০টাকৈ আত্মসহায়ক গোটক বিহাৰৰ পৰা অনা এই বিশেষ প্ৰজাতিৰ গাই গৰু বিতৰণ কৰা হয়। অনাগত দিনত গাহৰি পালন, মীন পালন, গো-পালন আদিৰ জৰিয়তে বিটিআৰত এক অভিলেখ সৃষ্টি কৰাৰ আশ্বাস দিছে বিভাগীয় কাৰ্যবাহী ৰাকেশ ব্ৰহ্মই। একোটা আত্মসহায়ক গোটক পাঁচৰ পৰা ১০টাকৈ গাই গৰু যোগান ধৰি আৰ্থিক উন্নতি কৰিব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ জৰিয়তে সমগ্ৰ বিটিআৰত গাখীৰৰ যোগান ধৰাৰ লগতে অসমৰ প্ৰান্তে প্ৰান্তে গাখীৰ ৰপ্তানিৰ আশা প্ৰকাশ কৰে কাৰ্যবাহী সদস্যজনে। আনফালে গো-ধন লাভ কৰি আত্মসহায়ক গোটসমূহৰ মহিলাসকলে আনন্দিত হৈ পৰে। কাৰণ চৰকাৰীভাৱে প্ৰশিক্ষণ লাভ কৰি গো পালন কৰা



হেঁপাহ মহিলা আত্মসহায়ক গোটসমূহৰ অনুষ্ঠানত কাৰ্যবাহী সদস্য ব্ৰহ্মক সহযোগিতা কৰে বিটিআৰৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাস, বিভাগীয় পৰিচালক জয়নাল হ'ক আৰু পশু চিকিৎসক মফিদুল ইছলামে।

## আজিৰে পৰা মুছলপুৰ শংকৰদেৱ শিশু

১২ *পৃষ্ঠাৰ পৰা* বন সংমণ্ডল বিষয়া দিপুল বৰ্মনে উদ্বোধন কৰিব গছ পুলি ৰোপণ কাৰ্যসূচীৰ । পুৱা ১০-৩০ বজাত অনুষ্ঠিত হব মুকলি সভা আৰু সম্বৰ্ধনা। উদযাপন সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ বৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰিব মন্ত্ৰী ৰঞ্জিত দাসে । মুখ্য অতিথিৰূপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। আনহাতে, নিৰ্দিষ্ট বক্তা হিচাপে শিশু শিক্ষা সমিতি অসমৰ সাধাৰণ সম্পাদক কুলেন্দ্ৰ কুমাৰ ভাগৱতী উপস্থিত থাকিব । বিশিষ্ট অতিথিৰূপে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তী, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, জিলা উপায়ুক্ত আয়ুস গাৰ্গ, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্ত মল্ল বৰুৱা বিধায়ক ভূপেন বড়ো, জলেন দৈমাৰীৰ উপৰি কে'বাগৰাকী বিটিচিৰ কাৰ্যবাহী সদস্য, শিক্ষাবিদ, ছাত্ৰনেতা, সাহিত্যিক উপস্থিত থাকিব । আনহাতে, মুকলি সভাতে ৰূপালী জয়ন্তী সমাৰোহ উপলক্ষে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বিনীতা বৰা দেৱ চৌধুৰীয়ে । নিশা বাৰে ৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীৰে অন্ত পৰিব ৰূপালী জয়ন্তী সমাৰোহৰ কাৰ্যক্ৰমণিকা ।

## মেৰাপানীত সুৰাপায়ী প্ৰধান শিক্ষকৰ

১২ *পৃষ্ঠাৰ পৰা* এতিয়া বিনষ্ট হ'বলৈ ধৰিছে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ। অভিভাৱকৰ অভিযোগ অনুসৰি প্ৰায়ে প্ৰধান শিক্ষকজনে সুৰাপায়ী কৰি বিদ্যালয়লৈ অহাত স্থৱিৰ হৈ পৰিছে বিদ্যালয়খনৰ পাঠদান প্ৰক্ৰিয়া। আজি প্ৰধান শিক্ষক গগৈয়ে সুৰাপান কৰি বিদ্যালয়লৈ আহি অস্বাভাৱিক আচৰণ কৰাত ক্ষোভিত হৈ পৰে একাংশ অভিভাৱক। অভিভাৱকসকলে প্ৰধান শিক্ষকজনৰ সুৰাপানৰ বিৰোধিতা কৰাত সুৰাপায়ী শিক্ষকজনে বিদ্যালয় চৌহদতে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। এটা সময়ত পৰিস্থিতি এনে পায়গৈ যে অভিভাৱকসকলক প্ৰহাৰ কৰিবলৈ উদ্যত হয় সুৰাপায়ী শিক্ষকজনে। উল্লেখ্য যে ২০১৩ত প্ৰাদেশীকৰণ হোৱা বিদ্যালয়খনৰ শিক্ষকজনৰ সুৰাপায়ী স্বভাৱৰ বাবেই দিনকদিনে কমিবলৈ ধৰিছে শিক্ষাৰ্থীৰ সংখ্যা। ইফালে, আজি শিক্ষক গগৈৰ তাণ্ডৱৰ বাবেই বিদ্যালয়খনত বন্ধ হৈ পৰে পাঠদান প্ৰক্ৰিয়া। অভিভাৱকসকলে অনতিপলমে সুৰাপায়ী শিক্ষকজনৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ সুস্থিৰ কৰাৰ বাবে শিক্ষা বিভাগক আহ্বান জনাইছে।

## তিতাৰাম বৰদলৈ বিদ্যালয়ৰ মহাৰজত

১২ *পৃষ্ঠাৰ পৰা* তোৰণ বিশিষ্ট অভিনেতা মঞ্চপ্ৰাণ পুষ্প ফুকনৰ সোঁৱৰণত পত্নী ননীপ্ৰভা ফুকন, জ্যেষ্ঠপুত্ৰ প্ৰশান্ত ফুকন অভিনেতা জয়ন্ত ফুকন, সিমান্ত ফুকন আৰু পৰিয়ালে উৎসৰ্গা কৰা তোৰণ ভাগি বন্তি প্ৰজ্বলনেৰে উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক মাণিক চন্দ্ৰ মহন্তই। ঢেকিয়াজুলি বুৰুক বৰুৱা গাঁৱৰ নিবাসী বিশিষ্ট মুক্তিযোদ্ধা তথা শিক্ষক বকুল চন্দ্ৰ বৰদলৈৰ সোঁৱৰণত দাতা অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ বৰদলৈ, প্ৰকাশ বৰদলৈ পৰিয়ালে উৎসৰ্গিত তোৰণ ভাগি এগছি বন্তি প্ৰজ্বলনেৰে উন্মোচন কৰে বিশিষ্ট সংগীত শিল্পী অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়াই। কুঁৱৰী পুখুৰী অঞ্চলৰ বিশিষ্ট সমাজ কৰ্মী ৰূপৰাম চাউদাং বৰুৱাৰ পবিত্ৰ সোঁৱৰণত উৎসৰ্গিত ন-আলি পথৰ চতুৰ্থ ভাগ তোৰণ উন্মোচন কৰে প্ৰয়াত বৰুৱাৰ সহধৰ্মিণী সুনীতি বৰুৱাই। অনুষ্ঠানত ক্ৰমে জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি অতুল চন্দ্ৰ বৰদলৈ, প্ৰাক্তন শিক্ষক বুবুল চন্দ্ৰ বৰদলৈ, ভোগেশ্বৰ শইকীয়া, তীলেশ্বৰ বৰা, কণল'ৰা বৰা, দুৰ্গেশ্বৰ বৰা, অমীয় কুমাৰ বৰুৱা, কেশৱ চাউদাং বৰুৱা, ধ্ৰুৱ চাউদাং বৰুৱা, বিমল চাউদাং বৰুৱা, নৃপেন চাইদাং বৰুৱা, দুলাৰী বৰুৱা গগৈ, প্ৰণতি বৰুৱা, পাৰ্বতী বৰুৱা, বিভাৰাণী বৰুৱা, অঞ্জলি বৰুৱাৰ লগতে মৃণাল শইকীয়া প্ৰমুখ্যে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত মংগল বৰদলৈ, প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈ, সম্পাদক ললিত শইকীয়া, হৰি প্ৰসাদ বৰদলৈ, প্ৰবীণ দত্ত, পৰাগজ্যোতি দত্ত, খগেন বৰদলৈ, শিক্ষয়িত্ৰী বীণাপাণি মহন্ত, প্ৰধান শিক্ষয়িত্ৰী মামণি বৰুৱাৰ লগতে বহু সংখ্যক লোকে অংশ লয়। বিয়লি ড° প্ৰদীপ কুমাৰ বৰুৱা ৰচিত, বিশিষ্ট সংগীত শিল্পী প্ৰয়াত অজিত গোহাঁই ফুকনৰ সুৰ, কণ্ঠেৰে সহযোগী শিল্পী শ্ৰীময়ী বৰদলৈ সংগীবৃন্দৰ দ্বাৰা পৰিৱেশন কৰা জয়ন্তীৰ সংগীত ক্ৰমে প্ৰদীপ বৰদলৈ, মৃদুপ্ৰৱণ বৰাৰ, গোলেশ্বৰ বৰদলৈ, মিন্টু বৰদলৈৰ নেতৃত্বত বিদ্যালয়ৰ পৰা উলিওৱা সুৰ সমলয়ে অঞ্চলটোত মহাৰজত জয়ন্তীৰ বিশেষ মাত্ৰা প্ৰদান কৰে।

## প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা আঁচনিৰ ডেস্ক-বেঞ্চ বিতৰণ

**ডিগবৈ, ৭ জানুৱাৰী ঃ** ডিগবৈ টিংৰাইৰ ৰাজহুৱা প্ৰেক্ষাগৃহত প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা আঁচনিৰ অধীনত ডেস্ক-বেঞ্চ বিতৰণ কৰা হয়। ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত যিসমূহ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে ডেস্ক-বেঞ্চৰ পৰিমাণ কম, লগতে ডেস্ক-বেঞ্চৰ অভাৱত বিদ্যালয়ত পাঠ গ্ৰহণ কৰাত সমস্যাৰ সন্মুখীন হৈ আহিছে তেনে মুঠ ৩০খন বিদ্যালয়লৈ মুঠ ৩০০ যোৰা বেঞ্চ-ডেস্ক বিতৰণ কৰে ডিগবৈৰ বিধায়ক সুৰেন ফুকনে বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে। ডিগবৈ সমষ্টিৰ অন্তৰ্গত ডেস্ক-বেঞ্চৰ বাবে আবেদন কৰা বিদ্যলয়সমূহক ক্ৰমান্বয়ে ডেস্ক-বেঞ্চসমূহ পৰ্যায়ক্ৰমে প্ৰদান কৰা হ'ব বুলি বিধায়ক ফুকনে জানিবলৈ দিয়ে।

## খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠৰ প্ৰতিষ্ঠা দিৱস-নৱাগত আদৰণি সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নামতি, ৭ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত আজি উলহ-মালহৰে প্ৰতিষ্ঠা আৰু নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয়। বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী দীক্ষিতা গগৈয়ে কৰা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিদ্যাপীঠৰ শিক্ষয়িত্ৰী ডিম্পী চেতিয়াই। তাৰ পাছতেই প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি আয়োজন কৰা মুকলি সভা ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা জাতীয় সংগীতেৰে আৰম্ভ কৰা হয়। মেজেংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা বিচিত্ৰা বৰা ভূঞাই ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক উদ্দেশি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰি কয় যে বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলক সকলো দিশতে আগবঢ়াই নিবলৈ



চেষ্টা কৰা এনে বিদ্যালয়সমূহৰ পদক্ষেপ সদায় আদৰণীয়। শিশুৰ সৰ্বদিশৰ বিকাশ সাধনত প্ৰাধান্য দিয়া বিদ্যালয়তে শিক্ষা গ্ৰহণ অব্যাহত ৰাখিবলৈ অতিথিজনে আহ্বান জনায়। সভাত অনলাইনযোগে আয়োজন কৰা আলোকচিত্ৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থকা সাজ-পাৰ প্ৰতিযোগিতাৰ বিচাৰক, সাংস্কৃতিক কৰ্মী, দক্ষ ক্ৰীড়া সংগঠক মৌচুমী সন্দিকৈয়ে কে'বাটাও জাতি-জনগোষ্ঠীৰ ভাষাৰ গীত পৰিবেশন কৰি শ্ৰোতাসকলক আপ্লুত কৰে। মুকলি সভাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। নৱাগতসকলক শিক্ষয়িত্ৰী মমী নেওগ আৰু শান্তিছায়া গগৈয়ে উপহাৰ প্ৰদান কৰি স্বাগতম জনায়। অনুষ্ঠানত বহুকেইগৰাকী সচেতন ব্যক্তি আৰু অভিভাৱকসকল উপস্থিত থাকে।

## উত্তৰ শালমাৰাৰ চেনিখোৱাত দুৰ্ঘটনা ঃ জব্দ চাউলসহ বাহন



**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অবৈধভাৱে সামগ্ৰী সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰাৰ পাছতো বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাত অব্যাহত আছে চোৰাং ব্যৱসায়। মহকুমাটোৰ বিভিন্ন পথেৰে চোৰাং চাউল সৰবৰাহ হৈ থকা বুলি চৰ্চিত হৈ থকাৰ সময়তে আজি সন্দেহজনকভাৱে চাউল কঢ়িওৱা বাহন এখন উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চেনিখোৱাত দুৰ্ঘটনাত পতিত হয়। পুৱাৰ ভাগত এ এছ-০১ এফ চি-৩৩১১ নম্বৰৰ বলেৰ' পিকআপ ভেনখনে সন্দেহজনক চাউল কঢ়িয়াই দেওহাটী দিশৰ পৰা যোগীঘোপালৈ গৈ থকা অৱস্থাত চেনিখোৱাত দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে বাহনখনৰ চালক আৰু হেণ্ডিমেনে পলায়ন কৰে। পাছত ঘটনাস্থলীত উত্তৰ শালমাৰা আৰক্ষী উপস্থিত হৈ ৫০ বেগ চাউলসহ বাহনখন জব্দ কৰে।

## যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৭ জানুৱাৰী ঃ** যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত আৰু বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ সহযোগত অহা ১১ জানুৱাৰীত ৰাজ্যিক পৰ্যায়ত সমাজতত্ত্ব বিভাগৰ উদ্যোগত এখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি জিলাৰ মহবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। আলোচনাচক্ৰখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জ্যোতিপ্ৰসাদ শইকীয়াই আলোচনাচক্ৰখন উদ্বোধন কৰিব যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুলেন শইকীয়াই।

■ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ কৰ্মচাৰীও ক'ভিডত আক্ৰান্ত ■ ক'ভিড প্ৰতিষেধক নোলোৱাকৈয়ে বিদ্যালয়লৈ গৈছে ১৮ বছৰৰ তলৰ বহু ছাত্ৰ-ছাত্ৰী

# নগাঁৱত ক'ভিডত আক্ৰান্তৰ সংখ্যাৰ উদ্বেগজনক বৃদ্ধি



*নদীদ্বীপ মাজুলীত ছোৱাইন ফ্লুৰ আতংক, শুকুৰবাৰে।*

**বিশেষ সংবাদদাতা**
**নগাঁও, ৭ জানুৱাৰী ঃ** নগাঁও জিলাত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। যোৱা পাঁচটা দিনত জিলাখনত মুঠ ৬৩গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা হৈছে। আজিও জিলাখনত ১৫গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰিছে স্বাস্থ্য বিভাগে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, আজিৰ দিনটোত জিলাখনত ১১৭৩গৰাকী লোকৰ ৰেপিড এন্টিজেন টেষ্ট আৰু ৬৩ গৰাকী লোকৰ আৰটিপিচি আৰ টেষ্ট কৰোৱা হৈছিল। ইয়াৰে ১৫গৰাকী লোকৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে। আজি চিনাক্ত হোৱা ক'ভিড আক্ৰান্ত লোকসকলৰ ভিতৰত আছে নগাঁৱৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ এজন তৃতীয় বৰ্গৰ কৰ্মচাৰীও। উল্লেখ্য যে জিলাখনত যোৱা তিনি জানুৱাৰীত ছয়, চাৰি জানুৱাৰীত ১৮, পাঁচ জানুৱাৰীত ছয়, ছয় জানুৱাৰীত ১৮ আৰু আজি ১৫গৰাকী ক'ভিড পজিটিভ চিনাক্ত কৰা হয়। জিলাখনত ক'ভিডৰ পৰীক্ষাৰ হাৰ বৃদ্ধি কৰিলে ক'ভিডত আক্ৰান্তৰ সংখ্যা আৰু অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। শেহতীয়াকৈ জিলাখনত ক'ভিডত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত উদ্বিগ্ন হৈ পৰিছে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগ। ইয়াৰ সমান্তৰালকৈ আতংকিত হৈ পৰিছে এই ৰোগক লৈ সচেতন লোকসকলো। ইয়াৰ মাজতো জিলাখনৰ ৯০ শতাংশ লোকেই ব্যাপক হাৰত ক'ভিড বিধি উলংঘা কৰি জিলাখনত এনে এক পৰিৱেশৰ সৃষ্টি কৰিছে যেন জিলাখনৰ পৰা ক'ভিড নাইকিয়া হৈ গ'ল। প্ৰশাসনৰ শিথিলতাৰ বাবেই গৰিষ্ঠ সংখ্যক লোকেই ক'ভিড বিধি উলংঘা কৰি জিলাখনলৈ পুনৰ ভয়ংকৰ পৰিৱেশ আমন্ত্ৰণ কৰি আনিছে। জিলাখনৰ প্ৰায় ৯৫শতাংশ লোকৰ মুখৰ পৰাই নাইকিয়া হৈ পৰিছে মাস্ক। ধোঁৱাচাঙত উঠিল সামাজিক দূৰত্বৰ নিৰ্দেশনাও। শেহতীয়াকৈ ৰাজ্যখনৰ আন জিলাৰ লগতে নগাঁও জিলাতো ১৫ৰ পৰা ১৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক দিয়া হৈছে যদিও এতিয়াও এনে বয়সৰ বহু ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিষেধক ল'বলৈ বাকী আছে। তদুপৰি নৱম শ্ৰেণীত অধ্যয়নৰত বহু ছাত্ৰ-ছাত্ৰীৰ বয়স ১৮ বছৰৰ তলত হোৱা হেতুকে তেওঁলোকে প্ৰতিষেধক ল'ব নোৱাৰিলে। ক'ভিড প্ৰতিষেধ নোলোৱাকৈয়েই এই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ যাবলগীয়া হৈছে। যিটো অত্যন্ত ভয়ংকৰ বিষয় হৈ পৰিছে। চৰকাৰে প্ৰাথমিক শ্ৰেণীৰ পাঠদান বন্ধৰ নিৰ্দেশনা দিলেও ১৮ বছৰৰ তলৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিষেধক নোলোৱাকৈ স্কুললৈ যাব লাগিব। ইয়াকে লৈ উদ্বিগ্ন হৈ পৰিছে অভিভাৱকসকলো।

## ভৈৰৱকুণ্ডত অৰুণাচলী সুৰাসহ দুই গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৭ জানুৱাৰী ঃ** যোৱা নিশা এছএছবিৰ ২৩ নম্বৰ ভৈৰৱকুণ্ড বেটেলিয়নে চলোৱা এক তালাচী অভিযানত আঠ কাৰ্টুন অৰুণাচলী সুৰাসহ দুজনক গ্ৰেপ্তাৰ কৰে। এছএছবি বিষয়া আৰ এছ ভাণ্ডাৰীৰ নেতৃত্বত এটা দলে ওদালগুৰিৰ ভৈৰৱকুণ্ডৰ পৰা ওদালগুৰি অভিমুখে এ এছ-০১ এ-১৮৬১ নম্বৰৰ এখন অল্ট' বাহনত সুৰা কঢ়িয়াই আনি থকা অৱস্থাত এজন যুৱক আৰু এজন কিশোৰক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা যুৱকজনৰ নাম নৰেন্দ্ৰ বুলি এছএছবিয়ে জানিবলৈ দিছে। আজি জব্দকৃত আঠ কাৰ্টুন সুৰাসহ বাহনৰ স'তে ধৃত দুয়োগৰাকীকে ওদালগুৰি আৱকাৰী বিভাগৰ হাতত এছএছবিয়ে গতাই দিয়ে। উল্লেখ্য যে অসম-অৰুণাচল সীমান্তত এনে অবৈধ বেহাৰ স'তে জড়িত তথা বন ধ্বংসৰ বিৰুদ্ধে এছএছবিয়ে ধাৰাবাহিক অভিযান চলাই আছে।

## ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বাবে পুনৰ বিবেচনা কৰা হ'ব ঃ ডাঃ পেগু

■ গোলকগঞ্জত আক্ৰাছুৰ কেন্দ্ৰীয় ছহিদ দিৱসত ২৫ ছহিদ পৰিয়ালক পাঁচ লাখ টকাৰ চেক বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**আগমনী, ৭ জানুৱাৰী ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আক্ৰাছুৰ ২১ সংখ্যক কেন্দ্ৰীয় ছহিদ দিৱস আজি গোলকগঞ্জত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। গোলকগঞ্জৰ প্ৰধানী খেলপথাৰত পুৱা কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ মুৰব্বীসকলে নিজৰ নিজৰ পতাকা উত্তোলন কৰি কাৰ্যসূচী মুকলি কৰে। ছহিদ দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি সুধীৰ চন্দ্ৰ ৰায়ে আদৰণি ভাষণ দিয়া সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা ৰাজ্য চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰাণোজ পেগুৱে কয়, 'স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি স্বায়ত্তশাসিত অঞ্চলত বসবাস কৰা সকলো খিলঞ্জীয়া লোকৰ উন্নয়ন হোৱাৰ লগতে সকলোৰে ভাষা আৰু সংস্কৃতিৰ উন্নয়ন ত্বৰান্বিত হ'ব। গতিকে স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে জনগোষ্ঠীটোৱে নিজৰ স্বাভিমান ৰক্ষা কৰাৰ লগতে প্ৰয়োজনীয় নিজৰ কাম নিজে কৰিব লাগিব। তেনেদৰে, কোচ ৰাজবংশী জনগোষ্ঠীৰ লগতে খিলঞ্জীয়াসকলৰ আত্মনিৰ্ভৰশীলতা হ'ব লাগিব।' তেওঁ কয় যে এই পৰিষদে সকলোবোৰ দায়িত্ব পালন কৰিব লাগিব। তেনেদৰে, কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত পুনৰ আলোচনা কৰি জনজাতিকৰণ কৰা হ'ব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় শিক্ষামন্ত্ৰী ডাঃ পেগুৱে। সভাত তেওঁ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। আনহাতে, কোচ ৰাজবংশীসকল জীয়াই থাকিলে অসমত অসমীয়া বা খিলঞ্জীয়াসকল জীয়াই থাকিব বুলি সভাত উপস্থিত থকা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই উল্লেখ কৰে। অসমৰ খিলঞ্জীয়া বৰ্তমান বিপদাপন্ন বুলি মন্তব্য কৰি কয় যে কোচ ৰাজবংশীসকলৰ উন্নয়ন হ'বই লাগিব। সেয়েহে অসম চৰকাৰৰ সম্পূৰ্ণ সহযোগত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰি অঞ্চলটোত উন্নয়ন কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। সভাত বংগৰ জলপাইগুৰি লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত ৰায়, অন্তৰ্বৰ্তী পৰিষদখনৰ সভাপতি হিতেশ্বৰ ৰায়, মুখ্য সম্পাদক গকুল ৰায় আদিয়ে ভাষণ প্ৰদান কৰে। আনহাতে, সভাত আন্দোলন কৰা আক্ৰাছুৰ ২৫ গৰাকী ছহিদৰ পৰিয়ালক পাঁচ লাখকৈ চেক প্ৰদান কৰে ৰাজ্য চৰকাৰে। উল্লেখ্য যে বিগত বৰ্ষত তদানীন্তন শিক্ষা আৰু স্বাস্থ্যমন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলকগঞ্জৰ কাছখানাত আক্ৰাছুৰ কেন্দ্ৰীয় ছহিদ দিৱসত উপস্থিত হৈ জনজাতিকৰণৰ বাবে আন্দোলন কৰি ছহিদ হোৱা আক্ৰাছুৰ ২৫টা পৰিয়ালক পাঁচ লাখকৈ এককালীন সাহায্য দিব বুলি ঘোষণা কৰিছিল আৰু তাক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে আজি চেক প্ৰদান কৰা হয় বুলি বৰুৱাই উল্লেখ কৰে।

## জাগীৰোডৰ সোণাইকুছি পাহাৰত হাতীৰ পোৱালি উদ্ধাৰ

■ শিলৰ মাজত পৰি আবদ্ধ

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ৭ জানুৱাৰী ঃ** জাগীৰোডৰ সোণাইকুছি বনাঞ্চলৰ পাহাৰৰ নামনিত উদ্ধাৰ হৈছে এটা বনৰীয়া হাতীৰ পোৱালি। বন্যহস্তীৰ বিচৰণস্থলীৰূপে খ্যাত সোণাইকুছি বনাঞ্চলত উদ্ধাৰ হয় এই হাতীৰ পোৱালিটো। উল্লেখ্য যে সোণাইকুছি বনাঞ্চলৰ পাহাৰৰ নামনিত শিলৰ ফাঁকত আবদ্ধ হৈ আছিল হাতীৰ পোৱালিটো। কালি স্থানীয় লোকে শিলৰ ফাঁকত আবদ্ধ হাতী পোৱালিটো প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়াত বন বিভাগৰ লোক উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

## জাগীৰোডৰ জাগীভকত গাঁৱত পথ দুৰ্ঘটনা

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ৭ জানুৱাৰী ঃ** জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত জাগীভকত গাঁৱত আজি সন্ধিয়া সংঘটিত হয় এক পথ দুৰ্ঘটনাত এজন যুৱকৰ ঘটনাস্থলীতে মৃত্যু হয়। সদাব্যস্ত জাগীৰোড মৰিগাঁও পথৰ জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ দাঁতিতে থকা কেঁকুৰিত সংঘটিত হয় এই দুৰ্ঘটনা। এখন মেজিক আৰু এখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত থিতাতে নিহত হয় মটৰ চাইকেল আৰোহীজন। নিহত যুৱকজন বাবলু বড়ো। সন্ধিয়া মৰিগাঁও অভিমুখে গৈ থকা এএছ-২১চি-৮৮১৬ নম্বৰৰ মেজিকখনত বিপৰীত দিশৰ পৰা গৈ থকা এএছ-২১জে-২৩৪২ নম্বৰৰ পালছাৰ মটৰ চাইকেলখনে খুন্দা মাৰে। ফলত হেলমেটবিহীন আনুমানিক ২৮ বছৰীয়া যুৱকজনৰ থিতাতে মৃত্যু হয়। আৰোহীজনে হেলমেট পৰিধান কৰি থকাহেঁতেন যুৱকজনৰ মৃত্যু নহ'লহেঁতেন বুলিও প্ৰত্যক্ষদৰ্শীয়ে মত প্ৰকাশ কৰিছে। ঘটনাস্থলীত জাগীৰোড আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে।

## টিহুত মাঘী উৎসৱ উপলক্ষে সমূহীয়া নৰা কটা পৰ্ব সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**টিহু, ৭ জানুৱাৰী ঃ** টিহুত চাৰিদিনীয়া কাৰ্যসূচীৰে অহা ১২, ১৩, ১৪ আৰু ১৫ জানুৱাৰীত অনুষ্ঠিতব্য দ্বিতীয় বাৰ্ষিক মাঘী উৎসৱৰ মেজি নিৰ্মাণৰ বাবে আজি টিহু নগৰৰ সমীপৱৰ্তী খলিহাগুৰি পথাৰত সমূহীয়াভাৱে নৰা কটা পৰ্ব সম্পন্ন কৰা হয়। এই উপলক্ষে মাঘী উৎসৱ উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক সুভাষ ঠাকুৰীয়াৰ নেতৃত্বত শিল্পী হেমন্ত তালুকদাৰ আৰু হৰেকৃষ্ণ তালুকদাৰ, অভিনেতা ধৰ্মেশ্বৰ তালুকদাৰ, সমাজকৰ্মী অনিৰুদ্ধ বৈশ্য সমন্বিতে শতাধিক পুৰুষ-মহিলাই নৰা কটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত একাংশ পুৰুষ-মহিলাই গীত-নৃত্য পৰিৱেশন কৰি সমগ্ৰ কাৰ্যসূচীটো আনন্দ মুখৰ কৰি তুলি উপস্থিত সকলোকে আপ্লুত কৰে।

## চেলেংহাটত শ্ৰীশ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা উদ্‌যাপন

### অঘাসুৰৰ ৰূপত বিধায়ক কুৰ্মী

**চেলেংহাট, ৭ জানুৱাৰী ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ সপ্তধ্বনি চাৰুকলা আৰু সংগীত বিদ্যালয়ৰ উদ্যোগত আৰু সমূহ চেলেংহাটবাসী ৰাইজৰ সহযোগত পদূমণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে শ্ৰীশ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা। কাইলৈৰ পৰা হ'বলগীয়া ৰাস মহোৎসৱ সম্পূৰ্ণ ক'ভিড নিৰ্দেশনা ৰক্ষা কৰি উদ্‌যাপন কৰিব বুলি উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলে সদৰী কৰে। চেলেংহাটৰ জনপ্ৰিয় অভিনেতা তথা পৰিচালক মুনীন্দ্ৰ গগৈয়ে পৰিচালনা কৰা ৰাসৰ মূল চৰিত্ৰত অভিনয় কৰিব জনপ্ৰিয় অভিনেতা প্ৰকাশ বৰুৱা, অমৰ বৰুৱা, সুনীল দত্ত, ভ্ৰাম্যমাণ জগতৰ জনপ্ৰিয় অভিনেতা দেৱবিকাশ দত্ত, চমুকা বৰা শইকীয়া, যশস্বী বৰা আদিয়ে। উক্ত ৰাসতে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীক দেখা যাব অঘাসুৰৰ ৰূপত।

## ১০ জানুৱাৰীত নিকাছিত মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৭ জানুৱাৰী ঃ** বাগ্‌সা জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ষষ্ঠ দ্বিবাৰ্ষিক অধিবেশন দিনজোৰা কাৰ্যসূচীৰে অহা ১০ জানুৱাৰীত নিকাছি হাইস্কুলত অনুষ্ঠিত হ'ব। ইতিমধ্যে এই অধিবেশন পৰিচালনাৰ বাবে তৰুণ ব্ৰহ্মক সভাপতি, প্ৰদীপ পাঠকক উপ-সভাপতি আৰু বাবুলাল নাৰ্জাৰীক সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। অধিবেশনৰ কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন কৰিব বাগ্‌সা জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ ব্ৰহ্মই। স্মৃতি তৰ্পণ কৰিব সন্থাৰ উপ-সভাপতি বাপুৰাম বড়ো আৰু প্ৰভাত চন্দ্ৰ দাসে। গছ পুলি ৰোপণ কৰিব নিকাছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বদ্ৰীনাথ গুৱাগাঞীয়ে। প্ৰতিনিধি সভা মুকলি কৰিব মিলন হাইস্কুলৰ প্ৰধান শিক্ষক পানীৰাম ৰামছিয়াৰীয়ে। মুকলি সভা উদ্বোধন কৰিব নিকাছি হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰতাপ চন্দ্ৰ ডেকাই। মুখপত্ৰ 'মুকুৰ' উন্মোচন কৰিব বাগ্‌সাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীয়ে। সভাত বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামছিয়াৰী, অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি আৰু সন্থাৰ বাগ্‌সা জিলাৰ প্ৰাক্তন সভাপতি কুঞ্জ লহকৰ উপস্থিত থাকিব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব নিকাছি হাইস্কুলৰ কৰ্মচাৰী হিতেশ বসুমতাৰীয়ে।

## দলগাঁৱস্থ চিআৰপিএফ(কোব্ৰা) ৰেজিমেণ্টৰ শিবিৰ কণ্টেইন'মেণ্ট জ'ন ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৭ জানুৱাৰী ঃ** কৰ'নাৰ অভিকেন্দ্ৰৰূপে পৰিণত হৈছে দৰঙৰ দলগাঁৱস্থ ২১০ চিআৰপিএফ (কোব্ৰা) ৰেজিমেণ্টৰ মুখ্য কাৰ্যালয়ৰ শিবিৰ। বিগত তিনি দিনত শিবিৰটোত ক'ভিড আক্ৰান্তৰ সংখ্যা ৬৪ জনলৈ বৃদ্ধি হোৱাত সম্প্ৰতি জিলা প্ৰশাসনে কালি সমগ্ৰ অঞ্চলটোক কণ্টেইন'মেণ্ট জ'নৰূপে ঘোষণা কৰে। ফলত শিবিৰটোৰ ভিতৰত থকা কেন্দ্ৰীয় বিদ্যালয়খনক কৰ্তৃপক্ষই এসপ্তাহৰ বাবে বন্ধ ঘোষণা কৰিছে। উল্লেখ্য যে যোৱা ২২ ডিচেম্বৰৰ পৰা বিদ্যালয়খনক শীতকালিন বন্ধ ঘোষণা কৰাত বিদ্যালয়ৰ কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেম্পৰ অন্যান্য পৰিয়ালসকল বহিঃৰাজ্যৰ নিজ গৃহলৈ গৈছিল। বন্ধ শেষ হোৱাৰ পাছত চলিত সপ্তাহৰ প্ৰথমৰ পৰাই সকলোৱে শিবিৰলৈ উভতি আহিব ধৰাত ৰাজ্যখনত ক'ভিড পৰীক্ষা কৰাত কে'বাজন লোক আক্ৰান্ত হয়। যোৱা চাৰি জানুৱাৰীত সাতজন, পাঁচ জানুৱাৰীত ১০ জন আৰু কালি ৪৭ জন শিবিৰটোলৈকে ক'ভিড পজিটিভ হোৱাত ৰাইজ সংকিত হৈছে। স্বাস্থ্য বিভাগে পজিটিভ হোৱা সকলোকে শিবিৰৰ ভিতৰতে নিজ নিজ আৱাসত আইছ'লেচনত থাকিবলৈ পৰামৰ্শ আগবঢ়াইছে। উল্লেখ্য যে ক'ভিড পজিটিভ হোৱা আগন্তুক অধিকাংশই দুটাকৈ প্ৰতিষেধক গ্ৰহণ কৰিছিল। ইপিনে, ১৫ বছৰৰ ছাত্ৰ-ছাত্ৰীক প্ৰতিষেদক দিয়াৰ কাম দলগাঁৱতো আৰম্ভ হৈছে।

## কাইলৈ বি টি এ ডি জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ৭ জানুৱাৰী ঃ** বি টি এ ডি জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিবেশনখন অহা ন জানুৱাৰীত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে চিৰাং জিলা সমিতিৰ উদ্যোগত চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত আবৰ্ত ভৱন চৌহদত অনুষ্ঠিত কৰাৰ আয়োজন কৰা হৈছে। অধিবেশনখন নিয়াৰিকৈ সুসম্পন্ন কৰাৰ অৰ্থে ইতিমধ্যে আবু বক্কৰ চিদ্দিকক সভাপতি আৰু জয়ন্ত দেৱনাথক সম্পাদক হিচাপে লৈ গঠন কৰা হৈছে অভ্যৰ্থনা সমিতিখন। অভ্যৰ্থনা সমিতিয়ে যুগুতাই উলিওৱা কাৰ্যক্ৰমণিকা অনুসৰি, সিদিনা পুৱা আঠ বজাৰ পৰা আৰম্ভ হ'ব প্ৰতিনিধি পঞ্জীয়ন। ন বজাত পতাকা উত্তোলন। পতাকা উত্তোলন কৰিব সংগঠনটোৰ সভাপতি জাইখলং ব্ৰহ্মই। ইয়াৰ সমান্তৰালকৈ উক্ত স্থানত একে সময়তে অসম সংগীত 'অ' মোৰ আপোনাৰ দেশ'ৰ তালে তালে সংগঠনটোৰ চাৰিওখন জিলা সমিতি ক্ৰমে কোকৰাঝাৰ, চিৰাং, বাগ্‌সা আৰু ওদালগুৰিৰ পতাকা সংশ্লিষ্ট জিলা সমিতিসমূহৰ সভাপতি-সম্পাদকসকলৰ দ্বাৰা উত্তোলন কৰা হ'ব। ৯-১৫ বজাত সংগঠনটোৰ উপ-সভাপতিৰ দ্বাৰা ছহিদ তৰ্পণ আৰু তাৰ পিছতে ৯-২৫ বজাত অনুষ্ঠিত হ'ব বৃক্ষৰোপণ কাৰ্যসূচী। ৰোপক হিচাপে উপস্থিত থাকিব কাজলগাঁও পৌৰ সভাৰ পৌৰপতি ৰৌনগৌৰা নাৰ্জাৰী আৰু পাৰিষদ চাইখং বসুমতাৰী। ১০ বজাৰ পৰা প্ৰতিনিধি সভা। বিয়লি দুই বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা। বি টি আৰ প্ৰধান প্ৰমোদ বড়ো মুখ্য অতিথিৰূপে উপস্থিত থাকিবলগীয়া মুকলি সভাখনত বি টি আৰৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, কাৰ্যবাহী সদস্যসকল ক্ৰমে ড° নিলুট স্বৰ্গীয়াৰী, ৰঞ্জিত বসুমতাৰীৰ লগতে চিদলিৰ বিধায়ক জয়ন্ত বসুমতাৰী আৰু বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব। আনহাতে, মুকলি সভাত অতিথিৰূপে আমন্ত্ৰণ কৰা হৈছে চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, আৰক্ষী অধীক্ষক প্ৰাঞ্জিত বৰা, জিলা জনসংযোগ বিষয়া গগন নাৰ্জাৰী, বি টি আৰৰ পাৰিষদদ্বয় ক্ৰমে মাধৱ ছেত্ৰী, চাইখলং বসুমতাৰী আৰু অসম খনি উন্নয়ন নিগমৰ অধ্যক্ষ ৰৌণগৌৰা নাৰ্জাৰীক। নিৰ্দিষ্ট বক্তাৰূপে মুকলি সভাত উপস্থিত থাকিব অসমীয়া প্ৰতিদিন কাকতৰ বঙাইগাঁও সংস্কৰণৰ আৱাসিক সম্পাদক হেমন্ত কুমাৰ শৰ্মা। অধিবেশনৰ স'তে সংগতি ৰাখি নিশাৰ ভাগত এখন বিচিত্ৰানুষ্ঠানৰো আয়োজন কৰা হৈছে। অনুষ্ঠানটোত চাৰিওখন জিলাৰ প্ৰতিনিধিসকলৰ উপস্থিতি কামনা কৰিছে অভ্যৰ্থনা সমিতিয়ে।

## নৱ প্ৰজন্মই প্ৰজ্ঞা-সাধনাৰে সাহিত্য চৰ্চা কৰিলে অসমীয়া ভাষা সমৃদ্ধিশালী হৈ থাকিব


■ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত অন্তৰংগ আলাপ অনুষ্ঠান

**গুৱাহাটী, ৭ জানুৱাৰী ঃ** অসম গ্ৰন্থমেলাৰ বাকৰিত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সৌজন্যত সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষত যোৱা চাৰি জানুৱাৰীৰ পৰা 'অন্তৰংগ আলাপ' শীৰ্ষক এক মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। 'ডিআইপিআৰ আসাম ফেচবুক পে'জৰ জৰিয়তে প্ৰচাৰত অনুষ্ঠানে দৰ্শকৰ পৰা ইতিমধ্যে ব্যাপক সঁহাৰি লাভ কৰিছে। তথ্য আৰু জনসংযোগৰ সঞ্চালক বিষ্ণু কমল বৰাৰ বিশেষ উদ্যোগত অনুষ্ঠিত কৰা 'অন্তৰংগ আলাপ'ত প্ৰথম দিনা সাহিত্য একাডেমী বঁটা প্ৰাপক গল্পকাৰ অপূৰ্ব কুমাৰ শইকীয়া, গল্পকাৰ অতনু ভট্টাচাৰ্যৰ লগতে গল্পকাৰ অৰ্চনা বৰঠাকুৰ, মনিকা দেৱী আৰু মনোৰঞ্জন বড়ি উপস্থিত থাকে। গল্পৰ আড্ডা শীৰ্ষক এই মত-বিনিময় অনুষ্ঠানত গল্প এটা সৃষ্টিৰ আঁৰৰ বিভিন্ন ঘটনা আৰু চিন্তা সম্পৰ্কে আলোচকসকলে বক্তব্য আগবঢ়ায়। লগতে সাম্প্ৰতিক সময়ত গল্পৰ ধাৰা আৰু ইয়াত আহি পৰা ইতিবাচক আৰু নেতিবাচক দিশসমূহো তেওঁলোকে পৰ্যালোচনা কৰে। যোৱা পাঁচ জানুৱাৰীত বিশিষ্ট লেখিকা ৰীতা চৌধুৰীৰ স'তে হোৱা 'অন্তৰংগ আলাপ' অনুষ্ঠানত কে'বাগৰাকী যুৱলেখক ৰূপম দত্ত, ৰামানুজ গোস্বামী, ধ্ৰুৱজ্যোতি অৰ্জুনা, উজ্জ্বল দিপ্লু গগৈ আৰু পাপু লেক্‌টিবেজ উপস্থিত থাকে। উপৰুৱা খ্যাতিত ভোল নগৈ নৱপ্ৰজন্মই প্ৰজ্ঞা আৰু সাধনাৰ বাটেৰে সাহিত্য চৰ্চা কৰিলে অসমীয়া ভাষা আৰু সাহিত্য সদায় সমৃদ্ধিশালী হৈ থাকিব বুলি মন্তব্য কৰে সাহিত্য একাডেমী বঁটা প্ৰাপক লেখিকা ৰীতা চৌধুৰীয়ে। যুৱ লেখক কেইজনেও সামাজিক মাধ্যমৰ লগতে ছপা মাধ্যমৰ গুৰুত্বৰ কথা স্বীকাৰ কৰে। যোৱা ছয় জানুৱাৰীত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষত বিশিষ্ট সাহিত্যিক তথা সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীক ২০২১ বৰ্ষৰ সাহিত্য একাডেমী বঁটা লাভ কৰাৰ বাবে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰি লেখিকাগৰাকীয়ে তেওঁৰ বিভিন্ন সৃষ্টিৰাজিৰ আঁৰত লুকাই থকা সাধনা আৰু অভিজ্ঞতাৰ বিষয়ে জনোৱাৰ লগতে বঁটা প্ৰাপ্তিয়ে আনন্দৰ লগতে দায়বদ্ধতাও বৃদ্ধি কৰে বুলি মন্তব্য কৰে। 'অন্তৰংগ আলাপ' অনুষ্ঠানৰ আজি অন্তিম দিনা 'অসমত গ্ৰন্থ উদ্যোগৰ ভৱিষ্যৎ' শীৰ্ষক এক আলোচনা অনুষ্ঠিত হয়। আলোচনাত উপস্থিত থাকে আক্-বাক্ প্ৰকাশন গোষ্ঠীৰ স্বত্বাধিকাৰ সৌমিত্ৰ যোগী, অসমীয়া ভাষা আৰু ছফট্ৱেৰ বিকাশ কেন্দ্ৰ, প্ৰকাশন গোষ্ঠীৰ স্বত্বাধিকাৰী অনিল বৰুৱা আৰু বনলতা প্ৰকাশন গোষ্ঠীৰ মনীষ হাজৰিকা, ঔপন্যাসিকা ইন্দ্ৰাণী শৰ্মা আৰু গল্পকাৰ জিন্তু গীতাৰ্থ। আলোচনাত অসমীয়া ছপা আৰু ডিজিটেল মাধ্যমক পৰস্পৰৰ পাৰিপূৰক হিচাপে গঢ়ি তুলি গুণগত সাহিত্যৰ লগতে জনপ্ৰিয় সাহিত্য সৃষ্টিৰ জৰিয়তে অসমৰ গ্ৰন্থ আন্দোলনক ইতিবাচক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত আলোচকসকলে সহমত প্ৰকাশ কৰে। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ অতিৰিক্ত সঞ্চালক প্ৰদীপ ব্ৰহ্মই আৰম্ভ কৰা অনুষ্ঠানটোৰ আটাইকেইদিনৰ অনুষ্ঠানৰ আঁত ধৰে জ্যেষ্ঠ তথ্য আৰু জনসংযোগ বিষয়া শিখা শইকীয়াই। অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰাত সহায় আগবঢ়ায় সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়া ক্ৰমে প্ৰমোদ কুমাৰ দত্ত, জাহিদ আহমেদ তাপাদাৰ, ইফতিখাৰ জামানে।



## আমিনগাঁও ৰাজীৱ ভৱন পুনৰ উজ্জীৱিত হ'ব ঃ বৰঠাকুৰ

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৭ জানুৱাৰী :** 'পীযুষ হাজৰিকা আৰু মুখ্যমন্ত্ৰীৰ গাত কংগ্ৰেছৰ তেজ প্ৰবাহিত হৈ আছে। এই দুই নেতাৰ গা কংগ্ৰেছ কংগ্ৰেছ আজিও গোন্ধায়।' আমিনগাঁও ৰাজীৱ ভৱনত নিৰ্বাচনৰ পাছত প্ৰথমবাৰলৈ উপস্থিত হৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ৰমেন বৰঠাকুৰে আজি এই মন্তব্য কৰে। বিজেপিক সমালোচনা কৰিবলৈ গৈ তেওঁ কয়, 'বিজেপিত কংগ্ৰেছৰ পৰা অহা নেতাই ভিৰ কৰিছে।' দলটিত কেইজন খাটি বিজেপি নেতা-কৰ্মী আছে বুলি বৰঠাকুৰে প্ৰশ্ন কৰে। কংগ্ৰেছৰ পৰা অহা নেতাৰ বাবেই দলত অন্তকন্দল আছে বুলি উল্লেখ কৰি তেওঁ কয় যে পুৰণি বিজেপি নেতাই মুখ নোখোলে। অন্তকন্দল আৰু পুৰণি নেতাৰ দলত গুৰুত্বহীনতাৰ বাবেই শীঘ্ৰে কে'বাজনো বিজেপি নেতাই কংগ্ৰেছলৈ আহিব বুলি বৰঠাকুৰে দাবী কৰে। উল্লেখ্য যে আমিনগাঁও ৰাজীৱ ভৱন পুনৰ কাৰ্যক্ষম তথা ন ৰূপেৰে সজাই দলীয় কৰ্মীক উৎসাহ যোগোৱাৰ পৰিকল্পনা কৰিছে এপিচিচিৰ সাধাৰণ সম্পাদক তথা জালুকবাৰী সমষ্টিৰ বিগত বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছৰ পৰাজিত প্ৰাৰ্থী বৰঠাকুৰে। কালি আমিনগাঁও ৰাজীৱ ভৱন পৰিদৰ্শন কৰি বৰঠাকুৰে জালুকবাৰীত পুনৰ খোপনিপটাৰ অভিপ্ৰায় ব্যক্ত কৰে। গণৰাজ্য দিৱসত ন ৰূপত কাৰ্যালয়টি উদ্‌ঘাটনৰ কথা সদৰীকৰে বৰঠাকুৰে। এতিয়াৰে পৰা জালুকবাৰী ৰাজীৱ ভৱন নিজে উদ্যোগ লৈ সুন্দৰকৈ সজাই দিয়াৰ কথাও তেওঁ কয়। তেওঁ কয় যে এতিয়াৰে পৰা বৰঠাকুৰক ঘৰত বিছাৰি যাব নালাগে, নিয়মীয়াকৈ ৰাজীৱ ভৱনত দলীয় কৰ্মীয়ে লগ কৰাৰ লগতে আলোচনাচক্ৰ হ'ব। দলীয় কৰ্মী লগত লৈ কাৰ্যালয় পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তেওঁ কেতবোৰ বিস্ফোৰক মন্তব্য কৰে। মুখ্যমন্ত্ৰীৰ আৰবিএছ ৰিয়েলটছ ভূমি কেলেংকাৰিৰ প্ৰসংগ টানি আনি তেওঁ কয়, 'উচ্চ ন্যায়ালয় চিটিং জাজৰ জৰিয়তে তদন্ত দি তেওঁ নিজকে নিৰ্দোষী প্ৰমাণ কৰক। ইয়াৰ পূৰ্বেও মুখ্যমন্ত্ৰীয়ে গোলাঘাটত নিজৰ পত্নীৰ নামত চাহ বাগিচাৰ ভূমি ক্ৰয় কৰি মিছা মাতিছিল।' ইফালে, ১০ জানুৱাৰীৰ পৰা প্ৰতিখন জিলাৰ সদৰ সদৰে মুখ্যমন্ত্ৰীৰ ভূমি কেলেংকাৰিৰ বিৰুদ্ধে তদন্ত বিছাৰি উপায়ুক্তক স্মাৰক প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ কথাও তেওঁ সদৰী কৰে।






## এটলেটিক'ৰ বিশাল জয়

**নিউজ ব্যুৰ'**
**মাদ্ৰিদ, ৭ জানুৱাৰী ঃ** কোপা ডেল ৰে বা স্পেনিছ কাপ ফুটবলত বিৰাট ব্যৱধানৰ বিজয় অৰ্জন কৰিলে এটলেটিক' মাদ্ৰিদে। কালি প্ৰতিযোগিতাখনৰ তৃতীয় ৰাউণ্ডৰ খেলত এটলেটিক'ৱে ৰায়' মায়াডাহ'ণ্ডাক ৫-০ গ'লত বিধ্বস্ত কৰে। ইয়াৰ জৰিয়তে এটলেটিক'ৱে প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কালিৰ খেলৰ প্ৰথমাৰ্দ্ধত এটলেটিক'ৰ হৈ গ'ল দিয়ে মেথিউছ কুনহা, ৰেনান ল'ডি আৰু লুইছ ছুৱাৰেজে। দ্বিতীয়াৰ্দ্ধত দলৰ জয়ৰ ব্যৱধান বৃদ্ধি কৰে এণ্টনী গ্ৰিজমেন আৰু জোৱাও ফেলিক্সে।


# তৃতীয় টেষ্টত প্ৰত্যাৱৰ্তন ঘটাব বিৰাটে

## হনুমা-শ্ৰেয়াছে সুযোগ নোপোৱাৰ ইংগিত মুখ্য প্ৰশিক্ষক দ্ৰাৱিড়ৰ



**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ৭ জানুৱাৰী ঃ** পিঠিৰ আঘাতৰ বাবে দক্ষিণ আফ্ৰিকাৰ বিপক্ষে দ্বিতীয় টেষ্টত খেলিব পৰা নাছিল বিৰাট কোহলিয়ে। অৱশ্যে তৃতীয় টেষ্টত ভাৰতীয় অধিনায়কে খেলাৰ পূৰ্ণ সম্ভাৱনা আছে। কালি দ্বিতীয় টেষ্টত পৰাজয়ৰ পাছত এই ইংগিত দিলে ভাৰতৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। ১১ জানুৱাৰীৰ পৰা শৃংখলাৰ তৃতীয় তথা অন্তিম টেষ্ট কেপটাউনত আৰম্ভ হ'ব। সেই সময়লৈ কোহলি সম্পূৰ্ণ সুস্থ হোৱাৰ আশা আছে বুলি দ্ৰাৱিড়ে সংবাদমেলত কয়।

'মই ভাবো বিৰাট সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিব। শেহতীয়া দুদিনমানত তেওঁ অনুশীলন কৰিছে, দৌৰিবলৈ আৰম্ভ কৰিছে। কেপটাউনৰ পূৰ্বে আৰু দুটা নেট ছেছন পাম। আশা কৰিছো যে তেওঁ খেলিব পাৰিব। অৱশ্যে ফিজিঅ'ৰ স'তে মই এতিয়াও কথা পতা নাই।' দ্ৰাৱিড়ে কয়। মুখ্য প্ৰশিক্ষকজনে লগতে কয় যে দ্বিতীয় ইনিংছত ভাৰতীয় বেটাৰে বৃহৎ ৰাণৰ ইনিংছ খেলিব নোৱৰাৰ বাবেই পৰাজয় সহ্য কৰিবলগীয়া হ'ল। তেওঁ কয়, 'যি কোনো বেটাৰে যদি এটা অৰ্ধশতৰাণৰ ইনিংছক ডাঙৰ ৰাণলৈ পৰিৱৰ্তন কৰিব পাৰে, তেতিয়াই অতিৰিক্ত ৭০-৮০ ৰাণ দলে লাভ কৰে। বলাৰসকলৰ মাজতো আত্মবিশ্বাস বাঢ়ে। বেটাৰসকলে অধিক দায়িত্ব ল'ব লাগিব।' হনুমা বিহাৰীৰ বেটিঙত সন্তুষ্ট হোৱা বুলি ক'লেও অৱশ্যে মুখ্য প্ৰশিক্ষকজনে ইংগিত দিয়ে যে তৃতীয় টেষ্টত কোহলিৰ প্ৰত্যাৱৰ্তন ঘটিলেও চেটেশ্বৰ পূজাৰা বা অজিংক্য ৰাহানে বাদ পৰাৰ সম্ভাৱনা ক্ষীণ। দ্ৰাৱিড়ে প্ৰসংগক্ৰমে কয় যে হনুমা বা শ্ৰেয়াছ আয়াৰে কিছুদিন অপেক্ষা কৰিবলগীয়া হ'ব পাৰে।



এডিলেইড ইণ্টাৰনেছনেল টেনিছৰ খেলৰ এটি মুহূৰ্তত এলেনা ৰাইবেৰিক'ভা, শুকুৰবাৰে।

## জে কে বৰুৱা ট্ৰফীৰ মধ্য অসম মণ্ডলৰ ফাইনেলত হোজাই

### ছয় উইকেটত পৰাস্ত গোলাঘাট

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৭ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা জে কে বৰুৱা ট্ৰফী (অনূৰ্ধ্ব-১৯)আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ ফাইনেলত প্ৰৱেশ কৰিছে হোজাই দলে। আজিৰ খেলত হোজাই দলে গোলাঘাটক ছয় উইকেটত হৰুৱায়। খেলখনত গোলাঘাটে টছত জিকি পোনতে বেট ধৰি সুশান্ত ভৰদ্বাজৰ ৬৮, ৰাহুল আগৰৱালাৰ ৫৮ আৰু দিপু গগৈৰ ১৯ ৰাণৰ উল্লেখনীয় বৰঙণিৰে ৩৮.৪ অভাৰত সকলো উইকেট হেৰুৱাই ১৭৪ ৰাণ সংগ্ৰহ কৰে। বলিঙত হোজাইৰ হাছিন স্বৰাজে পাঁচটা, নেৰাজ তালুকদাৰে দুটা, শিৰম লোধ আৰু আৰ্দশ ৰয়ে এটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত হোজাই দলে বেট ধৰি অধিনায়ক বিশাল শীলৰ অপৰাজিত ৮৩, শিৰম লোধৰ ২০, পৃথ্বীৰূপ চৌধুৰীৰ অপৰাজিত ১৫ আৰু ছান দত্তৰ ১৪ ৰাণৰ উল্লেখনীয় অৱদানেৰে ৩৭.৪ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৭৭ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে। বলিঙত গোলাঘাটৰ তিলক ছেত্ৰীয়ে দুটা, দিপু গগৈ আৰু সুশান্ত ভৰদ্বাজে এটাকৈ উইকেট পায়।

### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

## অন্তিমখন লীগ মেচত বৰপমুৱা ইউথৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**মাজুলী, ৭ জানুৱাৰী ঃ** মাজুলী জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত অনুষ্ঠিত হৈ থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি অনুষ্ঠিত অন্তিমখন লীগ খেলত লখিমী বৰপমুৱা ইউথ ক্লাবে মুদৈবিল লাচিত ক্লাবক এক উইকেটত পৰাজিত কৰে। ইতিমধ্যে চাৰিটা দলে ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ পাছত আজিৰ গুৰুত্বহীন লীগ খেলখনত প্ৰথমে বেট ধৰি মুদৈবিল লাচিত ক্লাবে আটাইকেইটা উইকেট হেৰুৱাই ১১২ ৰাণ সংগ্ৰহ কৰে। ইউথ ক্লাবৰ দিপাংকৰ দলেয়ে ১৫ ৰাণৰ বিনিময়ত পাঁচটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ইউথ ক্লাবে ন উইকেটৰ বিনিময়ত ১১৩ ৰাণ সংগ্ৰহ কৰি খেলখনত বিজয় সাব্যস্ত কৰে। লাচিত ক্লাবৰ ঘনকান্ত চমুৱাই ২২ ৰাণৰ বিনিময়ত পাঁচটা উইকেট দখল কৰে। অহা ন জানুৱাৰীত ৰিভাৰাইন ক্লাব আৰু টেলেণ্টেড ষ্টাৰ ক্লাবৰ মাজত প্ৰথমখন ছেমিফাইনেল আৰু ১০

## জামুগুৰিহাটত ব্লক পৰ্যায়ত ক্ৰীড়া সমাৰোহ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৭ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ গান্ধী পথাৰত আজিৰে পৰা আৰম্ভ হৈছে ব্লক পৰ্যায়ৰ ক্ৰীড়া সমাৰোহ। নেহৰু যুৱ কেন্দ্ৰ, তেজপুৰৰ উদ্যোগত অনুষ্ঠিত এই ক্ৰীড়া সমাৰোহত নদুৱাৰ উন্নয়ন খণ্ডৰ অধীনস্থ বিভিন্ন গাঁৱৰ লগতে বিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। জামুগুৰিহাটৰ ক্লিন এণ্ড গ্ৰীণ ইউথ ক্লাবৰ সহযোগিতাত আয়োজিত দুদিনীয়া ক্ৰীড়া সমাৰোহ আজি পুৱা উদ্বোধন কৰে জামুগুৰি ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতিয়ে।

## বাৰাংহাটীত ২২সংখ্যক প্ৰাইজমানি ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৭ জানুৱাৰী ঃ** হাজো সমষ্টিৰ অন্তৰ্গত সুদৰ্শন ক্লাব, বাৰাংহাটীৰ উদ্যোগত অহা ১৪, ১৫ আৰু ১৬ জানুৱাৰীত বাৰাংহাটী এম ভি স্কুল খেলপথাৰত তিনিদিনীয়াকৈ প্ৰাইজমানি নকআউট টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। তদুপলক্ষে ১৪ জানুৱাৰীৰ পুৱা খেল পৰিচালনা সমিতিৰ সভাপতিয়ে পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলনৰ পাছত অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন কলিতাই কাৰ্যালয় উদ্বোধন কৰিব। ইয়াৰ পাছত উত্তৰ কামৰূপ জিলা বিজেপিৰ সাধাৰণ সম্পাদক গৌতম কলিতাই খেলপথাৰ উদ্বোধন কৰিব। ক্ৰীড়া মঞ্চ উদ্বোধন কৰিব ফাৰ্মাচিষ্ট ছইনুৰ আলীয়ে। খেল উদ্বোধন কৰিব প্ৰাক্তন খেলুৱৈ মুকুট কলিতা আৰু বিপুল শইকীয়াই। ১৫ জানুৱাৰীৰ পুৱা ৯-৩০ বজাৰ পৰা খেল আৰম্ভ হ'ব। ১৬ জানুৱাৰীৰ পুৱা ৯-৩০ বজাত প্ৰথম ছেমিফাইনেল উদ্বোধন কৰিব অসম পৰ্যটন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতাই। ১১ বজাত দ্বিতীয়খন ছেমিফাইনেল উদ্বোধন কৰিব ৰিয়েল জিমৰ স্বত্বাধিকাৰী নেকিবউদ্দিন আহমেদে। দুপৰীয়া ১২ বজাত ক্লাবৰ বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। দুপৰীয়া ১-৩০ বজাত চূড়ান্ত খেল উদ্বোধন কৰিব উত্তৰ কামৰূপ জিলা বিজেপিৰ সভাপতি নন্দন তালুকদাৰে। আবেলি তিনি বজাত বটাঁ বিতৰণী অনুষ্ঠানত বটাঁ বিতৰকৰূপে উপস্থিত থাকিব এমট্ৰনৰ উপ-প্ৰৱন্ধক দীনমণি ভাণ্ডাৰ কায়স্থ, আছুৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাস, সমাজকৰ্মী ৰজত চন্দ্ৰ কলিতা আৰু ধাৰেশ্বৰ কলিতা। অনুষ্ঠানত আমন্ত্ৰিত অতিথি ৰূপে পঃ বঃ আঞ্চলিক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল শৰ্মা, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, অসম জাতীয় পৰিষদৰ উপ-সভাপতি দুলু আহমেদ, কনিষ্ঠ অভিযন্তা ৰমজান আলী, ধুহি গাঁও পঞ্চায়তৰ সভাপতি গিয়াছুদ্দিন আহমেদ, উত্তৰ হাজো বিজেপিৰ সভাপতি মৃণাল কলিতা আদি উপস্থিত থাকিব। খেলৰ প্ৰথম পুৰস্কাৰ নগদ ১০,০১০ টকা আৰু চলন্ত ট্ৰফী, দ্বিতীয় পুৰস্কাৰ ৮,০০৮ টকা আৰু চলন্ত ট্ৰফী প্ৰদান কৰাৰ লগতে মেন অৱ দ্য ছিৰিজ, মেন অৱ দ্য মেচ আদি পুৰস্কাৰো প্ৰদান কৰিব। খেল সম্পৰ্কে অধিক জানিবলৈ ৯১২৭২১৩০৪৭, ৯১০১৭৪১০৫৪, ৯৭০৭১৯৭৬৮৬ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে ক্ৰিকেট দল সমূহলৈ আহ্বান জনাইছে। ইতিমধ্যে পংকজ শইকীয়াক সভাপতি, ৰিজু কলিতাক কাৰ্যকৰী সভাপতি, ৰাহুল কলিতাক উপ-সভাপতি, ভাস্কৰ কলিতাক মুখ্য সম্পাদক, পুলকেশ কলিতাক সম্পাদক আৰু সৌৰভ কলিতাক সহঃ সম্পাদকৰূপে লৈ এখন পৰিচালনা সমিতি গঠন কৰিছে।



*বাংগালুৰুৰ জাতীয় ক্ৰিকেট একাডেমীত আঘাতৰ পৰিচৰ্যা অব্যাহত ৰখা ৰোহিত শৰ্মাৰ স'তে সূৰ্য কুমাৰ যাদৱ, শুকুৰবাৰে।*

## ৰংদৈত নৈশ বেডমিণ্টন

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৭ জানুৱাৰী ঃ** যোৰহাট জিলাৰ ৰংদৈ নতুন সমাজৰ সৌজন্যত অহা আঠ, ন আৰু ১০ জানুৱাৰীত এখন নৈশ বেডমিণ্টন প্ৰতিযোগিতা আয়োজন কৰিছে। ৰংদৈ নতুন সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া নগদ ধনৰ পুৰস্কাৰ সম্বলিত বেডমিণ্টন প্ৰতিযোগিতা অপ্ৰশিক্ষণপ্ৰাপ্ত খেলুৱৈসকলৰ মাজত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা অংশগ্ৰহণ কৰিবৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে উদ্যোক্তা সমিতিৰ সভাপতি লিজদ্বীপ দত্ত, উপ-সভাপতি জেতপন শৰ্মা, সম্পাদক প্ৰণয়ন শৰ্মা তথা সহকাৰী সম্পাদক প্ৰীতম শৰ্মা আৰু গৌতম বৰাৰ স'তে ম'বাইল নম্বৰ ৯৩৬৫০-৮৪০৭৬, ৬০০০২-৫৬৬৬০ত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

### এডিলেইডৰ ছেমিত ভাৰতৰ ব'পান্না-ৰামানাথন

## মহিলা ডাবল্‌ছত ছানিয়াৰ পৰাজয়

**নিউজ ব্যুৰ'**
**এডিলেইড, ৭ জানুৱাৰী ঃ** এডিলেইড ইণ্টাৰনেছনেল টেনিছৰ পুৰুষ ডাবল্‌ছৰ ছেমিফাইনেলত উপনীত হৈছে ভাৰতীয় যুটি ৰোহন ব'পান্না আৰু ৰাজকুমাৰ ৰামানাথন। বাছনিহীন যুটিটোৱে আজিৰ কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ বেঞ্জামিন ব'ঞ্জি আৰু মনেগেছকিউৰ হুগ' নাইছক ৬-১, ৬-৩ ছেটত পৰাজিত কৰে। অৱশ্যে ইউক্ৰেইনৰ নাডিয়া কিচেন'কৰ স'তে যুটি বন্ধা ভাৰতীয় তাৰকা ছানিয়া মিৰ্জাই মহিলা ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় ল'বলগীয়া হয়। অষ্ট্ৰেলিয়ান যুটি এছ্‌লে বাৰ্টী আৰু ষ্টৰ্ম ছেণ্ডাৰ্ছে আজিৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলত ছানিয়া-নাডিয়াক ৬-১, ২-৬, ১০-৮ ছেটত পৰাজিত কৰিবলৈ সক্ষম হয়।



# অধিনায়কে তিৰস্কাৰ কৰিছিল ৰাবাডাক

## এলগাৰৰ কঠিন বাক্যতে উজ্জীৱিত হৈছিল দলৰ প্ৰধান বলাৰ




**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ৭ জানুৱাৰী ঃ** ভাৰতৰ বিপক্ষে দ্বিতীয় টেষ্টত ফাষ্টবলাৰ কাছিগ' ৰাবাডাৰ এক স্বপ্নৰ স্পেলতে জয়ৰ সুযোগ সৃষ্টি হৈছিল দক্ষিণ আফ্ৰিকাৰ। ভাৰতৰ দ্বিতীয় ইনিংছত এটা সময়ত দুৰন্ত বলিং কৰি ৰাবাডাই দুই অৰ্ধশতৰাণকাৰী চেটেশ্বৰ পূজাৰা আৰু অজিংক্য ৰাহানেৰ লগতে বিপজ্জনক ঋষভ পণ্টক বিদায় দিছিল। মাত্ৰ ১২ ৰাণৰ ব্যৱধানত ভাৰতে এই তিনি বেটাৰক হেৰুৱাই খেলৰ দখলো দক্ষিণ আফ্ৰিকাক দিবলৈ বাধ্য হয়। অথচ ইয়াৰ আগলৈকে খেলখনৰ পৰিস্থিতি ভাৰতে নিজৰ দখলত ৰাখিছিল। সেই স্পেলৰ আগলৈকে ৰাবাডাই চলিত শৃংখলাত ভাৰতৰ বিপক্ষে বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। কালি টেষ্টত জয়লাভৰ অন্তত ৰাবাডা উজ্বলি উঠাৰ অন্তৰালৰ তথ্য সদৰী কৰিলে ঘৰুৱা দলৰ অধিনায়ক ডিন এলগাৰে।

উল্লেখ্য যে এলগাৰৰ অপৰাজিত ৯৬ ৰাণৰ বাবেই দক্ষিণ আফ্ৰিকাই টেষ্টখনত জয়লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে তাৰ পূৰ্বে দলৰ জয়ৰ সুযোগ সৃষ্টি কৰিছিল ৰাবাডাৰ সেই বিধ্বংসী স্পেলে। তাৰ পূৰ্বে ভাৰতৰ প্ৰথম ইনিংছতো তেওঁ তিনিটা উইকেট দখল কৰিছিল। কালি খেলৰ অন্তত অধিনায়ক এলগাৰে কয় যে কেতিয়াবা ৰাবাডাক ৰকেটৰ দৰে আঘাতৰ প্ৰয়োজন হয় আৰু দলৰ সাজঘৰত সেয়াই ঘটিছিল। এলগাৰে কয়, 'মই কেজি (ৰাবাডা)ৰ কাষলৈ গৈ কৈছিলো যে তুমি আমাৰ দলৰ এজন সন্মানীয় ক্ৰিকেটাৰ। অথচ মই নাভাবো যে এই মুহূৰ্তত তুমি নিজক অতি ভালদৰে ব্যৱহাৰ কৰিছা। কেজিৰ দক্ষতা মই ভালদৰে জানো। যেতিয়াই কেজিয়ে নিজৰ গতি লাভ কৰে, তেতিয়া তেওঁতকৈ ভাল বলাৰ কোনো নাথাকে। সেই আলোচনাই কাম দিলে।' এলগাৰে লগতে কয় যে প্ৰথম টেষ্টৰ পাছতে তেওঁ ৰাবাডাক তিৰস্কাৰ কৰিছিল। দক্ষিণ আফ্ৰিকাৰ প্ৰশিক্ষক মাৰ্ক বাউচাৰেও কয় যে ৰাবাডাৰ পৰা শ্ৰেষ্ঠখিনি উলিয়াই অনাৰ বাবে দলৰ সাজঘৰত কেতিয়াবা তেওঁক টান কথা শুনাবলগীয়া হয়।

## যোৰহাটত আছুৰ স্বৰ্ণকাপ ভলীবল আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৭ ডিচেম্বৰ ঃ** যোৰহাট জিলা ছাত্ৰসন্থাৰ উদ্যোগত যোৰহাট মহকুমা ছাত্ৰসন্থা, যোৰহাট আঞ্চলিক ছাত্ৰসন্থাৰ সহযোগত আজিৰে পৰা যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আৰম্ভ হৈছে আছুৰ আন্তঃজিলা স্বৰ্ণকাপ ভলীবল প্ৰতিযোগিতা। প্ৰাক্তন ছাত্ৰনেতা নাছিৰ হুছেইন সোঁৱৰণী এই স্বৰ্ণকাপ ভলীবল প্ৰতিযোগিতাত ৰাজ্যৰ ২৫ খন আছু জিলা সমিতিয়ে অংশগ্ৰহণ কৰিছে। ইয়াকে লৈ আজি যোৰহাটত এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

আজি পুৱা আছুৰ সভাপতি দীপাংক কুমাৰ নাথে পতাকা উত্তোলন কৰি কাৰ্যসূচী মুকলি কৰে। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ছহিদ তৰ্পণ কাৰ্যসূচীত অংশ লয়। প্ৰয়াত হুছেইনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি মাল্যাৰ্পণ কৰে তেওঁৰ পত্নী নাৰ্জী হুছেইন চৌধুৰীয়ে। অনুষ্ঠানতে যোৰহাটৰ জ্যেষ্ঠ ক্ৰীড়া সংগঠক ননী দত্ত, ৰাতুল বৰুৱা, প্ৰাক্তন এন আই এছ প্ৰশিক্ষক মোহন বৰা, ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ মনোৱাৰা বেগমক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক অভিজিত ভট্টাচাৰ্যই প্ৰতিযোগিতাখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক ৰাই চুব্বা ৰাও আৰু প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ মিথিলেশ কুমাৰ সিং উপস্থিত থাকি ভাষণ প্ৰদান কৰে। বিয়লিৰ পৰা আৰম্ভ হোৱা প্ৰথম দুখন খেলত মাজুলীয়ে ধেমাজি দলক ৩-১ গেমত আৰু লখিমপুৰে ডিব্ৰুগড়ক ৩-০ গেমত পৰাজিত কৰে।



*যোৰহাটত আছুৰ স্বৰ্ণকাপ ভলীবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত, শুকুৰবাৰে।*

## গোৱালপাৰা টাইকোৱান-ড' একাডেমীৰ শাখা মুকলি

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৭ জানুৱাৰী ঃ** গোৱালপাৰা টাইকোৱান-ড' একাডেমীৰ আজি এটা নতুন শাখা মুকলি কৰা হয়। গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সভাপতি আব্দুছ ছোবাহান আৰু উপ-সভাপতি ইব্ৰাহিম আলীৰ সহযোগত জ্যেষ্ঠ সাংবাদিক দিলীপ কুমাৰ শৰ্মাই ৰঙা ফিটা কাটি চহৰৰ পি আৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত টাইকোৱান-ড' একাডেমীৰ নতুন শাখাটো মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত পৌৰোহিত্য কৰে জ্যেষ্ঠ সাংবাদিক দিলীপ কুমাৰ শৰ্মাই। গোৱালপাৰা টাইকোৱান-ড' একাডেমীৰ মুখ্য প্ৰশিক্ষক ধীৰু নাথে আতঁ ধৰা উদ্ধোধনী সভাতে একাডেমীয়ে প্ৰশিক্ষাৰ্থীসকলৰ মাজত ইউনিফৰ্ম বিতৰণ কৰে।

# অষ্ট্ৰেলিয়াৰ বিপক্ষে বেয়াৰষ্ট'ৰ শতক

## চতুৰ্থ টেষ্টত আশ্চৰ্যকৰভাৱে আউটৰ পৰা ৰক্ষা পৰিল ষ্ট'ক্‌ছ

**নিউজ ব্যুৰ'**
**ছিডনী, ৭ জানুৱাৰী ঃ** জনী বেয়াৰষ্ট'ৰ অপৰাজিত শতৰাণ সত্ত্বেও এছেজ শৃংখলাৰ চতুৰ্থ টেষ্টত বিপদৰ হাত সৰা নাই ইংলণ্ড। অষ্ট্ৰেলিয়াই কালি আঠ উইকেটত ৪১৬ ৰাণ সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। আজি তৃতীয় দিনাৰ খেল সমাপ্তিলৈ ইংলণ্ডে সাত উইকেটৰ বিনিময়ত ২৫৮ ৰাণ সংগ্ৰহ কৰে। ভ্ৰমণকাৰী দলটো এতিয়াও ১৫৮ ৰাণত পাছ পৰি আছে। ১৪০টা বল খেলি ১০৩ ৰাণত অপৰাজিত হৈ আছে বেয়াৰষ্ট'।

উল্লেখ্য যে ইংলণ্ডৰ শীৰ্ষক্ৰম পুনৰ ব্যৰ্থ হোৱাত দলটোৱে ৩৬ ৰাণতে চাৰি উইকেট হেৰুৱাই বিপদত পৰিছিল। অৱশ্যে বেয়াৰষ্ট'ৱে অলৰাউণ্ডাৰ বেন ষ্ট'ক্‌ছৰ স'তে যুটি বান্ধি দলক বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰে। দুয়ো পঞ্চম উইকেটত ১২৮ ৰাণ যোগ দিয়ে। ভাগ্যৰ সহায় পোৱা ষ্ট'ক্‌ছে ৯১টা বলত ৬৬ ৰাণৰ বৰঙণি আগবঢ়ায়। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ বলাৰ কেমেৰ'ন গ্ৰীণৰ এটা বলে ষ্ট'ক্‌ছৰ ষ্টাম্পত আঘাত কৰাৰ পাছতো বেল সৰি নপৰিল। আম্পায়াৰে প্ৰথমে আউট ঘোষণা কৰিলেও ভিডিঅ' ৰিপ্লে চাই তৃতীয় আম্পায়াৰে তেওঁক নটআউট ঘোষণা কৰে। ইয়াৰ উপৰি মাৰ্ক উডে ৪১টা বলত ৩৯ ৰাণৰ এক আক্ৰমণাত্মক তথা গুৰুত্বপূৰ্ণ ইনিংছ খেলে। অষ্ট্ৰেলিয়াৰ অধিনায়ক পেট কামিন্স আৰু স্কট ব'লাণ্ডে দুটাকৈ উইকেট দখল কৰিছে।




## বাৰ্টী-হালেপ ছেমিফাইনেলত

**নিউজ ব্যুৰ'**
**এডিলেইড, ৭ জানুৱাৰী ঃ** শীৰ্ষ ৰেংকিংপ্ৰাপ্ত মহিলা টেনিছ খেলুৱৈ এছ্‌লে বাৰ্টী আৰু দ্বিতীয় বাছনিৰ ছিম'না হালেপে এডিলেইড ইণ্টাৰনেছনেল টেনিছৰ ছেমিফাইনেলত উপনীত হৈছে। আজিৰ কোৱাৰ্টাৰ ফাইনেলত বাৰ্টীয়ে ২০২০ৰ অষ্ট্ৰেলিয়ান অপেন চেম্পিয়ন ছ'ফিয়া কেনিনক ৬-৩, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, ৰোমানিয়াৰ তাৰকা হালেপে ভিক্ট'ৰিয়া গলুবিচক ৬-২, ৫-৭, ৬-৪ ছেটত হৰুৱায়। সেইদৰে সপ্তম বাছনিৰ এলেনা ৰাইবেৰিক'ভাই শ্বেলবী ৰজাৰ্ছক ৩-৬, ৬-৩, ৬-২ ছেটত পৰাজিত কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হয়।

### সন্তোষ ব্ৰহ্ম আন্তঃক্লাব ক্ৰিকেট লীগ

## ডলফিন 'এ' ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা**
**গৰুভাসা, ৭ জানুৱাৰী ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত চলা সন্তোষ ব্ৰহ্ম সোঁৱৰণী জিলা আন্তঃক্লাব ক্ৰিকেট লীগত বেংতলৰ ডলফিন 'এ' ক্লাবে অগ্ৰগতি লাভ কৰিছে। বেংতলত আজি অনুষ্ঠিত হোৱা লীগৰ এখন খেলত ডলফিন 'এ' ক্লাবে ছাতিপুৰৰ সূৰ্য ক্লাবক পাঁচ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি সূৰ্য ক্লাবে আঠ উইকেট হেৰুৱাই ৯৩ ৰাণ কৰে। প্ৰত্যুত্তৰত ডলফিন 'এ' ক্লাবে ১১.৩ অভাৰত পাঁচ উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ডলফিনৰ হৈ টেনজিং লামাই অপৰাজিত ৪২ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু সঞ্জয় ছেত্ৰীয়ে তিনিটা উইকেট দখল কৰে।



অসম চৰকাৰ

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ




# বিনম্ৰ গোহাৰি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰুদ্বজনাৰ দ্বাৰা প্ৰতিষ্ঠিত অসমৰ মহাপুৰুষীয়া সংস্কৃতি আৰু পৰম্পৰাৰ ধ্বজাবাহী সত্ৰসমূহলৈ আবণ্টিত ভূমিৰ ব্যাপক হাৰত বেদখলৰ বিষয়টো অসম চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু চৰকাৰে বিষয়টোৰ জটিলতা তথা গুৰুত্ব অনুধাৱন কৰিব পাৰিছে। আমি জনাবলৈ পাই অত্যন্ত সুখী হৈছোঁ যে ইয়াৰ এক স্থায়ী সমাধান হেতু অসম মন্ত্ৰীসভাৰ যোৱা বৰ্ষৰ ২৪ নৱেম্বৰৰ সিদ্ধান্তমৰ্মে মাননীয় বিধায়ক শ্ৰীপ্ৰদীপ হাজৰিকাক অধ্যক্ষ আৰু মাননীয় বিধায়কদ্বয় শ্ৰীমৃণাল শইকীয়া আৰু শ্ৰীৰূপক শৰ্মাক সদস্য হিচাপে লৈ এখন তিনিজনীয়া আয়োগ গঠন কৰা হৈছে। এই আয়োগে অসমৰ সমূহ সত্ৰৰ স্থান পৰিভ্ৰমণ কৰি সত্ৰসমূহৰ আবণ্টিত মুঠ ভূমি আৰু দখলীকৃত এলেকাৰ চৰজমিন অনুসন্ধান কৰি চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব।

এই গোহাৰি যোগে অসমৰ সমূহ সত্ৰকে আবণ্টিত ভূমি আৰু বেদখল হোৱা ভূমিৰ সন্দৰ্ভত কিবা অভিযোগ থাকিলে প্ৰতিবেদন অথবা স্মাৰক পত্ৰ আকাৰে নৱগঠিত আয়োগৰ ওচৰত দাখিল কৰিবলৈ বিনম্ৰ আহ্বান জনালোঁ। স্মাৰক পত্ৰসমূহ এই গোহাৰি প্ৰকাশৰ দুই মাহৰ ভিতৰত তলৰ ঠিকনাত জমা দিব পাৰিব।

### স্মাৰক টোকা পঠোৱাৰ ঠিকনা

অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগ
অসম চৰকাৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, জনতা ভৱন
গুৱাহাটী-৭৮১০০৬



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

